NOWGONG GIRLS' COLLEGE
ESTD. 1962
NOWGONG-ASSAM

# নগাঁও ছোৱালী কলেজ

## আলোচনী



**Session : 2010-11**

ড° ভূপেন হাজৰিকাৰ

**নিজ হাতেলিখা এটি গীত**



# নগাঁও ছোৱালী কলেজ আলোচনী
# Nowgong Girls' College Magazine

Mahesh Chandra Dev Goswami Library
Acc. No............
Date..................
Nowgong Girls' College

বাৰ্ষিক প্ৰকাশ

২০১০-১১ বৰ্ষ

Nowgong Girls' College Magazine

Annual Publication, 2010-2011

নগাঁও ছোৱালী কলেজ আলোচনী ঃ বাৰ্ষিক প্ৰকাশ, ২০১০-২০১১ চন

## সম্পাদনা সমিতি

**সভাপতি**
ড° অজন্তা দত্ত বৰদলৈ, অধ্যক্ষা

**তত্ত্বাৱধায়ক**
শ্ৰীবীতা বৰা, মুৰব্বী অধ্যাপিকা, ইংৰাজী বিভাগ
শ্ৰীশৰৎ হাজৰিকা, অধ্যাপক, বুৰঞ্জী বিভাগ
শ্ৰীকল্যাণ বৰা, অধ্যাপক, বুৰঞ্জী বিভাগ

**সদস্য**
শ্ৰীজ্যোতিৰ্ময় জানা
শ্ৰীবিজয় প্ৰসাদ সিংহ
শ্ৰীমৰমী গায়ন
ড° জয়ন্তী সাহা

**সম্পাদিকা**
শ্ৰীপুণ্যশ্ৰী বেজবৰুৱা

**আৰ্হি কাকত**
শ্ৰীজ্যোতিৰ্ময় জানা (ইংৰাজী বিভাগ)
শ্ৰীমৰমী গায়ন (অসমীয়া বিভাগ)
ড° সঞ্জিতা সিন্‌হা (সংস্কৃত বিভাগ)
ড° মণিকা শইকীয়া (হিন্দী বিভাগ)
শ্ৰীৰঞ্জয় সাহা (বাংলা বিভাগ)

প্ৰকাশিকা ঃ অধ্যক্ষা, নগাঁও ছোৱালী কলেজ।

বেটুপাত ঃ শ্ৰীসুজিত দাস
ছপা ঃ গিগাবাইট্‌চ প্ৰেছ এণ্ড পাব্লিকেশ্যন, মিলনপুৰ, নগাঁও।

# উৎসৰ্গ



কলঙৰ পাৰত
পোহৰৰ কাৰেং গঢ়াৰ প্ৰতিশ্ৰুতিৰে
প্ৰায় পাঁচটা দশকৰ আগতে
যিসকল ব্যক্তি ওলাই আহিছিল,
যাৰ চকুত উদ্ভাসিত হৈছিল
সীমাৰ পৰিধি ভাঙি
সময়ক জয় কৰাৰ সপোন
সেইসকল ভৱিষ্যদ্ৰষ্টাৰ নামত
নগাঁও ছোৱালী কলেজ আলোচনীৰ
এই সংখ্যা উছৰ্গা কৰা হ'ল।

—সম্পাদনা সমিতি




কৰ্মৰত অৱস্থাত নগাঁও ছোৱালী কলেজৰ অধ্যক্ষা
ড° অজন্তা দত্ত বৰদলৈ

# অধ্যক্ষাৰ একলম

সৌ সিদিনালৈকে নাৰীৰ জগৎখন আছিল একান্তভাৱে তেওঁৰ ঘৰ, যি পুৰুষৰ জগতৰ তুলনাত অতি ক্ষুদ্ৰ আৰু সংকীৰ্ণ। প্ৰকৃততে সেই ঘৰখনো তেওঁৰ নিজৰ নাছিল। সি আছিল তেওঁৰ পিতৃৰ, স্বামীৰ বা পুত্ৰৰ। সেই ঘৰত তেওঁৰ গতিবিধি আছিল নিয়ন্ত্ৰিত আৰু অধিকাৰ আছিল অত্যন্ত সীমিত। যিহেতু নাৰী-পুৰুষৰ সমতা আৰু সমানাধিকাৰৰ ভিত্তিত গঢ়ি উঠা এখন উমৈহতীয়া জগতৰ অস্তিত্ব সমাজে স্বীকাৰ নকৰিছিল সেই হেতুকে নাৰীৰ বাবে এটি পৰ্যাপ্ত ক্ষেত্ৰৰ প্ৰয়োজনীয়তা প্ৰতিপাদন কৰিছিল বিখ্যাত ইংৰাজ লেখিকা ভাৰ্জিনিয়া উল্‌ফে ১৯২৯ চনত প্ৰকাশিত হোৱা তেওঁৰ “A Room of One's Own” শীৰ্ষক বিশ্ব আলোড়নকাৰী প্ৰবন্ধটিত। এৰৈছ শতিকাৰ নাৰী যে ঊনৈছ কুৰি শতিকাৰ নাৰীতকৈ যথেষ্ট আগবঢ়া তাত সন্দেহ নাই; কিন্তু ভাৰ্জিনিয়া উল্‌ফে বিচৰামতে এই নাৰীয়ে তেওঁৰ বিচৰণ আৰু বিকাশৰ বাবে পৰ্যাপ্ত ক্ষেত্ৰ পাইছে তেনে দাবীও অমূলক। যি নাৰীয়ে এখন ঘৰৰ সমস্যা ভালদৰে বুজি লৈ সেইখন ঘৰ চম্ভালিব পাৰে, সেই নাৰীয়ে যে এখন দেশৰ সমস্যাবোৰ হৃদয়ঙ্গম কৰি দেশখনো চলাবৰ উপযুক্ত এই কথা নিজৰ অভিজ্ঞতাৰে উপলব্ধি কৰিছিল মাৰ্গাৰেট থেচাৰে। তেওঁ কৈছিল: “Any woman who understands the problems of running a home will be nearer to understanding the problems of running a country.” এই থেচাৰ কোনো সাধাৰণ মহিলা নহয়। তেওঁ হ'ল কুৰি শতিকাৰ গ্ৰেট ব্ৰিটেনৰ দীৰ্ঘতম কালৰ (১৯৭৯-১৯৯০) প্ৰধানমন্ত্ৰী। বহিৰ্জগতলৈ ওলাই আহি এখন দেশ চলোৱাৰ অৰ্থ যে নাৰীত্বক বিসৰ্জন দিয়া নহয়, বৰং পুৰুষশাসিত মদমত্ত সমাজখনত পৰ্যাপ্ত পৰিমাণে দয়া-মায়া-মমতা, সহিষ্ণুতা আদি নাৰীসুলভ গুণৰাজিৰ সঞ্চাৰ কৰা সেই কথাও তেওঁ দৃঢ়তাৰে দোহাৰিছিল। তেওঁ কৈছিল: “The woman's mission is not to enhance the masculine spirit but to express the feminine; hers is not to preserve a man-made world, but to create a human world by the infusion of feminine elements into all its activities.” নাৰীয়ে পৃথিৱীখনক সুন্দৰ কৰি তুলিব পাৰিব যদিহে তেওঁ নিজৰ নাৰীধৰ্ম অটুট ৰাখি সুশিক্ষিতা হৈ উঠে আৰু জীৱনৰ সকলো ক্ষেত্ৰতে নিজকে বিয়পাই দিব পাৰে। সকলোৱে জানে, ঊনৈছ শতিকাৰ মহিলাই লেখা

প্ৰায়বোৰ উপন্যাস মহিলায়ো নপঢ়িছিল, কাৰণ এই লেখিকাসকলৰ বিচৰণ ক্ষেত্ৰ আছিল অতি সীমিত আৰু তেওঁলোকৰ অভিজ্ঞতাৰ জগৎখনো আছিল অতি ঠেক। সেয়ে চাৰ্লছ ব্ৰণ্টিৰ দৰে বিখ্যাত লেখিকায়ো প্ৰথম জীৱনত কাৰাৰ বেল (Currer Bell) ছদ্মনামেৰে লিখিবলৈ বাধ্য হৈছিল আৰু মেৰী এন ইভান্সৰ স্থায়ী নাম হৈছিল জৰ্জ এলিয়ট।

নগাঁও ছোৱালী কলেজৰ বৰ্তমান আলোচনীখন প্ৰকাশৰ আগমুহূৰ্তত মই মৰমৰ ছাত্ৰীসকলক জীৱনৰ সকলো ক্ষেত্ৰত আৰু সকলো দিশত বিয়পি পৰি তেওঁলোকৰ জ্ঞান আৰু অভিজ্ঞতাৰ জগৎখনক আলোকিত কৰিবলৈ আহ্বান জনাইছোঁ; কাৰণ, জ্ঞান আৰু অভিজ্ঞতাৰে তেওঁলোক যিমানেই পুষ্ট হ'ব, তেওঁলোকৰ সৃষ্টিৰাজিও সিমানেই সমৃদ্ধ আৰু আকৰ্ষণীয় হৈ উঠিব। অকল এয়েই নহয়, প্ৰগতিৰ পথত নিজৰ দেশখনকো তেওঁলোকে আগুৱাই নিব পাৰিব। মনত ৰাখিব লাগিব, দয়া-মায়া-মমতা আৰু সহিষ্ণুতাৰ লগত শিক্ষা আৰু প্ৰগতিৰ কোনো বিৰোধ নাই। নাৰীসুলভ গুণৰাজিৰ লগত শিক্ষা আৰু প্ৰগতিৰ বিৰোধ আৱিষ্কাৰ কৰি পুৰুষশাসিত সমাজে এসময়ত নাৰীক নিৰক্ষৰ আৰু কূপমণ্ডুক কৰি ৰাখিছিল। কাগজে-কলমে সেই দিন আজি নাই যদিও বাস্তৱত সেইদিন সম্পূৰ্ণ উকলি যোৱা বুলিও দঢ়াই ক'ব নোৱাৰি। যিহওক, নাৰী অৱদমনৰ লজ্জাকৰ পৰম্পৰাক অৱসান ঘটাব লাগিব আমি নাৰীয়েই— ধৈৰ্য, সহিষ্ণুতা, সুশিক্ষা আৰু সু-সংস্কৃতিৰে। নোবেল শান্তি বঁটা বিজয়ী ম্যানমাৰৰ জনপ্ৰিয় গণনেত্ৰী আউংচান চু কীৰ এষাৰি কথাৰে মই মোৰ বক্তব্যৰ মোখনি মাৰিব খুজিছোঁ: "The education and empowerment of woman throughout the world cannot fail to result in a more caring, tolerant, just and peaceful life for all." মানৱ সমাজক সুস্থিৰ আৰু শান্তিপূৰ্ণ কৰি ৰাখিবৰ কাৰণে নাৰী সেৱা, সহিষ্ণুতা আৰু দয়া-মায়া-মমতাৰ মূৰ্ত প্ৰতীক হৈ উঠিব লাগিব সঁচা, কিন্তু সেই বুলি নাৰী-সবলীকৰণ আৰু স্ত্ৰীশিক্ষাৰ দৰে গুৰুত্বপূৰ্ণ বিষয়বোৰকো জলাঞ্জলি দিব নোৱাৰি। নগাঁও ছোৱালী কলেজৰ আলোচনীখন অনুষ্ঠানখনৰ ছাত্ৰীসকলৰ সু-সংস্কৃত মন আৰু জ্ঞান-মেধা-বুদ্ধিৰ পৰিচায়ক হোৱাৰ উপৰি নাৰী-সবলীকৰণ আন্দোলনলৈকো অৰিহণা আগবঢ়াওক— এয়াই মোৰ একান্ত কামনা।

— **ড° অজন্তা দত্ত বৰদলৈ**, অধ্যক্ষা

## সম্পাদিকাৰ কোঠালি



### অসমীয়া সংস্কৃতিৰ বৰ্ণময়তা ঃ

নিশ্চীৰা গণ্ডকী চিত্ৰা কৌশকী চ ৰধূসৰা।
সৰযূশ্চ সলৌহিত্যা হিমবত্‌পাদনিঃসৃতা।।

(বামন পুৰাণ— ১৩ অঃ/১৯ শ্লোঃ)

হিমালয় পৰ্বতৰ পৰা প্ৰবাহিত সৰস্বতী, যমুনা, ঐৰাৱতী, বিতস্তা, গণ্ডকী আদিৰ দৰে পুৰাণত বৰ্ণিত লৌহিত্য (লুইত) ভাৰতবৰ্ষৰ এখন প্ৰাচীন নদী। এই লুইত অসমৰ প্ৰাণ আৰু ঐতিহাসিক ক্ৰমবিকাশৰ সাক্ষী তথা অসমীয়া জাতিৰ জীৱনীশক্তি। ইয়াৰ তৰাং বুকুখনি কপিলী, ধনশিৰি, দৈয়াং, সোৱণশিৰি, গাই, জীয়াভৰলী আদি উত্তৰ-দক্ষিণ বাহিনী নদীসমূহৰ পানীয়ে যিদৰে জীপাল কৰি ৰাখিছে, সেইদৰে দুয়ো উপকূলৰ বিস্তীৰ্ণ এলেকাৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠীসমূহৰ বাৰেবৰণীয়া সংস্কৃতিয়ে অসমৰ শিল্প-কলা আৰু সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনো বৰ্ণময় কৰি তুলিছে। অসমৰ ৰীতি-নীতি, আচাৰ-অনুষ্ঠান, নৃত্য-নাটক, গীত-মাত আদি সকলোতে কম-বেছি পৰিমাণে বিৰাজমান এই বৰ্ণময় ইন্দ্ৰধনুখন। বহু ভাষাৰ, শব্দৰ সমাহাৰত গঢ় লোৱা অসমীয়া ভাষা এটা সংস্কৃত ৰূপ।

### জাতীয় সাহিত্য অধ্যয়নৰ অপৰিহাৰ্যতা ঃ

অসমীয়া ভাষাৰ উৎপত্তিৰ পৰা বৰ্তমানলৈ ক্ৰমে হোৱা বিকাশ সম্পৰ্কে কৰা অধ্যয়ন এতিয়াও শেষ হোৱা নাই, আৰু অধ্যয়নৰ প্ৰয়োজন আছে। ভাষা-সাহিত্য জাতীয় জীৱনৰ দাপোন স্বৰূপ। দাপোনত নিজৰ শৰীৰৰ প্ৰতিটো অংগ-প্ৰত্যংগ যিদৰে প্ৰত্যক্ষ হয়, সেইদৰে জাতীয় সাহিত্যত আত্মপৰিচয় আৰু জীৱনসংস্কৃতিৰ প্ৰতিটো দিশ পৰিলক্ষিত হয়। নিজক চিনিব আৰু জানিবৰ বাবেই জাতীয় সাহিত্য অধ্যয়নৰ প্ৰয়োজন আছে। ড° সত্যেন্দ্ৰনাথ শৰ্মাৰ ভাষাত— "প্ৰত্যেক জাতিৰেই নিজস্ব ভাষা আছে, আৰু সেই ভাষাৰ মাধ্যমত জাতিৰ সাহিত্য গঢ়ি উঠে। ভাষাবৃক্ষৰ সাহিত্য সৌৰভময় পুষ্পস্বৰূপ। জাতীয় সাহিত্য জাতিৰ আশা-আকাংক্ষা, আনন্দ-বেদনা আৰু ভাৱ-কল্পনা প্ৰকাশৰ থল। সাহিত্যৰ যোগেদি জাতিৰ মানসিক বিকাশ, সৌন্দৰ্যবোধৰ ধাৰা লক্ষ্য কৰা যায় আৰু অতীত-বৰ্তমানৰ পৰিচয় আৰু ভৱিষ্যত জীৱনৰ সম্ভাৱনাৰ ইংগিতো পোৱা যায়। কোনো জাতিৰ শিক্ষা-দীক্ষা, কলা-সংস্কৃতি আৰু সমাজৰ প্ৰকৃত পৰিচয় লাভ কৰিবলৈ সেই জাতিৰ সাহিত্য অধ্যয়ন অপৰিহাৰ্য।"

### আলোচনী প্ৰসংগ ঃ

নগাঁও ছোৱালী কলেজৰ আলোচনী প্ৰতি শিক্ষাবৰ্ষতে প্ৰকাশ হৈ আছে। এইবাৰো আলোচনীখন প্ৰকাশৰ বাবে শ্ৰদ্ধাৰ অধ্যাপক-অধ্যাপিকা আৰু বান্ধৱী ছাত্ৰীসকলে অহোপুৰুষাৰ্থ কৰিছে। এই আলোচনীখন প্ৰকাশ কৰিবলৈ মোক সহায় কৰা প্ৰতিজনৰ ওচৰত মই চিৰকৃতজ্ঞ। বিশেষকৈ অধ্যক্ষা ড° অজন্তা দত্ত বৰদলৈ বাইদেউ, তত্ত্বাবধায়কদ্বয় শ্ৰীশৰৎ হাজৰিকা আৰু শ্ৰীকল্যাণ বৰা ছাৰৰ লগতে সম্পাদনা সমিতিত থাকি মোক বিভিন্ন দিশত দিহা-পৰামৰ্শ আগবঢ়োৱা প্ৰতিগৰাকী ছাৰ-বাইদেউক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। ইয়াৰোপৰি ছাত্ৰী একতা সভাৰ প্ৰতিগৰাকী সদস্যকে ধন্যবাদ জ্ঞাপন কৰিছো। সন্মানীয়সকলৰ জ্ঞান গধুৰ লেখাসমূহে আলোচনীখনৰ মান নিশ্চয় উৰ্দ্ধগামী কৰিছে। আমি সকলোৰে ২০১০-২০১১ বৰ্ষৰ এই আলোচনীখন সানন্দে, সহৃদয়তাৰে আদৰি লওঁ আহক।

— **পুণ্যশ্ৰী বেজবৰুৱা**

# সূচীপত্ৰ

## অসমীয়া বিভাগ


| | | | |
|---|---|---|---|
| প্ৰবন্ধ | মহেশচন্দ্ৰ দেৱগোস্বামী ঃ জীৱন আৰু কৃতি | ড° যোগেন্দ্ৰ নাৰায়ণ ভূঞা | ১৫-১৭ |
| | মামণি ৰয়ছম গোস্বামীৰ 'মামৰে ধৰা তৰোৱাল'ত সাই নদীৰ ভূমিকা | ড° মঞ্জু লস্কৰ | ১৮-২৩ |
| | গীতৰ কথাংশৰ বিষয়ে কিছু কথা | ড° ব্ৰজেন্দ্ৰনাথ ৰায় চৌধুৰী | ২৪-২৬ |
| | ছাত্ৰ, ৰাজনীতি আৰু ইয়াৰ বিভিন্ন দিশ | বিদিশা বুঢ়াগোহাঁই | ২৭-২৮ |
| | অসমৰ লোক-সংস্কৃতিত বেজ-বেজালি | ৰূপিকা বৰা | ২৯-৩০ |
| | দেহতত্ত্বমূলক গীত ঃ এটি অধ্যয়ন | বৰ্ণালী ডেকা | ৩১-৩৬ |
| | অসমীয়া ফকৰা-যোজনাত নাৰী | মৰমী গায়ন | ৩৭-৩৯ |
| | অসমৰ উচ্চ শিক্ষা, বিশ্ববিদ্যালয় অনুদান আয়োগ আৰু আনুষঙ্গিক সমস্যাৱলী | কল্যাণ বৰা | ৪০-৪২ |
| | বৈষ্ণৱ সাহিত্যত ভক্তি ৰত্নাৱলী | তৰালী বৰা | ৪৩-৪৫ |
| | নামনি সোৱনশিৰি জলবিদ্যুৎ প্ৰকল্পঃ এক বিতৰ্ক | সুমন সূত | ৪৬-৪৭ |
| | বিহু আৰু ইয়াৰ তাত্ত্বিক দিশ | পাখী বৰা | ৪৮-৪৯ |
| | অসমীয়া মাধ্যমৰ বিদ্যালয়ত ইংৰাজী ভাষা শিক্ষাৰ সমস্যা | প্ৰিয়া গোস্বামী | ৫০-৫১ |
| | মামণি ৰয়ছম গোস্বামীৰ *'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'* আৰু অনুৰাধা শৰ্মা পূজাৰীৰ *'হৃদয় এক বিজ্ঞাপন'*ৰ ঃ এক তুলনাত্মক সমালোচনা | মনালিছা দেৱী | ৫২-৫৪ |
| | সংগীতৰ উৎপত্তি সম্পৰ্কে | সুস্মৃতি মেধি | ৫৫-৫৬ |
| গল্প | দুখৰ দিনৰ লগৰী | পাখী বৰা | ৫৭-৫৮ |
| | এখন নতুন পৃথিৱীৰ সন্ধানত | বিদিশা বুঢ়াগোহাঁই | ৫৯ |
| | স্বাধীন | পুণ্যশ্ৰী বেজবৰুৱা | ৬০-৬১ |
| | প্ৰত্যাৱৰ্তন | মেনকা প্ৰসাদ | ৬২-৬৩ |
| অনুবাদ গল্প | হেৰোৱা শিশু | ভাষান্তৰ— শৰৎ হাজৰিকা | ৬৪-৬৭ |
| ভ্ৰমণ কাহিনী | কাজিৰঙা ভ্ৰমণ | মম্পী পাঠক | ৬৮-৬৯ |
| কবিতা | অকলশৰীয়া | বিদিশা বুঢ়াগোঁহাই | ৭০ |
| | সেউজীয়া হৃদয় আৰু মোৰ পৃথিৱীখন | ড° নমিতা কলিতা | ৭১ |
| | ভাল লাগিছে | মনালিছা দেৱী | ৭২ |
| | মই কবিতা লিখো | বন্দিতা বৰা | ৭২ |
| | কিয় এনে হয় | প্ৰমতা ডাউলাগুফু | ৭৩ |
| | সপোন | পুণ্যশ্ৰী বেজবৰুৱা | ৭৩ |
| | অশান্ত বলয় | বৰ্ণালী বৰবৰা | ৭৪ |
| | জোনাক | নয়নমণি বৰা | ৭৫ |
| | যাত্ৰী | বন্দিতা বৰা | ৭৬ |
| | মা | ৰশ্মি দেৱী | ৭৬ |
| | সপোনৰ স'তে মই | অভিনন্দা গোস্বামী | ৭৭ |
| | আলোড়ন | মঞ্জুদেৱী দাস | ৭৮ |
| | আধৰুৱা | আছায়া বেগম খণ্ডকাৰ | ৭৮ |
| | শৈশৱে মাতে ৰিঙিয়াই | প্ৰতিমা কলিতা | ৭৯ |
| | মৃত্যুও এটি শিল্প | আৰতি ডেকাৰজা | ৮০ |
| | সাৰথি | মৃগাংকী শইকীয়া | ৮১ |
| | সপোনৰ পৃথিৱীত | ফাহমিন আখতাৰ | ৮১ |
| | মৃত্যু | কাবেৰী খাটনিয়াৰ | ৮২ |
| | সপোনৰ ৰঙা দলিছা | অঞ্জলি বৰুৱা | ৮২ |
| | মই আৰু মোৰ সপোন | ৰিমছি গোস্বামী | ৮৩ |
| | মই যেতিয়া বৃদ্ধ হ'ম | আৰতি ডেকাৰজা | ৮৪ |


## বাংলা বিভাগ


| | | | |
|---|---|---|---|
| প্ৰবন্ধ | ভূপেন হাজরিকার সঙ্গীত মানবিকতারই এক অন্য নাম | ড° জয়ন্তী সাহা | ৮৭-৮৯ |
| | রবীন্দ্রনাথের সাহিত্য ভাবনা | রঞ্জয় সাহা | ৯০-৯৪ |
| | স্বামী বিবেকানন্দ | অনুশ্ৰী দাস | ৯৫ |

| | | | |
|---|---|---|---|
| গল্প | ইন্দুভূষণের ইন্দু | মাণ্টি দেবনাথ | ৯৬-৯৭ |
| কবিতা | নেমে এসো ধরাতলে | মিতালী ঘোষ | ৯৮ |
| | স্বপ্ন আসে স্বপ্ন যায় | বন্দনা সূত্রধর | ৯৯ |
| | বৃষ্টি ভেজা দিন | পিংকি সাহা | ১০০ |
| | স্বপ্ন | পলি কর | ১০১ |
| | শ্রদ্ধেয় ভূপেন | প্রিয়া সাহা | ১০২ |
| | পুরানো সেই দিনের কথা | নন্দিতা রায় | ১০৩ |
| | তাজমহল | ডোনা দাস | ১০৪-১০৫ |
| | অতুলনীয় ভারত | বিজয়ীতা সাহা | ১০৬ |
| | জাগ্রত দেবতা | সুস্মিতা বণিক | ১০৭ |
| | নিমগাছ | প্রিয়াংকা দাস | ১০৮ |


## संस्कृत विभाग


| | | | |
|---|---|---|---|
| | प्रसङ्ग : पाठभेदो मन्त्राणाम् | ড° সজ্জিতা সিংহ | ১১১-১১২ |
| | पातञ्जलानुसारम् योगशव्दस्यार्थ: | ৰশ্মি ডেকা | ১১৩ |
| | चाणक्य नीति | জিমি থাউচেণ | ১১৪ |
| | व्याकरणस्य महत्वम् | নিলাক্ষী মিলি মেদক | ১১৫-১১৬ |


## हिन्दी विभाग


| | | | |
|---|---|---|---|
| प्रबन्ध | स्नेहदेवी की कहानी 'विचित्र' : एक आलोचना | डॉ॰ मनिका शइकीया | ১১৯-১২০ |
| | कबीर वाणी की प्रासंगिकता | उदय भान भगत | ১২১-১২৬ |
| | हिन्दी साहित्य में मलिक मुहम्मद जायसी का स्थान एवं महत्व | संगीता कुमारी पासी | ১২৭-১২৮ |
| कविता | मेघ आये | संगीता कुमारी | ১২৯ |
| | नींद में आना | श्रद्धारानी डेका | ১২৯ |
| | हरियाली | भारती सिंह | ১৩০ |
| | सपना | दीपा कुमारी | ১৩১ |
| | एकता की चाह | लक्ष्मी सिंह | ১৩১ |
| | एक जहान | अलका कुमारी चौहान | ১৩২ |
| | सपना तो सपना है | सुमन सिंह | ১৩২ |


## ENGLISH SECTION


| | | | |
|---|---|---|---|
| Article | Detective Fiction: An Overview | Rita Bora | ১৩৫-১৩৮ |
| | Indira Goswami's Dantal Hatir Uye Khowa Hawdah and Dr Santwana Bordoloi's Adahya | Afshana Hussain Choudhury | ১৩৯- |
| | Umrangso: A Dream Valley | Sonia Singh | ১৪২-১৪৩ |
| | MIME | Saleha Yeasmin Chowdhury | ১৪৪-১৪৬ |
| | Bharat Natyam: From Temple to Stage | Pratishruty Saikia | ১৪৭-১৫০ |
| | Origin of the Leeches: A Karbi Folk-Tale | Retold by: Livai Patorpi | ১৫১-১৫৪ |
| | Chimneysweeps: In Life and Literature | Joyshree Saikia | ১৫৫-১৫৭ |
| Poem | MIRROR | Rumi Tanti | ১৫৮ |
| | LOVE | Moina Katharpi | ১৫৮ |
| | SWEETHEART | Chayanika Bharali | ১৫৯ |
| | SUCCESSFUL PEOPLE | Jyotismita Gohain | ১৫৯ |
| | THEY MAKE ME SMILE | Rumi Tanti | ১৬০ |
| | MOTHER | Afshana Hussain Chowdhury | ১৬০ |


## আলোকচিত্ৰ আৰু প্ৰতিবেদন


| | |
|---|---|
| আলোকচিত্ৰ | ১৬৩-১৭০ |
| সাধাৰণ সম্পাদিকাৰ বাৰ্ষিক প্ৰতিবেদন | ১৭১ |
| সংগীত সম্পাদিকাৰ বাৰ্ষিক প্ৰতিবেদন | ১৭২ |
| তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদিকাৰ বাৰ্ষিক প্ৰতিবেদন | ১৭৩ |
| ক্ৰীড়া সম্পাদিকাৰ বাৰ্ষিক প্ৰতিবেদন | ১৭৪ |
| ছাত্ৰী সাহাৰ্য পুজিঁৰ সম্পাদিকাৰ বাৰ্ষিক প্ৰতিবেদন | ১৭৫ |


# অসমীয়া বিভাগ

"সাহিত্য বস্তুটো জীৱনৰ প্ৰতিবিম্ব। যি জীৱনৰ যেনে ৰূপ, তাৰ লিখাত তেনে প্ৰতিবিম্বই পৰে। জীৱনত আত্মজ্ঞান, আত্মবিশ্বাস, আত্মশ্ৰদ্ধা, আত্মমৰ্য্যদাৰ অনুভূতিটো যিমানেই স্পষ্ট, প্ৰখৰ আৰু সতেজ হৈ বৰ্তিব সেই জীৱনৰ বিৰাট উজ্জ্বল প্ৰতিবিম্ব বুকুত লৈ তিমানেই মহান সাহিত্যৰ সৃষ্টি হ'ব। সেই সাহিত্যইহে মানৱীয় মনোজগতত একছত্ৰী অধিকাৰ থাপি, মানৱৰ সকলো দুৰ্বলতা, অপূৰ্ণতা, কলুষ, ক্লেদ, গ্লানি, নীচতা, ভীৰুতা, ক্লেশ— দৈন্য ধ্বংস কৰি তাক নিখুত মানৱীয় ৰূপত প্ৰকৃতিষ্ঠ কৰি তুলিব। সেয়ে বিশ্ব মানৱীয় সাহিত্য। সাহিত্যৰ উদ্দেশ্য, মানৱক প্ৰকৃত মানৱীয় গুণত মহানভাৱে পৰিশোভিত কৰি তোলা।
যি সাহিত্যত এই পৰিকল্পনা নাই;
সি মানৱীয় সাহিত্য নহয়।"

অম্বিকাগিৰী ৰায়চৌধুৰীৰ প্ৰবন্ধৰ পৰা...

প্ৰবন্ধ

# মহেশচন্দ্ৰ দেৱগোস্বামী ঃ জীৱন আৰু কৃতি

ড° যোগেন্দ্ৰ নাৰায়ণ ভূঞা

অসমৰ শিক্ষা ক্ষেত্ৰত মহেশচন্দ্ৰ দেৱগোস্বামী এটা সুপৰিচিত নাম। ১৯৪৪ চনত স্থাপিত হোৱা নগাঁও কলেজৰ প্ৰতিষ্ঠাপক অধ্যাপকসকলৰ অন্যতম গোস্বামী ডাঙৰীয়াই ওঠৰটা বছৰ অনুষ্ঠানটোলৈ সেৱা আগবঢ়াইছিল আৰু কলেজখনৰ এক অপৰিহাৰ্য অংগ হৈ আছিল আৰু অনুষ্ঠানটোৰ সেইছোৱা কালৰ অগণন শিক্ষাৰ্থীৰ মনত তেখেতে একোটা মচিব নোৱাৰা ছাপ বহুৱাবলৈ সক্ষম হৈছিল। সেই ছাপ আছিল তেখেতৰ দক্ষতাৰ, দ্ৰুততাৰ; সেই ছাপ স্পষ্টবাদিতাৰ, নিৰ্ভীকতাৰ; সেই ছাপ সময়ানুৱৰ্তিতাৰ, নিয়মানুৱৰ্তিতাৰ। সময় নিষ্ঠতাৰেই আন এটা নাম যেন মহেশচন্দ্ৰ দেৱগোস্বামী, নিয়মনিষ্ঠতা যেন তেখেতৰেই নামান্তৰ।

অসমৰ মাজ মজিয়া নগাঁও জিলাত নাৰীৰ উচ্চ শিক্ষাৰ আছুতীয়া অনুষ্ঠান পঞ্চাছৰ দশকলৈকে নাছিল। ১৯৬২ চনত 'এল, চি, টৌডি গাৰ্লছ কলেজ' স্থাপিত হোৱাৰ আগলৈকে জিলাখনৰ দূৰ-দূৰণিৰ অগণন ছাত্ৰীৰ উচ্চশিক্ষা লাভৰ অভিলাষ হৃদয়তে উঠি হৃদয়তে মাৰ গৈছিল। অসমত নাৰীৰ উচ্চ শিক্ষাৰ ইতিহাসত সেইবাবেই এল, চি, টৌডি গাৰ্লছ কলেজ (বৰ্তমানৰ নগাঁও ছোৱালী কলেজ) এক ক্ৰান্তিকাৰী সংঘটন— ইতিহাসৰ লগত মহেশচন্দ্ৰ দেৱগোস্বামীৰ নামটো কেৱল জড়িতই নহয়, গোস্বামী নিজে এইছোৱা ইতিহাসৰ স্ৰষ্টাও। তেতিয়াৰ মাত্ৰ তিনিকুৰি চাৰি গৰাকী ছাত্ৰীৰে আৰম্ভ হোৱা আৰু সম্প্ৰতি প্ৰতি বছৰে যোল্ল সোতৰশ ছাত্ৰীৰে ভৰপূৰ হৈ থকা নগাঁও ছোৱালী কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ গোস্বামীৰ ভূমিকা অসমৰ শিক্ষা ইতিহাসৰ এটা স্বতন্ত্ৰ অধ্যায়ৰ বিষয়বস্তু নিশ্চয়। ১৯৮০ চনত অৱসৰ গ্ৰহণ কৰা অধ্যক্ষ গোস্বামীয়ে সমান সুবিচাৰেৰে উক্ত দুয়োটা শিক্ষানুষ্ঠানলৈকে নিজৰ সেৱা আগবঢ়াই গৈছে। কেৱল সেৱা— কালৰ দৈৰ্ঘ্যৰ সমতাৰেই নহয়, শিক্ষকতাৰ শেহ দিনটো পৰ্যন্ত অক্লান্ত উদ্যমৰ উপৰি অকৃত্ৰিম হৃদয়বেগেৰেও দুয়োটা অনুষ্ঠানতে তেখেতে নিজৰ মচিব নোৱাৰা স্বাক্ষৰ ৰাখি থৈ গৈছে। শিক্ষক মহেশচন্দ্ৰ দেৱগোস্বামীৰ জীৱনত প্ৰাধান্য লাভ কৰিলেও নগাঁও কলেজ আৰু নগাঁও ছোৱালী কলেজেহে। কিন্তু শিক্ষক হিচাপে গোস্বামীৰ প্ৰথম দৃষ্টিত পৰে নগাঁৰৰ ডচন হাইস্কুল। কলিকতা বিশ্ববিদ্যালয়ৰ দৰ্শন বিষয়ৰ এম, এ, ডেকা গোস্বামীক পিচে এবছৰো স্কুলখনে ধৰি ৰাখিব নোৱাৰিলে। তাৰো পূৰ্বে কিছুদিনৰ বাবে তেখেতে শ্বিলঙৰ জনসংযোগ বিষয়া হিচাপে চৰকাৰী চাকৰিৰো জুতি লৈছিল।

মহেশচন্দ্ৰ দেৱগোস্বামীৰ জন্ম হৈছিল নগাঁও জিলাৰ বালিসত্ৰত (পিতৃ কন্দৰ্প দেৱগোস্বামী, মাতৃ ৰোহিনী দেৱী) ১৯১৭ চনত। বালিসত্ৰত প্ৰাথমিক শিক্ষা লাভ কৰাৰ পিচত আঠগাঁও মজলীয়া স্কুলত পঢ়ি সপ্তম শ্ৰেণীৰ পৰা গুৱাহাটী কলেজিয়েট স্কুলত গোস্বামী ভৰ্তি হৈছিল। ১৯৩৬ চনৰ প্ৰৱেশিকা পৰীক্ষাত গোস্বামী পাঁচটা বিষয়ত লেটাৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হয়। তাৰ দুবছৰৰ পাছত (১৯৩৮) লজিক বিষয়ত লেটাৰসহ কটন কলেজৰ পৰা আই, এ পৰীক্ষা আৰু ১৯৪০ চনত দৰ্শন বিষয়ত অনাৰ্ছ লৈ একেখন কলেজৰ পৰাই তেখেতে বি, এ পৰীক্ষা পাছ কৰে। দৰ্শন বিষয়ত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা এম, এ পৰীক্ষাত তেখেত উত্তীৰ্ণ হয় ১৯৪২ চনত। কলিকতা বিশ্ববিদ্যালয়ত পঢ়োঁতে অধ্যাপক সৰ্বপল্লী ৰাধাকৃষ্ণণ, সুৰেন্দ্ৰনাথ দাসগুপ্ত আৰু হুমায়ুন কবীৰৰ লেখীয়া ব্যক্তিৰ সান্নিধ্য আৰু পাণ্ডিত্যৰ প্ৰভাৱে মহেশচন্দ্ৰ দেৱগোস্বামীক জীৱনৰ ভৱিষ্যৎ গঢ়াত প্ৰেৰণা যোগাইছিল। বিশেষকৈ ৰাধাকৃষ্ণণৰ ব্যক্তিত্ব আৰু প্ৰতিভাৰ পোহৰে গোস্বামীৰ মানসিকতা বহু পৰিমাণে আলোকিত কৰিছিল।

পিছে দৰ্শনৰ ছাত্ৰ মহেশচন্দ্ৰ দেৱগোস্বামীৰ জীৱনত দাৰ্শনিক চিন্তা-চৰ্চাতকৈ আপেক্ষিকভাৱে বলৱৰ্তী হ'ল সাহিত্যিক ধ্যান-ধাৰণাহে। এইক্ষেত্ৰত

গোস্বামীৰ মনত বিৰিঞ্চি কুমাৰ বৰুৱাৰ সাহিত্যিক ব্যক্তিত্বৰ ছাপটোৱে বহু পৰিমাণে ক্ৰিয়া কৰিছিল বুলিব পাৰি। কলিকতা বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি থকা কালতে বিৰিঞ্চি কুমাৰ বৰুৱাৰ সান্নিধ্য আছিল গোস্বামীৰ বাবে এক অনন্য সম্পদ। বৰুৱাৰ সান্নিধ্য লাভৰ ফলতে গোস্বামীৰ মন দাৰ্শনিক দিশতকৈ নান্দনিক দিশৰ প্ৰতি আকৃষ্ট হ'ল বেছিকৈ। নগাঁও চহৰত থিতাপি লোৱাৰ পিছত শেৱালি কবি ৰত্নকান্ত বৰকাকতীৰ সান্নিধ্যও গোস্বামীৰ সাহিত্যিক জীৱন গঢ় লৈ উঠাত সহায়ক হয়। অৱশ্যে ত্ৰিশৰ দশকটোৰ শেহ আৰু চল্লিছৰ দশকটোৰ আদিভাগত চক্ৰেশ্বৰ ভট্টাচাৰ্য, ভৱানন্দ দত্ত, প্ৰফুল্ল চন্দ্ৰ গোস্বামী, অতুল চন্দ্ৰ বৰুৱা আদি জ্যেষ্ঠ-কনিষ্ঠ-সমবয়স্ক ব্যক্তিসকলৰ উৎসাহ-উদ্দীপনায়ো মহেশচন্দ্ৰ দেৱগোস্বামীৰ সাহিত্যিক জীৱনৰ ভেটিটো প্ৰতিষ্ঠাপনত বহু পৰিমাণে ক্ৰিয়া কৰিছিল। গোস্বামীৰ এইছোৱা কালৰ ৰোমান্টিক ধ্যান-ধাৰণাৰ স্বাক্ষৰ বহন কৰি আছে চল্লিছৰ দশকতে প্ৰকাশিত কবিতা পুথি **'ছায়াময়া'** (১৯৪১) আৰু **'স্মৃতি'**য়ে (১৯৪৯) আৰু গীতৰ পুথি **'অময়া'**ই (১৯৪৯)। গীত ৰচনাত গোস্বামীয়ে প্ৰেৰণা পাইছিল অসমৰ সুগায়ক ধীৰেন দাসৰ পৰা, সংগীতজ্ঞ পুৰুষোত্তম দাসৰ পৰা, সংগীতানুৰক্ত উবেদুল লতিফ বৰুৱাৰ পৰা। অৱশ্যে কোৱা বাহুল্য যে মহেশচন্দ্ৰ দেৱগোস্বামীৰ উল্লিখিত পুথিকেইখনৰ আৰু সামগ্ৰিকভাৱে তেখেতৰ সাহিত্যিক ব্যক্তিত্বৰ পৰ্বত ৰচনাত দাৰ্শনিক চিন্তা-চৰ্চাই কম অৰিহণা যোগোৱা নাই।

কিন্তু মহেশচন্দ্ৰ দেৱগোস্বামীৰ পক্ষে কেৱল ৰোমান্টিক ভাব-কল্পনাৰ বাবেই চল্লিছৰ দশকটো গুৰুত্বপূৰ্ণ নহয়; দশকটোৱে তেখেতৰ জীৱনক দান কৰিলে এক বিৰল অচলা প্ৰতিষ্ঠাও। সেই প্ৰতিষ্ঠা 'ছায়াময়া', 'স্মৃতি' আৰু 'অময়া'ৰ কবি-গীতিকাৰজনৰ নহয়; নগাঁও কলেজৰ লজিক ফিল'ছফিৰ অধ্যাপকজনৰো নহয়; সেই প্ৰতিষ্ঠা, শ্ৰীমুনীন বৰকটকীয়ে বাৱন্ন চনতে ক'বৰ দৰে, এজন 'হাঁহি থকা দাৰ্শনিক, 'Laughing Philosopher'-ৰ প্ৰতিষ্ঠা, মহেশচন্দ্ৰ দেৱগোস্বামীৰ দ্বিতীয় ৰূপ 'কুমাৰ শ্ৰীমধুসূদন'ৰ প্ৰতিষ্ঠা। **'কিমাশ্চৰ্য্যম্'** গ্ৰন্থত সন্নিৱিষ্ট লঘু প্ৰবন্ধসমূহৰ মাজত সোমাই থকা গোস্বামীৰ কুমাৰ শ্ৰীমধুসূদন ৰূপটোৱে শেহৰ ফালে অসমীয়া সাহিত্য ক্ষেত্ৰৰ পৰা মহেশচন্দ্ৰ দেৱগোস্বামীক আঁতৰাই নিজে পীৰা পাৰি বহিল। সেইবাবেই জনাসকলে মহেশচন্দ্ৰ দেৱগোস্বামীৰ বাতৰি বিচাৰে কুমাৰ শ্ৰীমধুসূদনৰ ওচৰতহে।

কিন্তু গোস্বামীৰ মধুসূদনৰ জন্ম চল্লিছৰ দশকত নহয়; অবিশ্বাস্য যেন লাগিলেও সঁচা যে ত্ৰিছৰ দশকত গোস্বামী কলেজিয়েট স্কুলৰ সপ্তমমান শ্ৰেণীৰ ছাত্ৰ হৈ থকা অৱস্থাতেই শ্ৰীমধুসূদনৰ জন্ম হৈছিল 'শেৱালি' নামৰ হাতে লিখা পযেকীয়া আলোচনী এখনৰ পাততে। কেৱল বয়োপ্ৰাপ্তিৰ ফলত স্বাভাৱিক কাৰণতে যেন পৰৱৰ্তী দশকটোত শ্ৰীমধুসূদনে 'কুমাৰ' বুলি নিজেই ঘোষণা কৰিলে।

একেটা দশকতে ১৯৪৭ চনৰ ৭ আগষ্টত মহেশচন্দ্ৰ দেৱগোস্বামীৰ সম্পাদনা কৰি প্ৰকাশ কৰা 'বিহলঙনি' বাৰ্তালোচনীত কুমাৰ শ্ৰীমধুসূদনে নিজাকৈ বিশালতৰ ক্ষেত্ৰ এখন বিচাৰি পালে। গোস্বামীৰ এই দ্বিতীয় ৰূপটোৱেই আকাশবাণীৰ গুৱাহাটী কেন্দ্ৰত বহুদিনলৈ 'আত্মাৰামৰ গুৱাহাটী আগমন' আৰু 'বৰমেধিৰ দিন-পঞ্জী' (প্ৰায় এশখনমান ৰচনা)ৰ মাজেদিও প্ৰকাশ লাভ কৰিছিল। গোস্বামীৰ কুমাৰ শ্ৰীমধুসূদনেই এসময়ত শ্ৰীচাৰু মহন্ত সম্পাদিত 'অসম বাতৰি' কাকতত 'দুৰ্মুখ' ৰূপত দিছিল 'এক কলম' আৰু 'এক কলমৰ বেছি' কথাখিনিৰে।

কুমাৰ শ্ৰীমধুসূদনৰ লগতে মহেশচন্দ্ৰ দেৱগোস্বামীৰ আত্মিক ঘনিষ্ঠ গাঢ়তৰ হৈ ৰ'ল। ১৯৬৬ চনত প্ৰকাশ পোৱা কুমাৰ শ্ৰীমধুসূদনৰ হাস্য-ব্যংগ ৰসাত্মক কবিতাৰ সংকলন 'মই যে কৰাম বিয়া' আৰু ১৯৭৪ চনত প্ৰকাশিত লঘু কথাত গুৰু বিষয়ক ৰচনাৰ সংকলন 'কৈফিয়ৎ' ইয়াৰ উদাহৰণ। অসমীয়া সাহিত্যত মহেশচন্দ্ৰ দেৱগোস্বামীৰ কুমাৰ শ্ৰীমধুসূদন লক্ষ্মীনাথ বেজবৰুৱাৰ কৃপাবৰৰ সুযোগ্য উত্তৰ।— সাধক বুলিলে অতিৰঞ্জনৰ দোষে নুচুব নিশ্চয়। বেজবৰুৱাৰ দৰেই গোস্বামীৰো সমসাময়িক সমাজ জীৱনৰ লগত থকা সংযোগৰ প্ৰমাণ, অসম আৰু অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰতি থকা সংবেদনশীল মনোভংগীৰে প্ৰমাণ কুমাৰ শ্ৰীমধুসূদনৰ চিন্তাৰাজি, কুমাৰ শ্ৰীমধুসূদনৰ টীকা-টিপ্পনীসমূহ।

অসম কলেজ শিক্ষক সংস্থাৰ প্ৰতিষ্ঠাপক সম্পাদক মহেশচন্দ্ৰ দেৱগোস্বামীৰ সমসাময়িক বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ লগত সম্পৰ্ক আছিল অতি নিবিড়। এসময়ৰ এ, এছ, এল, ক্লাবৰ উদ্যোগত প্ৰকাশিত **'সাহিত্য আৰু সমালোচনা'** নামৰ গ্ৰন্থখনৰ সম্পাদনা কাৰ্যই অনুষ্ঠানটোৰ লগত থকা তেখেতৰ আত্মিক সংযোগৰ কথাকে সূচাইছে। ১৯৫৯ চনত অনুষ্ঠিত অসম সাহিত্য সভাৰ দ্বিতীয় নগাঁও অধিৱেশনত অভ্যৰ্থনা সমিতিৰ প্ৰধান সম্পাদক গোস্বামীৰ ভূমিকাৰ সাক্ষ্য কেৱল অধিৱেশনৰ সফল সমাপ্তিতে বৈ যোৱা নাই; বৈ গৈছে সেই উপলক্ষে তেখেতৰ দ্বাৰা সু-সম্পাদিত স্মৃতিগ্ৰন্থ 'নিবন্ধমালা'তো। ষাঠিৰ দশকত নগাঁও সাহিত্য সভাৰ সভাপতি হিচাপে গোস্বামীয়ে কেৱল নগৰখনতেই নহয়, জিলাখনৰ বিভিন্ন ঠাইত সাহিত্যিক পৰিবেশ একোটা সৃষ্টি হোৱাত ইন্ধন যোগাইছিল। এসময়ত অসম সাহিত্য সভাৰ বাৰ্ষিক অধিৱেশনসমূহত পাগুৰি পৰিহিত সুঠাম চেহেৰাৰ মহেশচন্দ্ৰ দেৱগোস্বামীৰ উপস্থিতি, প্ৰতিনিধি শিবিৰত তেখেতৰ হাস্য-ব্যংগৰ খলকনি আৰু বিষয়-বাছনি সভাত তেখেতৰ ৰচনাত্মক ভূমিকা অধিৱেশনৰ এক বিশেষ অংগ যেনেই হৈ পৰিছিল। অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য আৰু উপ-সভাপতিৰ পদত অধিষ্ঠিত থাকি তেখেতে অনুষ্ঠানটোৰ প্ৰতি নিজৰ সেৱা আগবঢ়াইছিল। ১৯৬৮ চনত অসম সাহিত্য সভাৰ দ্বাৰা উদ্‌যাপিত লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম শতবাৰ্ষিকী উৎসৱৰ স্মৃতিগ্ৰন্থ 'বেজবৰুৱাৰ প্ৰতিভা'ৰো সম্পাদক আছিল মহেশচন্দ্ৰ দেৱগোস্বামী। সেই উৎসৱৰ পালনাৰ্থে অসম সাহিত্য সভাই নগাঁৱত গঠন কৰা কেন্দ্ৰীয় উৎসৱৰ সমিতিৰ কাৰ্যকৰী সভাপতি আছিল মহেশচন্দ্ৰ দেৱগোস্বামীয়েই। বিশ্ববিশ্ৰুত দাৰ্শনিক ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ বিখ্যাত গ্ৰন্থ **'এন আইডিয়েলিষ্ট ভিউ অফ লাইফ্'**ৰ গোস্বামীকৃত অসমীয়া অনুবাদ ('জীৱনৰ আদৰ্শবাদ') ভাৰতীয় ভাষাসমূহৰ ভিতৰতে প্ৰথম। এই অনুবাদ কাৰ্য যেনেকৈ একালৰ শিক্ষাগুৰুজনৰ প্ৰতি থকা গোস্বামীৰ শ্ৰদ্ধাৰ্ঘৰ ৰূপ, আনহাতে তেনেকৈ অসমৰ ভাষা-সাহিত্য সম্পৰ্কিত অনুষ্ঠান এটাৰ (অসম প্ৰকাশন পৰিষদ) লগত থকা তেখেতৰ সংযোগৰো পৰিচয়। সাংবাদিক ৰূপতো গোস্বামী কেৱল 'বিহলঙনি'ৰ প্ৰকাশন সম্পাদনাতে ব্যস্ত নাথাকি অসম আৰু অসমৰ বাহিৰৰ কেইবাটাও সংবাদ প্ৰতিষ্ঠানৰ লগত জড়িত হৈ আছিল।

সত্তৰৰ দশকটোৰ আগভাগলৈকে নগাঁও নগৰত এনে কোনো অনুষ্ঠান নাছিল যিটোৰ লগত মহেশ চন্দ্ৰ দেৱগোস্বামীৰ সম্পৰ্ক নঘটিছিল। নগৰখনত এনে কোনো সভা-সমিতি অনুষ্ঠিত নহৈছিল— য'ত মহেশচন্দ্ৰ দেৱগোস্বামীয়ে উপস্থিত থাকি নিজৰ বক্তব্য দাঙি নধৰিছিল। কিন্তু যোৱা প্ৰায় এটা দশকৰ ওপৰ কালছোৱাত নগাঁও নগৰত অসংখ্য অনুষ্ঠান-প্ৰতিষ্ঠান গঢ় লৈ উঠিল, অগণন সভা-সমিতি অনুষ্ঠিত হৈ গ'ল; পিচে সেইবোৰৰ ক'তোৱেই মহেশচন্দ্ৰ দেৱগোস্বামীৰ বলিষ্ঠ কণ্ঠৰ বক্তৃতা যে শুনিবলৈ পোৱা নগ'লেই নে ক'ববাত তেখেতৰ উপস্থিতিও নগৰখনৰ, জিলাখনৰ ৰাইজৰ বাবে এক কঠিন প্ৰত্যাশা হৈ পৰিল। সদায়েই সময়ৰ আগ টিকনিত খামুচি থকা মহেশচন্দ্ৰ দেৱগোস্বামীৰ খোজৰ গতি, কামৰ গতি, কথাৰ গতি অভাৱনীয়ভাৱে মন্থৰ হৈ পৰিল সত্তৰৰ দশকটোৰ পিছভাগৰে পৰা। একপ্ৰকাৰৰ কঠিন স্নায়বিক ৰোগত ('পাৰ্কিনছন্‌ছ ডিজিজ') আক্ৰান্ত হৈ গোস্বামী ঘৰৰ ভিতৰতে আবদ্ধ হৈ থাকিল কেইবাবছৰো। বিভিন্ন বিশেষজ্ঞৰ দ্বাৰা চিকিৎসা কৰোৱা হ'ল ৰোগ নিৰাময়ৰ বাবে। চিকিৎসাৰ বাবে তেখেত ইংলণ্ডতো থাকিলেগৈ কেইবামাহো। পিছে, ৰোগৰ উপশম নঘটিল। প্ৰখ্যাত বঙালী বুদ্ধিজীৱী, দৰ্শনৰ বিদগ্ধ ছাত্ৰ, যশস্বী আধুনিক লেখক আবু সয়ীদ আইয়ুবো আক্ৰান্ত হৈছিল এই একেটা ৰোগতে। আইয়ুবৰ চিকিৎসকৰ মতে 'অতি সুন্দৰ' এই ৰোগটোত হেনো জীৱনৰ শেষমুহূৰ্তলৈকে ৰোগীজনে নিজৰ মন আৰু মগজুক সজীৱ আৰু সক্ৰিয় কৰি ৰাখিব পাৰে (আইয়ুবৰ 'পথেৰ শেষ কোথায়' গ্ৰন্থৰ ভূমিকা দ্ৰষ্টব্য)। মহেশ চন্দ্ৰ দেৱগোস্বামীও আছিল জীৱনৰ শেষ দিনটোলৈকে মানসিকভাৱে সুস্থ আৰু সবল হৈ। ১৯৮৯ চনৰ ৩০ মে' তাৰিখে তেখেতৰ জীৱনাৱসান ঘটাৰ মাত্ৰ ৫ দিন পূৰ্বে এই লেখকক মতাই নি 'বৈষ্ণৱ ধৰ্মসাৰ' নামৰ তেখেতৰ গ্ৰন্থ এখনৰ নিজে প্ৰস্তুত কৰি থোৱা পাণ্ডুলিপিটো ছপাশাললৈ পঠোৱাৰ কথা আলোচনা কৰিছিল, পাণ্ডুলিপিটোৰ প্ৰতিলিপি এটা পুনৰ প্ৰস্তুত কৰিবলৈ দিহা-পৰামৰ্শ দিছিল। 'বৈষ্ণৱ ধৰ্মসাৰ' নামৰ গ্ৰন্থখন নিশ্চয় এদিন প্ৰকাশ পাব বুলি আশা কৰিছোঁ; কিন্তু গ্ৰন্থখন হাতত লৈ গ্ৰন্থকাৰজনে সন্তোষৰ হাঁহি এটা মাৰিব বুলি এতিয়া আৰু কোনেও আশা নকৰে।

মহেশচন্দ্ৰ দেৱগোস্বামীৰ বিদেহী আত্মাই চিৰশান্তি লাভ কৰক।

---

নগাঁও ছোৱালী কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ মহেশচন্দ্ৰ দেৱগোস্বামীৰ বিয়োগত ড° যোগেন্দ্ৰ নাৰায়ণ ভূঞাই স্মৃতিচাৰণ কৰি লেখা এই প্ৰবন্ধটো প্ৰকাশ হৈছিল 'অধিনায়ক' আলোচনীৰ ষষ্ঠ সংখ্যাত (জুলাই, ১৯৮৯)। পিছত 'মহেশচন্দ্ৰ দেৱগোস্বামী ঃ জীৱন আৰু কৃতি' গ্ৰন্থত এই প্ৰবন্ধটো সন্নিৱিষ্ট হয়। সোণালী জয়ন্তীৰ প্ৰাক্‌মুহূৰ্তত এই প্ৰবন্ধটো নগাঁও ছোৱালী কলেজ আলোচনীত পুনঃমুদ্ৰিত কৰি প্ৰতিষ্ঠাপক অধ্যক্ষ মহেশচন্দ্ৰ দেৱগোস্বামী আৰু পণ্ডিত যোগেন্দ্ৰ নাৰায়ণ ভূঞা দুয়োলৈকে আমি সশ্ৰদ্ধ প্ৰণিপাত যাচিছোঁ।

# মামণি ৰয়ছম গোস্বামীৰ 'মামৰে ধৰা তৰোৱাল'ত সাই নদীৰ ভূমিকা

ড° মঞ্জু লস্কৰ, *মুৰব্বী অধ্যাপিকা*, অসমীয়া বিভাগ

অসমীয়া উপন্যাসত নদীৰ ভূমিকা মন কৰিবলগীয়া। নদীক কেন্দ্ৰ কৰি ৰচনা কৰা (নদীকেন্দ্ৰিক) উপন্যাসবোৰৰ উপৰিও নদীক পটভূমি হিচাপে লৈও অনেক উপন্যাস ৰচনা কৰা হৈছে। ভাৰতবৰ্ষ নদীকেন্দ্ৰিক দেশ। যিহেতু নদীক বাদ দিলে ইয়াৰ জনজীৱন স্থবিৰ, সেয়েহে নদীয়ে সুৰুঙা পালেই উপন্যাসৰ কাহিনীত দেখা দিয়াটো স্বাভাৱিক। 'মামৰে ধৰা তৰোৱাল'ৰ কাহিনীভাগত সাই নদীক পটভূমি হিচাপে গ্ৰহণ কৰা হৈছে। উপন্যাসখনত বিশেষভাৱে ঠাই পোৱা সাই নদীৰ বিষয়ে এই আলোচনাত আলোকপাত কৰাৰ প্ৰয়াস কৰা হ'ব।

উপন্যাসখনৰ আৰম্ভণিৰ পৰা সমাপ্তিলৈকে গোটেই কাহিনীভাগত কেতিয়াবা প্ৰত্যক্ষভাৱে, কেতিয়াবা ছেগা-চোৰোকাকৈ সাই নদীখনে ভূমুকি মাৰিছে। নদীখনক কেন্দ্ৰ কৰি কাহিনীভাগ গঢ় লোৱা নাই যদিও নদীখনত বান্ধিব খোজা একুৱাডাক্টৰ আলমত উপন্যাসৰ কাহিনীভাগ যে গঢ় লৈ উঠিছে সেই বিষয়ে উপন্যাসৰ আৰম্ভণিতে স্পষ্টভাৱে উল্লেখ কৰিছে ৰয়ছমে এনেদৰে—

*"ৰায়বেৰেলী জিলাৰ সাই নদীৰ ওপৰৰ একুৱেডাক্ট (aqueduct) বন্ধাৰ সময়ত কিছুদিন 'ৱাৰ্ক ছাইট'ত থকাৰ সুযোগ পাইছিলো। শ্ৰমিকসকলক ওচৰৰ পৰা নিৰীক্ষণ কৰাৰ সৌভাগ্য ঘটিছিল। সেই সময়ত শ্ৰমিকসকলৰ এটি ধৰ্মঘট ঘটিছিল। এই ধৰ্মঘটটিক কেন্দ্ৰ কৰিয়েই এই উপন্যাসখন ৰচনা কৰা হৈছে। দুই এটি চৰিত্ৰতহে মাথো কিছু ৰহণ সনা হৈছে। শ্ৰমিক নেতাসকলৰ মাজত একতা, দূৰদৃষ্টি আৰু ত্যাগৰ অভাৱে ধৰ্মঘটটোক কেনেধৰণৰ ৰূপ দিলে তাক বহলাই আলোচনা কৰা হৈছে। নেতাসকলৰ দুৰ্বলতাৰ সুযোগ পূৰা উদ্যমেৰে গ্ৰহণ কৰা লোকেল লীডাৰৰ হাতত ছাৰখাৰ হোৱা এই ধৰ্মঘট আৰু ইয়াত বলি হোৱা শ্ৰমিকসকলৰ কাহিনী এই উপন্যাসত ৰূপায়িত কৰা হৈছে।"[1]

যদিও একুৱেডাক্টৰ ছাটাই হ'বলগীয়া শ্ৰমিকে কৰা আন্দোলনটো আৰু ইয়াৰ বিফলতাত প্ৰকাশ পোৱা নিদাৰুণ ছবিখন স্পষ্টভাৱে পৰিস্ফুট কৰাহে উপন্যাসিকাৰ উদ্দেশ্য আছিল, সেই উদ্দেশ্যৰ আনুষঙ্গিক দিশবোৰো পৰ্যাপ্তভাৱে ৰূপায়িত হৈছে। সাই নদীও সেই আওতাতে পৰে। বহুসময়ত সাই নদীখন হৈ পৰিছে চৰিত্ৰৰ ভাবনা প্ৰকাশৰ মাধ্যম। কেতিয়াবা প্ৰতীকৰ ৰূপ লৈছে, কেতিয়াবা নিসংগতাৰ সংগী হৈছে; হৈছে যৌৱনৰ লগৰী, শোকৰ সান্ত্বনা, দৰিদ্ৰৰ ক্ষুধা নিবাৰণৰ মাধ্যম, লোক-সংস্কৃতিৰ আধাৰ, লোকবিশ্বাসৰ অভিব্যক্তি, নিশাৰ সহচৰ ইত্যাদি। আলোচনাটিত সেই দিশবোৰ দৃষ্টিগোচৰ কৰা হ'ব।

উপন্যাসৰ আৰম্ভণি হৈছে সাই নদীক কেন্দ্ৰ কৰি। ১৯৭৮ চনৰ আহিন মাহৰ এটা বিশেষ দিনত। যশোৱন্তৰ দৃষ্টিত নদীখনে ৰূপ পাইছে এনেদৰে—

*"... ইউনিয়নৰ নতুন লীডাৰ যশোৱন্তই চাটাৰিং প্লেটৰ দম এটিৰ ওপৰত বহি আছিল। তাৰ সন্মুখত সৌৱা সাই নদী। এইখিনিতে এই নদীৰ দুয়োটা পাৰৰ বৰ বেছি শোভা নাই। নৈৰ গৰাই শুকান মাংসৰ বৰণ লৈছে।"[2] (উক্ত গ্ৰন্থ, পৃঃ ১)

ওপৰে ওপৰে চালে উল্লেখিত কিয়দাংশৰ অৰ্থ তেনেই সাধাৰণ। কিন্তু শুকান মাংসৰ বৰণ লোৱা নৈখনৰ গৰাই অনাগত দিনবোৰত দৈন্য আৰু দুৰ্ভিক্ষত শ্ৰমিকসকলৰ শৰীৰ-মন যে শুকান হৈ পৰিব তাৰেই যেন ইংগিত বহন কৰিছে।

'সাই নদীৰ ব্ৰাঞ্চ'— সাই নদীখনৰ নামেৰে নামাংকিত সাই নদীৰ ব্ৰাঞ্চ (সাই একুৱাডাক্ট) ডানকান কোম্পানীৰ চাৰি হাজাৰ শ্ৰমিকৰ ৰোজগাৰৰ সাধন।

১। মামণি ৰয়ছম গোস্বামী, 'মামৰে ধৰা তৰোৱাল', লয়াৰ্ছ বুক ষ্টল, ১৯৯৭, পৃঃ ১ (বিঃ দ্ৰঃ— প্ৰবন্ধটোত উক্ত গ্ৰন্থখনৰ পৰা উদ্ধৃতিবোৰ দিয়া হ'ব।)



উল্লেখযোগ্য, এই ব্ৰাঞ্চত হৰিজন সম্প্ৰদায়ৰ অনেক শ্ৰমিকে কাম কৰে। সাই নদীৰ ব্ৰাঞ্চ একমাত্ৰ ৰোজগাৰৰ আহিলা হৈয়েই থকা নাই, অস্পৃশ্যসকলৰ ভৱিষ্যত জীৱনৰ অকথিত কাহিনীও তাত নিহিত হৈ আছে। নিৰাশাৰ মাজতো আশাৰ সপোন দেখিছে লীডাৰে—

*"এয়া সাই নদীৰ ব্ৰাঞ্চ। এই ব্ৰাঞ্চত কোনো আৰু অস্পৃশ্য হৈ নাথাকে। পোহৰ আহিছে.. পোহৰ।"[3] (উক্ত গ্ৰন্থ, পৃঃ ৭)

সাই নদীৰ ব্ৰাঞ্চত কাম কৰা অস্পৃশ্য অৰ্থাৎ, হৰিজন সম্প্ৰদায়ৰ শ্ৰমিকৰ জীৱনলৈ পোহৰ অহা কথাটোৰে আশাবাদৰ ইংগিত বহন কৰিছে। নদী হ'ল আশাৰ প্ৰতীক। অদূৰ ভৱিষ্যতত সাই ব্ৰাঞ্চত কাম কৰা শ্ৰমিকৰ জীৱনশৈলীলৈ পৰিৱৰ্তন আহিব, অস্পৃশ্যতাৰ কলংক দূৰ হ'ব আৰু মানুহ হিচাপে নিজৰ স্থিতিত সন্মানজনক জীৱন-যাপন কৰিবলৈ সক্ষম হ'ব। সাই নদীৰ নামটোৰ সৈতে সংপৃক্ত ব্ৰাঞ্চৰ নামটোৰ দ্বাৰা এনে ব্যঞ্জনা উপলব্ধ হয়।

প্ৰতীকাত্মক অৰ্থত উপন্যাসখনৰ কেইবাঠাইতো সাই নদীখনক উপন্যাসিকাই কৌশলেৰে অৰ্থঘন ৰূপত প্ৰয়োগ কৰিছে। তেনে এটি উদাহৰণ হ'ল— *".... সাই নদী এতিয়া মৰাশৰ ওপৰত দিয়া কাপোৰৰ দৰে নিশ্চল হৈ পৰি আছে।"[4] (উক্ত গ্ৰন্থ, পৃঃ ১৪০ )

পোনপটীয়া অৰ্থত চাবলৈ গ'লে এয়া নদীৰ বাহ্যিক ৰূপ। কিন্তু গভীৰভাৱে চালে নদীৰ এই ৰূপটোৰ আঁৰত আছে শ্ৰমিকসকলৰ মৃতপ্ৰায় নিশ্চল জীৱনৰ প্ৰতিচ্ছবিহে।

সাই নদীৰ লোক-সংস্কৃতিৰ লগতো ওতঃপ্ৰোত সম্পৰ্ক। শম্ভু-পাছোৱানকে ধৰি ল'ৰা-বুঢ়া-তিৰোতালৈকে হৰিজনসকলে শ্ৰদ্ধাৰে দন্তেশ্বৰীক পূজা কৰিছে আৰু পূজাৰ অন্তত পূজাৰ সকলো সা-সামগ্ৰী লোকবিশ্বাস অনুসৰি সাই নদীত উটুৱাইছে—

*"এটা সময়ত দন্তেশ্বৰীৰ পূজাৰ বেলপাত ফুল ইত্যাদি পাচি এটাত ভৰাই শম্ভু-পাছোৱানে সাই নদীত উটুৱাই দিবলৈ আগবাঢ়ি গ'ল।"[5] (উক্ত গ্ৰন্থ, পৃঃ ৮)

*"সৌৱা আৰু এটা দল নদীৰ বালিত থিয় হৈ আছে। দন্তেশ্বৰীক শেষ প্ৰণাম জনাব সিহঁতে।"[6] (উক্ত গ্ৰন্থ, পৃঃ ১০)

সাই নদীৰ লগত সামাজিক ৰীতি-নীতিও জড়িত। হৰিজন বস্তিৰ লিচু লেঙেৰাৰ পত্নীৰ বসন্ত ৰোগত মৃত্যু হৈছে। তাইৰ মৰাশটো সৎকাৰ কৰাৰ সলনি 'পাচি' শাখাৰ নিয়ম মতে সাই নদীত উটুৱাই দিছে। ঔপন্যাসিকাই লোক-বিশ্বাসৰ স্বৰূপ প্ৰদৰ্শনতে ক্ষান্ত হৈ থকা নাই, সাই নদীত উটি অহা লিচু-লেঙেৰাৰ পত্নীৰ মৰাশটোৰে কেনেকৈ শগুণৰ ক্ষুধা নিবাৰণ কৰিছে তাৰ ভয়ংকৰ দৃশ্যৰ বৰ্ণনাৰ পূৰ্ণ সুযোগ তেওঁ উপন্যাসখনত লৈছে—

*"সাই নদীৰ পশ্চিম দিশেৰে অহা শগুণৰ জাক এটিয়ে এইবাৰ হৰিজনহঁতৰ বেৰেকৰ ওচৰলৈ আহি চিঁ-চিয়াব ধৰিলে। এইজাক শগুণে অলপতে এটি নৰদেহ ভক্ষণ কৰি আহিছিল। এই দেহটি আছিল 'পাচি' শাখাৰ বসন্তত মৰা শিবু লেঙেৰাৰ পত্নীৰ। 'পাচি' নিয়ম অনুসৰি মহামাৰীত মৰা এই তিৰোতাজনীক মেনেজমেন্টৰ বাধা নেমানি প্ৰাচীন ৰীতিৰে সাই নদীত উটুৱাই দিছিল। কিন্তু নদীৰ কিছুমান ডাঙৰ বন্দাৰত ঠেকা খাই মৰাশ কোম্পানীৰ গেৰেজ এটাৰ ওচৰত আহি বজি ৰৈছিল। ইতিমধ্যে শগুণৰ ভোজ আৰম্ভ হৈছিল। নৈৰ গৰাহত মাছ সেপিয়াই ফুৰা জামাদাৰৰ ল'ৰাৰ জাকটো এটা সময়ত আহি সেই ঠাইত উপস্থিত হৈছিল।

কোনোবা এটাই জগন্নাথক কৈছিল— 'চা-সৌটো তোৰ মাৰৰ দেহ!!'

কিছু সময় জঠৰ হৈ সি সেই ভয়ংকৰ দৃশ্য চাইছিল। তাৰ পাছত চিঞৰ মাৰি সি দূৰলৈ লৰি গৈছিল।"[7] (উক্ত গ্ৰন্থ, পৃঃ ৩৫)

পৰম্পৰাগত লোক-বিশ্বাস তথা ধৰ্মবিশ্বাসৰ পৰা সাই নদীখন বাদ পৰা নাই। পুৰুহিতে হাতত জবাফুলৰ মালা লৈ সাই নদীক গংগা বুলি মান্যতা প্ৰদান কৰি মন্ত্ৰপাঠ কৰিছে।

*"হে মা, মই অনাথ আৰু তুমি স্নেহময়ী। মই ৰোগগ্ৰস্ত তুমি সমস্ত ৰোগৰ ঔষধি স্বৰূপ। মই তৃষ্ণাৰ্ত। সন্তপ্ত হৃদয়। হে মহানদী, তুমি যি উচিত বুলি ভাবা তাকেই কৰা...।

— হে মা! মই নিজৰ যোগক্ষেমৰ সমস্ত চিন্তা তোমাক সপি দিছো। গতিকে সৰ্বস্ব সমৰ্পণ কৰা মোৰ দৰে দীনক যদি এনে কঠিন সময়ত তুমি এৰি দিয়া এই ত্ৰিভুৱনৰ পৰা তোমাৰ প্ৰতি মানুহৰ বিশ্বাস নোহোৱা হৈ যাব। তোমাৰ নিস্বাৰ্থ কৰুণাও নিৰাধাৰ অৰ্থাৎ নিৰৰ্থক হৈ পৰিব।"[8] (উক্ত গ্ৰন্থ, পৃঃ ১২৩)

পৃথিৱীৰ সকলো নদীকে গংগানদী বুলি সাই নদীক প্ৰাৰ্থনা জনোৱা মুন্সীগঞ্জৰ বৃদ্ধ বামুণৰ মন্ত্ৰধ্বনি আৰু জবাফুলৰ মালা সাই নদীৰ বুকুত অৰ্পণ কৰা কাৰ্যই নদীকেন্দ্ৰিক ধৰ্মবিশ্বাসৰ পৰিচয় ঔপন্যাসখনত প্ৰদান কৰিছে।

উল্লেখযোগ্য যে সাই নদীৰ বালিত এজাক শগুণে বাহ লৈছে। ধৰ্মঘটৰ সময়ছোৱাত এই শগুণজাক

নদীখনৰ দুয়োপাৰে বাঢ়িবলৈ ধৰিছে। লেখিকাই সাই নদী আৰু পাৰৰ বালিত খোপনি পোতা শগুণজাকৰ বিষয়ে বহুবাৰ বিভিন্ন প্ৰসংগত অৱতাৰণা কৰিছে। নদীখনৰ সৈতে শগুণজাকৰ সম্বন্ধই উপন্যাসখনলৈ অন্য এক আবেদন কঢ়িয়াই আনিছে। দৃষ্টান্তস্বৰূপে তুলি দিয়া হ'ল—

*"মূৰ তুলি চাই নাৰায়ণীয়ে দেখিলে সাইৰ বালিত কিচিৰ-মিচিৰ কৰি থকা শগুণ জাকৰ দুই-এটা ঠিক দুয়োৰে মূৰৰ ওপৰত উৰিব ধৰিছে।

বুঢ়ীয়ে ক'লে— কিয় উৰিছে এইবোৰ?— খাই এবা তৰমুজবোৰক মৰাশ বুলি ভাবিছে নেকি?"[৯] (উক্ত গ্ৰন্থ, পৃঃ ৮৭)

*"আমি ভোকেৰে থাকি ধৰ্মঘট কৰিম। তহঁতে কিন্তু একো কৰিব নোৱাৰিলে আমি সাইৰ বালিত তহঁতক 'দফনা' দিম।

... সাইৰ বালিৰে সিহঁতে আগবাঢ়িব ধৰিলে। দৃষ্টিও অহৰহ সাইৰ এই ৰুক্ষ খহটা বালিত পৰি ৰ'ল। মূৰৰ ওপৰৰ আকাশলৈ চোৱাও যেন এতিয়া ভয়ৰ কথা।

... এজনে সাইৰ বালিত খোপনি পুতি ৰোৱা শগুণ জাকলৈ এটি ফম্মূৰ্টি মাৰি পঠিয়ালে।"[১০] (উক্ত গ্ৰন্থ, পৃঃ ১০৯)

*"... মূৰ তুলি চাই সিহঁতে দেখা পালে সাইৰ বালিত খোপনি পুতি বহি থকা শগুণবোৰে গছ সলাইছে। ... সিহঁতে নদীৰ পাৰৰ গছ এজোপাত বহিছেহি"[১১] (উক্ত গ্ৰন্থ, পৃঃ ১৪৭)

সাইৰ বালিত ইউনিয়নৰ সভা বহিছিল। (পৃঃ ৩৬, ৪৫)। পৰিহাসৰ কথা সভাকক্ষত লীডাৰৰ ভাষণৰ বিৰাম সময়খিনিত নদীখনৰ সন্ সন্ শব্দই যেন পৰিৱেশটো গধুৰ কৰি তুলিছিল। উপন্যাসিকাৰ ভাষাত—

*"আকৌ এবাৰ চৌদিশ নীৰৱ হৈ পৰিল। সাই নদীৰ সেই মৃদু সন্ সন্ ধ্বনিত দূৰৈত জুম পাতি থকা শগুণজাকৰ পাখিৰ ধপ্ ধপ্ ধ্বনিও এই মুহূৰ্তত ক্ষীণ হৈ আহিছিল।"[১২] (উক্ত গ্ৰন্থ, পৃঃ ৩৭)

ধৰ্মঘটৰ সময়ছোৱাত সাই নদীৰ দুয়োপাৰত ভিন্নজনৰ ভিন্ন অভিব্যক্তি প্ৰকাশ পাইছে। বিশেষকৈ ধৰ্মঘটৰ ফলস্বৰূপে মাৰাত্মক প্ৰতিক্ৰিয়া ঘটিছে ছুইপাৰ বস্তিৰ ল'ৰা-ছোৱালীবোৰৰ মাজত। ক্ষুধাই সিহঁতক পশুতুল্য কৰি পেলাইছে। তাৰ চাক্ষুস নিদৰ্শন সাই নদীৰ পাৰত প্ৰদৰ্শিত হৈছে। যশোৱন্তৰ দৃষ্টিৰে ছাই নদীৰ পাৰত ঘটি থকা এখন জীৱন্ত ছবি উদ্ভাসিত হৈছে ৰয়ছমৰ লিখনিত এনেদৰে—

*"কিছুদূৰ গৈ যশোৱন্তই আৰু এটা মাৰাত্মক দৃশ্য দেখা পালে। মুন্সীগঞ্জৰ কছাইৰ দোকানৰ পৰা ছাগলীৰ ভুৰু, ছাল কিছুমান আনি ছুইপাৰৰ ল'ৰা-ছোৱালী এজাকে সাইৰ বুকুত দবৰা-দবৰি লগাই দিছে।

যোৱা কিছুদিন ধৰি সাইৰ বুকুত বাহ লোৱা শগুণজাক আৰু সিহঁতৰ মাজত এই মুহূৰ্তত আৰু যেন কোনো পাৰ্থক্য নাই।

পেটৰ ক্ষুধাৰ এক মাৰাত্মক ৰূপ এতিয়া সাইৰ বালিৰ অ'ত-ত'ত একেবাৰেই উলংগ হৈ পৰিছে।"[১৩](উক্ত গ্ৰন্থ, পৃঃ ৬৬)

অকল ইমানেই নহয় ৰয়ছমে যশোৱন্তৰ দৃষ্টিৰে সাই নদীৰ পাৰত ঘটি থকা অন্য এক দৃশ্যৰ লগতো পাঠকক দৃষ্টিগোচৰ কৰাইছে—

*"... যশোৱন্তৰ চকুত পৰিল লিচু লেঙেৰাৰ পুতেকে সাই নদীৰ গৰাৰ ওচৰত তুৰী মাছ বিচাৰি আছে... সকলোৰে দৈনিক হাজিৰা বন্ধ হৈ গৈছে। এই ব্ৰাস্তত ইউনিয়নৰ হাতত যি ফাণ্ড আছিল, সেয়াও লাহে লাহে শেষ হৈ আহিছে। এছেনচিয়েল ছাৰ্ভিচত নথকা ছুইপাৰহঁতক সাইৰ বালি আৰু মুন্সীগঞ্জত পিয়াপি দি ফুৰা দেখা গৈছে।"[১৪] (উক্ত গ্ৰন্থ, পৃঃ ৬৫)

আশ্চৰ্যজনকভাৱে ক্ষুধাই সকলোকে গ্ৰাস কৰি আনিছে। কৰ্মহীনতা, উপাৰ্জনহীনতাৰ স্বৰূপ প্ৰকট হৈছে আৰু প্ৰায় সকলোৰে নদীৰ মাছৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছে। লিচু লেঙেৰা আৰু পুতেক জগন্নাথৰ ক্ষুধা নিবাৰণত সাই নদীয়ে কেনে ভূমিকা পালন কৰিছে চোৱা যাওক—

*"লিচু লেঙেৰাই যশোৱন্তক হাত বাউল দি মাতিলে। দলৰ পৰা ফালৰি কাটি গৈ লিচু লেঙেৰাৰ ওচৰত থিয় হ'ল। যশোৱন্তই দেখিলে লেঙেৰাই তুঁহ জুইৰ দৰে জুই একুৰা ধৰি নদীৰ মাছৰ বাবে আশা কৰি বোন্দাপৰ দি বহি আছে। জগন্নাথে একমনে একঁকাল পানীত নামি মাছ খেপিয়াই আছে। লেঙেৰাই তাৰ কাণৰ ওচৰলৈ আহি ফুচফুচাই ক'লে—

*"ভয়ংকৰ দিন আহিব। তহঁতক জীয়াই জীয়াই সাই নদীৰ বালিত দফনা দিব— মীমাংসালৈ আহ... আজি মুন্সীগঞ্জত ধাৰ কৰি ঘেহুঁ আনিবলৈ যাওঁতে সিহঁতে টঙনিয়াই দুটা ছুইপাৰৰ পিঠি ফালি দিলে... সিহঁতে আৰু সহায় নকৰে। কাৰণ এই ধৰ্মঘট হেনো আইনসম্মত নহয়।

হঠাৎ জগন্নাথৰ আৰ্তনাদ শুনা গ'ল।

— চা এইডাল কি পালো চা?

গাতৰ পৰা সি উলিয়াই আনিলে এটা দীঘল বামী জাতীয় মাছ।

বছা নাইবা পৰিষ্কাৰ কৰাৰ আৰু প্ৰয়োজন নহ'ল। জীয়াই জীয়াই মাছটো জুইত সুমুৱাই দি লিচু লেঙেৰাই জুই ফুৱাব ধৰিলে।

যোৱা দুদিন ধৰি বাপেক-পুতেকৰ পেটত খুদ এটাও পৰা নাই।"[১৫] (উক্ত গ্ৰন্থ, পৃঃ ৬৫)

ঔপন্যাসিকাই নাৰায়ণীৰ চৰিত্ৰৰ মাজেদিয়ো সাই নদীৰ পাৰৰ নিকৰুণ দৃশ্য এটাৰ বাস্তৱধৰ্মী ছবি এখন অংকন কৰিছে। ধৰ্মঘট আৰম্ভ হোৱাৰ পাছত 'ছাইট'ত কাম নোহোৱাত কোলাত কেঁচুৱা লৈ নাৰায়ণীয়েও সাই নদীৰ পাৰত ঘূৰুটিয়াই ফুৰিছে। ৰয়ছমে সাই নদীৰ পাৰত ঘূৰি ফুৰা ভোকাতুৰ নাৰায়ণীৰ এখনি করুণ ছবি অংকন কৰিছে—

*"উন্মুক্ত চুলি। মলিয়ন শাৰী, কোলাত অস্থি পুঞ্জস্বৰূপ এই শিশুটি লৈ যেতিয়া তাই সাই নদীৰ পাৰে পাৰে ফুৰে, খালাচী লংগৰত খাই-বৈ নোদোকা হোৱা কুকুৰ জাকে ভুকিব ধৰে।"[১৬] (উক্ত গ্ৰন্থ, পৃঃ ৮২)

ভোক নিবাৰণ কৰিবলৈ হৰিজন বস্তিৰ ল'ৰা-ছোৱালীয়ে সাইৰ গৰাত তুৰী মাছ বিচাৰিছে। ৰামু আৰু বামুৱেও মাছ ধৰাৰ নতুন কৌশল উলিয়াইছে। ধৰ্মঘটৰ আগেয়ে চুৰি কৰি আঁতৰাই থোৱা 'জিলেগনাইত ষ্টিক' বাণ্ডিল কৰি তাৰ ভিতৰত 'ডিটৰনেটৰ' লগাই সাই নদীত সিহঁতে ব্লাষ্টিং কৰিছে। মাছ ধৰাৰ সেই কৌশলে সাই নদীৰ বুকুত সৰ্বনশীয়া কাণ্ডৰ সৃষ্টি কৰিছে। মাছৰ সলনি লিচু লেঙেৰাৰ একমাত্ৰ পুত্ৰ জগন্নাথহে সাই নদীৰ বুকুত পতিত হৈছে। ঔপন্যাসিকাই সাই নদীৰ বুকুত ঘটা আকস্মিক দুৰ্ঘটনাটোক কেন্দ্ৰ কৰি এক করুণ দৃশ্য অংকন কৰিছে এনেদৰে—

*"চাৰিওফালে নিস্তব্ধতা

মাথো হেণ্ডেলৰ চেপা ভয়াবহ আৱাজ। উত্তেজনাময় এটি মুহূৰ্ত!!

হুৰ হুৰ হুৰ! হুৰ .... হুৰুম!! পানীৰ ফোৰাৰা এটাই যেন আমাক স্পৰ্শ কৰিবলৈ ওপৰলৈ উঠি গ'ল।

কিন্তু হঠাৎ এটি প্ৰচণ্ড আৰ্তনাদ শুনি চক খাই উঠিল সিহঁত।

পানীৰ ওচৰলৈ লৰি গ'ল।

পানীৰ পৰা পাৰলৈ ছিটিকি আহিছিল এটি শিশুৰ প্ৰাণহীন দেহ।"[১৭] (উক্ত গ্ৰন্থ, পৃঃ ১০৪)

উপন্যাসখনত সাই নদীৰ নৈসৰ্গিক বৰ্ণনাৰ পৰা ঔপন্যাসিকা সচেতনভাৱে বিৰত আছে। অতিৰিক্ত বৰ্ণনাৰে সাই নদীক ৰোমান্টিক আবেদন সৰ্বস্ব কৰাৰ চেষ্টা তেওঁ কৰা নাই। কিন্তু, চৰিত্ৰৰ মন আৰু কাৰ্যৰ লগত সংগতি ৰাখি সাই নদীক উপস্থাপন কৰাৰ ক্ষেত্ৰতো তেওঁ কাৰ্পণ্য কৰা নাই। সেইবাবে সাই নদীখনক নাৰায়ণীয়ে কেনেদৰে গ্ৰহণ কৰিছে তাৰ টুকুৰা খবৰ নিদিয়াকৈও থকা নাই। কৰ্মব্যস্ত আৰু নিসংগ নাৰায়ণীৰ সম্পৰ্ক সাই নদীখনৰ লগত ক্ৰমশঃ গভীৰ হৈ পৰাৰ আভাস (তাইৰ) বক্তব্যৰ মাজত ঔপন্যাসিকাই এনেদৰে ফুটাই তুলিছে—

*"সাইৰ বালিলৈ আহিবলৈ পালে নাৰায়ণীৰ বৰ আনন্দ হয়। সকলো কথা যেন সহজ হৈ যায়। এই বিশাল নদী, বিস্তীৰ্ণ বালি, মূৰৰ ওপৰৰ সীমাহীন আকাশ— এই সকলোৰে তাই যেন এটি অংগ হৈ পৰে।"[১৮] (উক্ত গ্ৰন্থ, পৃঃ ১১০)

সাই নদীৰ পাৰত নাৰায়ণী আৰু যশোৱন্তই একান্ত নিবিড় মুহূৰ্ত কিছুমানো কটাইছে। যশোৱন্তই তাৰ মনত সংগোপনে নাৰায়ণীৰ উদ্দেশ্যে গোটাই ৰখা প্ৰশ্নৰ উত্তৰ তাইৰপৰা বিচাৰিছে সাই নদীৰ পাৰত। সাইৰ বালিত তেজপুঁজৰ বেঙেজ পুতিবলৈ গাঁত খান্দি থকা নাৰায়ণীৰ হাতৰ পৰা খুৰপিখন লৈ সি প্ৰচণ্ড উন্মাদনাৰে এহাত দ গাঁত এটা খান্দি উলিয়াইছে আৰু কৈছে—

*"— দে কাপোৰবোৰ।'

বৰ নিয়াৰিকৈ মৰাশ পোতাৰ দৰে সি এই দুৰ্গন্ধ বেঙেজবোৰ গাঁতত ঢালি দিলে। এইখিনি সময়তে নাৰায়ণীয়ে গৈ বেডপেনকেইটা নদীত পৰিস্কাৰ কৰি ধুই আনি, তাৰ ওচৰত থিয় দিলে।

যশোৱন্তই প্ৰশ্ন কৰিলে—

'ফাইনেল (বৰ্খাস্ত) হৈ গ'লে কি কৰিবি নাৰায়ণী?'

নাৰায়ণীয়ে উত্তৰ নিদিলে।

সঁচাকৈয়ে ক নাৰায়ণী, সেইদিনা তই নিজ ইচ্ছাৰে সেই পাপ কামত লিপ্ত হৈছিলিনে?"[১৯] (উক্ত গ্ৰন্থ, পৃঃ ১১১)

যশোৱন্তৰ অকৃত্ৰিম প্ৰত্যাশাহীন প্ৰেমৰ নিঃসংকোচ প্ৰকাশ হৈছে সাই নদীৰ পাৰত। আৰু বুজিও নুবুজাৰ ভাও ধৰি থকা নাৰায়ণীয়েও তাৰ ওচৰত আত্মপ্ৰকাশ কৰিছে। ঔপন্যাসিকাই সাই নদীৰ বালিত এই ৰোমান্টিক প্ৰেমিক-প্ৰেমিকাহালক উপস্থাপন কৰিছে। ঔপন্যাসিকাৰ ভাষাত নাৰায়ণীৰ মনৰ কথা সাইৰ বালিত প্ৰকাশ পাইছে এনেদৰে—

*"নাৰায়ণীয়ে বালিৰ বুকুত আঁঠুকাঢ়ি বহিল। এই মানুহটোৰ ওচৰত বহি কিছু কান্দি ল'ব পাৰিলে যেন তাই কিছু সকাহ পাব...।"[২০] (উক্ত গ্ৰন্থ, পৃঃ ১১৩)

কিন্তু নাৰায়ণীয়ে থিতাতে আত্মসংযম কৰিছে আৰু পুনৰ গৈছে—

*"... এখোজ দুখোজকৈ নাৰায়ণীয়ে বেডপেন দুটা হাতত লৈ সাইৰ বালিৰে আগুৱাই গ'ল। তাইৰ পিঠিৰ অবিন্যস্ত মুক্ত চুলি বতাহত উৰিবলৈ ধৰিলে। খোজৰ ভৰত নাচি থকা তাইৰ তপিনা নদীৰ বুকুত নাচি থকা দুখন নাৱৰ দৰে দেখা গ'ল।"[২১] (উক্ত গ্ৰন্থ, পৃঃ ১১৪)

সাই একুৱাডাক্ট নিৰ্মাণৰ কাৰণে

বিভিন্ন প্ৰান্তৰ পৰা বিভিন্নজনে আহি সাইৰ পাৰত বসতি কৰিবলৈ লৈছিল। কোম্পানীৰ স্বাৰ্থ পূৰণ হোৱাৰ লগে লগে এসময়ত একান্ত আৱশ্যকীয় শ্ৰমিকসকলে সাই নদীৰ পাৰৰ বসতি স্থান এৰি পুনৰ অনিশ্চিত জীৱন-যাপন কৰিবলৈ বাধ্য হৈছে। কোম্পানীৰ চক্ৰান্তত ষাঠিজন ছুইপাৰে ফাইনেল লৈ সাই নদীৰ বালিত খোজ পেলাই মানেৰিভেলিলৈ পলাই গৈছে। কিন্তু পৰিহাসৰ কথা এয়ে যে— যি সাইৰ বালিত সিহঁতে উন্মুক্ত হৈ জীৱন-যাপন কৰিছিল সেই সাইৰ বালিয়েই সিহঁতৰ বাবে শ্মশানত পৰিণত হ'ব সেই কথাও কোম্পানীৰ পাৰ্ছনেল অফিচাৰে ক'বলৈ পাহৰা নাই।

*"সাৱধান! সাইৰ বালিৰ পৰা আৰু এখোজ আগনাবাঢ়িবি। জীয়াই জীয়াই সাইৰ বালিত দফনা দিব।"[২২] (উক্ত গ্ৰন্থ, পৃঃ ১৫৪)

শম্ভু পাছোৱানেও কৈছে—
*"সিহঁত নৰখাদক হৈ আছে— দফনা দিব সাইৰ বালিত।"[২৩] (উক্ত গ্ৰন্থ, পৃঃ ১৫৬)

সকলো শ্ৰমিক আঁতৰি গৈছিল কিন্তু যশোৱন্তই সাই নদী এৰিব পৰা নাছিল।

সাই নদীৰ দুয়োপাৰৰ বালিত ভ্ৰমণ কৰি যশোৱন্তই আত্মানুসন্ধান কৰিছিল।

*'সাই নদীৰ বালিত অৰণ্যে অকলেই তাক ঘূৰি ফুৰা দেখা যায়।'[২৪] (উক্ত গ্ৰন্থ, পৃঃ ১৫৯)

যশোৱন্তই সাইৰ বালি এৰিব নোৱৰাৰ আঁৰত আছে নাৰায়ণী। আশাত বন্দী যশোৱন্তই তাৰ অসমাপ্ত কামবোৰ সমাপ্ত কৰিবলৈ হ'লে সি যে সাই নদীৰ সেই বিশেষ ঠাইখিনি এৰিব নোৱাৰিব সেই কথা উপলব্ধি কৰিছে। উতপ্ত বালিৰে খোজকাঢ়ি ঘূৰি ফুৰোঁতে তাৰ স্মৃতিপটত ভাঁহি উঠিছে সাধুসন্তৰ গুৰু গম্ভীৰ কণ্ঠধ্বনি—

*"যোৱা বছৰ এই বালিতে এগৰাকী সাধুৱে সমাজ পাতি বহিছিল। তেওঁ সকলোলৈ চাই চিঞৰি উঠিছিল

— উহ জাগ!... এইদৰে ধোঁৱাই থাকিবিনে? ... ইয়াতকৈ এবাৰ জ্বলি শেষ হৈ যোৱা বেছি মংগলময়।

— মংগল! মংগল!!

ৰুক্ষ উত্তপ্ত বালিৰে সি আগুৱাই গ'ল।"[২৫] (উক্ত গ্ৰন্থ, পৃঃ ১৫৯)

বিফল যুৱনেতা যশোৱন্তৰ মানসপটত সাই নদীৰ বালিত ইতিমধ্যে ঘটি যোৱা অনেক ঘটনা চিনেমাৰ দৃশ্যৰ দৰে অহা-যোৱা কৰিছে। অতীত ৰোমন্থনত সাই নদী সাৰ পাই উঠিছে। সাইৰ বালিত চামিয়ানা পাতি লীডাৰসকলে ফোপোলা ৰাজনীতিৰ ভাষণ দিয়াৰ পৰা আৰম্ভ কৰি সাংবাদিকৰ বৰমেললৈকে অন্তঃসাৰশূন্যতাও উপন্যাসখনত প্ৰকাশ পাইছে। সাইৰ পটভূমিত যশোৱন্তই অনুভৱ কৰিছে—

*'ছিঃ ছিঃ কাৰো প্ৰতিয়েই আৰু বিশ্বাস নাই। ... চব অচিনাকি। ভৰিৰ তলৰ বালি উত্তপ্ত হৈ পৰিছে... এইখিনিতেই বহি মুঙ্গীগঞ্জৰ পণ্ডিত এগৰাকীয়ে ভক্ত কিছুমানক কোৱা যশোৱন্তই শুনিছিল— কথাৰ জালৰ কি প্ৰয়োজন? ওঙ্কাৰৰ প্ৰদীপ লৈ নিজৰ স্থিতি বিচৰা। দেহৰ সূক্ষ্মতাক বুদ্ধি আৰু জ্ঞানেৰে বিচাৰ কৰা। বাহিৰৰ দুৱাৰ বন্ধ কৰা। শ্বাস-প্ৰশ্বাস স্তব্ধ কৰি ইন্দ্ৰিয়ৰ নায়ক মনৰ লেকাম ধৰা। কি প্ৰয়োজন বাক্ জালৰ? তোমাৰ স্থিতিৰ দেৱতাক চোৱা, শাস্ত্ৰৰ জ্ঞানক লোভ কৰি শাস্ত্ৰৰ মাজত ঘূৰ্মুটিয়াই ফুৰাজনেও অন্ধকাৰৰ মাজতহে ঘূৰি ফুৰে।

আহ ভৰিৰ তলৰ এই উত্তপ্ত বালি!!

এখোজ-দুখোজকৈ আগুৱাই গ'ল যশোৱন্ত... দূৰৈত এদল হিংস্ৰ মানুহ আছে। নাই কোনো ভাৱনা নাই।

সিহঁতৰ মনত ইউনিয়নৰ মেম্বাৰহঁত এতিয়া পগলা কুকুৰলৈ ৰূপান্তৰিত হৈছে।

মাৰ সিহঁতক!

পুতি থ সাইৰ বালিত!

পুতি থ! পুতি থ!!

এই বালি— এইখিনিতেই সেই সাধুজনে কণীৰ খোলাত বন্ধ হৈ থকা পাখিৰ গীতটি গাইছিল।

এইখিনিতে এটি অনন্য দলে গাইছিল পৰাজয়ৰ কলংক তিলক আমাৰ কপালৰ বাবে নহয়। আমি অজেয়। মৃত্যুৱে আমাক ক্লিষ্ট নকৰে। এই উৰ্বী পৃথিৱী আমাৰ লীলাভূমি!'[২৬] (উক্ত গ্ৰন্থ, পৃঃ ১৬২)

উল্লেখযোগ্য যে 'মামৰে ধৰা তৰোৱাল'ৰ বিষয় আছিল এটি ব্যক্তিগত নিৰ্মাণ কোম্পানীত কাম কৰা শ্ৰমিকসকলৰ কষ্টকৰ জীৱনৰ বিভিন্ন সমস্যাক লৈ। কোম্পানীত কাম কৰাৰ উদ্দেশ্যে কলাহান্ডি, গুজ্জৰ, উৰিষ্যা, অন্ধ্ৰপ্ৰদেশ আৰু তামিলনাডুৰ ভিন্ন অঞ্চলৰ পৰা অহা শ্ৰমিকসকলে কৰা ধৰ্মঘটক আৱৰ্তিত কৰি ৰচিত হোৱা উপন্যাসখন কিন্তু সাই নদীক কেন্দ্ৰ কৰি, সাইৰ বালিক সাৱটিহে আগবাঢ়ি গৈছে। সাইক বাদ দিলে উপন্যাসৰ কাহিনীভাগ স্থবিৰ হৈ পৰিব। সাই একুৱাডাক্ট নিৰ্মাণৰ বাবে গোট খোৱা ডানকান কোম্পানীৰ চাৰিহাজাৰ শ্ৰমিক, নদীৰ সৈতে নিজে নজনাকৈ একাত্ম হৈ পৰিছে। কিন্তু পৰিহাসৰ কথা এয়ে যে সিহঁতক প্ৰাপ্যৰ পৰা বঞ্চিত কৰি নদীখন পৰিত্যাগ কৰিবলৈ বাধ্য কৰোৱা হৈছে। জীৱিকা-নিৰ্বাহৰ বাবে নতুন কৰ্মৰ সন্ধানত সিহঁতে সাই নদীৰ মোহ



পৰিত্যাগ কৰিবলৈ বাধ্য হৈছে। উদাস্ত শ্ৰমিকৰ জীৱন সাই নদীৰ পানীৰ দৰে গতিশীল আৰু সাইৰ পাৰৰ বালিৰ দৰে সিহঁতৰ জীৱন অনিশ্চিত আৰু অস্থিৰ।

উল্লেখযোগ্য যে ঔপন্যাসিকাই উক্ত ঋণাত্মক দিশবোৰ বুদ্ধিদীপ্তভাৱে উপস্থাপন কৰাৰ লগতে মানুহ আৰু নদীৰ সম্বন্ধক অনন্য এক ৰূপত ফুটাই তুলি আশাবাদৰ পটন্তৰো দি থৈ গৈছে এনেকৈ—

*"সাই একুৱাডাক্টৰ 'ফীডাৰ' চেনেলেৰে আহি একুৱাডাক্টত পৰি ডিচট্ৰিবিউটৰ চেনেলেৰে পানী গৈ বহুত খেতি-পথাৰ জাতিষ্কাৰ কৰি তুলিলে। ... জগদীশপুৰৰ মানুহে ফীডাৰ চেনেলত সাঁতুৰি-নাদুৰি গা ধোৱে।

দুই-এজাক বনৰীয়া হাঁহেও চেনেলৰ পানীত গা-ধুৱলৈ আৰম্ভ কৰি দিছে।"[২৭] (উক্ত গ্ৰন্থ, পৃঃ ১৬২)

সাই নদী বৈ থাকিল। আধুনিক সভ্যতাৰ বিকাশত সাই নদীক লৈ কোম্পানীৰ পৰিকল্পনা সফল হ'ল। একুৱাডাক্ট নিৰ্মাণ কৰিবলৈ অহা অজস্ৰ শ্ৰমিকৰ কষ্টকৰ জীৱন-গাঁথাৰ নীৰৱ সাক্ষী হৈ ৰ'ল একমাত্ৰ সাই নদীখন। উপন্যাসখনত সাই নদীখন কেৱল পটভূমিয়েই নহয়, এটা বিশিষ্ট চৰিত্ৰলৈ পৰিণত হৈছে।

**সহায়ক গ্ৰন্থ ঃ**

* গোস্বামী, মামণি বয়ছম, মামৰে ধৰা তৰোৱাল, লয়াৰ্ছ বুক ষ্টল, ১৯৯৭।

* শৰ্মা, গোবিন্দ প্ৰসাদ, উপন্যাস আৰু উপন্যাস, ষ্টুডেণ্টচ ষ্টৰচ, ১৯৯৫।

"জি সময়ত অসম হাবি গুচি ফুলবাৰী হব, নৈত ডোঙা গুচি জাহাজ হব, ঘৰ বাঁহৰ গুচি শিল ইটাৰ হব, গাঁৱে গাঁৱে হেজাৰ হেজাৰ পৰ্হাসালি হব, গিয়ানৰ সভা, চিকিৎসালয়, দুখীয়া-দৰিদ্ৰ পৰিত্ৰাণৰ আলয় হব, আৰু জি কালত লোকসকলে পৰস্পৰে হিংসাহিংসি নকৰি আটাইক ভাত্ৰিৱত চেনেহ কৰি.... সেই সময়, পৰমপিতা জগদিশ্বৰ, সিদ্ৰে ঘটোৱা।"

— আনন্দৰাম ঢেকিয়াল ফুকন

# গীতৰ কথাংশৰ বিষয়ে কিছু কথা

ড° ব্ৰজেন্দ্ৰনাথ ৰায় চৌধুৰী, *পঞ্জীয়ক, ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, গুৱাহাটী*

আমি বাটে-ঘাটে, ঘৰে-পৰে বিভিন্ন ধৰণৰ গীত শুনিবলৈ পাওঁ। কিন্তু বেছিভাগ গীতৰেই কথা মানুহৰ মনত নাথাকে। বিশেষকৈ আধুনিক গীত বা বিহুগীতৰ প্ৰতি মানুহৰ গুৰুত্ব কমি আহিছে। গীতৰ সুৰবোৰ আছে বাবেই যেন যিকোনো কথা সুমুৱাই দিলেই এটি ধুনীয়া গীত হৈ যাব, এই ধাৰণা কিছু মানুহৰ কিম্বা কিছু যুৱক-যুৱতীৰ ক্ষেত্ৰত পৰিলক্ষিত হয়। এই সৰু লিখনিত বহু কথা ক'ব পৰা নাযাব, সেইবাবে অসমীয়া আধুনিক গীতৰ ক্ষেত্ৰত দেখা দিয়া (গীতৰ কথাৰ বেলিকা), কেতবোৰ দৃষ্টিভংগীৰ বিষয়ে কিছু বক্তব্য ৰাখিব খুজিছোঁ।

আমাৰ মতে, গীত লিখা কামটো বৰ সহজ কাম নহয়। অতি কম সময়ৰ ভিতৰত, অৰ্থাৎ পাঁচমিনিটৰ ভিতৰত মানুহক, শ্ৰোতাক বুজাব লাগিব, মুগ্ধ কৰিব লাগিব। গতিকে গীতৰ কথাখিনি শুৱলা নহ'লে অথবা গীতৰ কথাই কিবা এটা নুবুজালে গীতবোৰ স্থায়ী নহয়। বৰ্তমান সময়ত প্ৰযুক্তিবিদ্যাৰ যুগত ঘৰে ঘৰে গীত (আধুনিক গীত) ৰেকৰ্ডিং কৰিব পৰা ব্যৱস্থা হ'ল, গতিকে গান যেতিয়া গাবই লাগিব, তেতিয়া সকলোৱে গীত লিখিব লগা হ'ল। ভাল কথা। কিন্তু গীতৰ কথাসমূহৰ যি বৈশিষ্ট্য থাকিব লাগে সেইবোৰ নথকাকৈ, কথাৰ কোনো সামঞ্জস্য নোহোৱাকৈ বজাৰত গীতবোৰ প্ৰচাৰৰ বাবে এৰি দিয়া হয়। ফলত শুনিবলৈ মন নহ'লেও কিছুমান গীতৰ কথা আহি কাণত অহৰহ বাজি থাকে, কেতিয়াবা অসহ্যও লাগে। ভাল গীত তাকেই কোৱা হয় যি গীতে মানুহৰ মনত প্ৰৱেশ কৰে অতি সহজে আৰু মানুহৰ স্মৃতিৰ পৰা বিদায় লয় অতি কষ্টৰে। গীতৰ কথাসমূহ মানুহৰ চিন্তা আৰু সুৰৰ যোগফল। যুগে যুগে বহু ধুনীয়া গীতৰ কথাই মানুহক মুগ্ধ কৰি আহিছে। সেইবোৰ সেইবাবেই কালজয়ী গীত। অৱশ্যে সকলোবোৰ যে কালজয়ী গীত হ'বই তেনে আশা কৰাটোও অনুচিত। কেতিয়াবা সাধাৰণ আবেগ বা আনন্দ প্ৰকাশৰ বাবেও গীত ৰচনা কৰা হয়। সেইবোৰ গীতৰ কথাৰ মাজত কিন্তু বক্তব্যৰ সামঞ্জস্য থকাটো বৰ প্ৰয়োজনীয় কথা।

বহুতো নতুন গীতিকাৰ, সুৰকাৰে গীতৰ কথাসমূহৰ বিষয়ে বক্তব্য ৰাখিলে বেয়া পায়। গীতৰ কথাসমূহ সৰুচিপূৰ্ণ অথবা এটা 'মেচেজ' থকা হ'ব লাগে বুলি ক'লে দাং খাই উঠে। গীতৰ কথাখিনি নুবুজাকৈ, ভালকৈ উপলব্ধি নকৰাকৈ বহু লোকে গীতবোৰ শুনে কেৱল সুৰৰ মায়াজালত বন্দী হৈ। কিন্তু সেইবোৰ গীতে হৃদয়ত ঠাই নাপায়। গীতৰ এনে কথাসমূহৰ ওপৰত চিন্তা কৰাৰ কোনো অৱকাশ নাথাকে। ইয়াৰ উপৰিও যিবিলাক চি. ডি. কিম্বা গীতৰ কেছেটৰ ব্যৱসায়ৰ লগত জড়িত ব্যৱসায়ী আছে তেখেতসকলৰ মতে গীতৰ কথা গভীৰ হ'লে গীতবোৰ বজাৰত নচলে। ফলত বহুক্ষেত্ৰত তুলুঙা কথাৰে, যিকোনো কথা প্ৰয়োগ কৰি, বিহুসুৰীয়া কৰি গীতসমূহ ৰাইজৰ মাজত এৰি দিয়ে। এনে গীতে সাময়িক মুনাফা লাভত সহায় কৰিলেও নান্দনিক ৰুচি গঢ়াত সহায়ক নহয়গৈ।

বেছিভাগ মানুহেই আজিকালি চিন্তা কৰিবলৈ ভাল নোপোৱা হ'ল। পৃথিৱীত বোধহয় চিন্তা কৰা মানুহৰ সংখ্যা কমি আহিছে অথচ কথা কোৱা মানুহ বেছি হৈ গৈ আছে। গীতৰ কথাৰ ক্ষেত্ৰত ক'ব পাৰি যে সেইসমূহ গীত মানুহৰ হৃদয়ত সোমাই যায়, যিসমূহ গীতৰ কথাই মানুহৰ জীৱনলৈ আনন্দ আনে, প্ৰেৰণা দিয়ে। মানৱ জীৱনৰ দ্বন্দ্ব-সংঘাত, সংগ্ৰাম-প্ৰেৰণা, জয়-পৰাজয়, মৰম-ভালপোৱা সকলো গীতৰ কথাত পৰিলক্ষিত হয়। মানুহৰ জীৱনত ব্যক্তিত্বৰ সকলো দিশ সামৰি— সুৰুচিপূৰ্ণ কথাৰে, জীৱন সম্পৰ্কে মিছা ধাৰণা নিদিয়াকৈ যি গীতৰ কথা সৃষ্টি কৰা যায় সি হয় মধুৰ আৰু সুৰেৰে সজালে এটি গীত অতি মধুৰ হৈ পৰে। ওপৰত উল্লেখ কৰা কৈছে যে মানুহে চিন্তা কৰিব লাগিব। ভাল গীত এটি লিখোঁতে সদায় কি ক'ব বিচৰা হৈছে সেই কথা স্পষ্ট হ'ব লাগিব, কিন্তু সহজভাৱে। সৰু সৰু কথাৰে, সদায় দেখি থকা পৰিবেশৰ ওপৰত ভিত্তি কৰি সহজ ভাষাৰে, সকলোৱে বুজি পোৱাকৈ সৃষ্টি কৰা গীতসমূহ মানুহৰ হৃদয়ত সাঁচ বহুৱাই যায়। উদাহৰণস্বৰূপে তলৰ গীত এটিৰ কথাংশখিনি মন কৰা যাওক। ড° ভূপেন হাজৰিকাদেৱে লিখা, সুৰ কৰা অতি সহজ গীত এটি খুউব জনপ্ৰিয়।

*'কহুৱা বন মোৰ অশান্ত মন*
*আলফুল হাতেৰে লোৱা সাৰতি*
*এটি এটি ক্ষণ যেন মুকুতাৰে ধন*
*এনেয়ে হেৰুৱালে নাহে উভতি...'*

সেইদৰে নৱকান্ত বৰুৱাদেৱে লিখা আৰু ড° বীৰেন্দ্ৰনাথ দত্তদেৱে সুৰ কৰা—

*'সৌ পথাৰৰ কহুৱা বন*
*নীল আকাশত কোনে সজালে...'*

গীতৰ কথাখিনিৰ লগতে সুৰৰ মাধুৰ্যৰে গীতসমূহ শ্ৰুতিমধুৰ হয়। চিন্তা কৰিবলৈ মনলৈ প্ৰশান্তি ভাব আহে। মাকে কেঁচুৱাক শুৱাই থওঁতে, কাম-কাজৰ পৰা আহি ঘৰ সোমাওঁতে, ৰাতিপুৱা-গধূলি যদি অনবৰতে টেঁটুফলা চিঞৰ-বাখৰ কৰি থকা 'পাৰ্টি' সংগীত, গীত শুনি থকা যায়, জীৱনৰ আনন্দখিনি দেখোন নোহোৱা হৈ যাব। পৰিস্থিতি পৰিবেশৰ লগত খাপখোৱাকৈ গীতসমূহৰ পৰিবেশন হ'লে মনত শান্তি পোৱা যায়। এইটো নহয় যে অকল এক ধৰণৰ গীতেই প্ৰয়োজন। সমাজত সকলোধৰণৰ গীতৰ প্ৰয়োজন আছে, পিছে গীতৰ কথাসমূহ সুন্দৰ, ৰস থকা হ'লে মানুহে সহজতে গ্ৰহণ কৰে আৰু কিছু সময় স্থায়ী হ'ব পাৰে। উদাহৰণস্বৰূপে, জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে লিখা—

*গাঁৱৰ ল'ৰা গাঁৱে গাঁৱে*
*বন্তি জ্বলাই যাওঁ আমি*
*গাঁৱলীয়া ছোৱালী শেৱালী মই নেৱালি,...*

সকলো গীতৰ কথা যে বহু উচ্চখাপৰ হ'ব লাগিব সেইটো নহয়। গীতৰ কথাসমূহ সাধাৰণভাৱেই হওক মানুহে যেন সহজে গ্ৰহণ কৰিব পাৰে, গীত এটিৰ কথাভাগে মানুহক যেন ভবাই তুলিব পাৰে, প্ৰেৰণা দিব পাৰে আৰু জীৱনবোধৰ এটা ধাৰণা দিব পাৰে, সেই গীতবোৰ গ্ৰহণযোগ্য হৈ উঠে। প্ৰত্যেকটো গীতেই জনপ্ৰিয় হ'ব নোৱাৰে, কিন্তু কথাখিনি হয়তো মানুহৰ মনত থাকি যায়।

সুৰ শব্দ পৰিবেশ আৰু প্ৰকাশ ভঙ্গীমাৰ সুন্দৰ সমন্বয়ত গীতৰ স্বৰূপ প্ৰকাশ হয়। জীৱনক সুন্দৰ কৰিবলৈ গীতৰ গুৰুত্ব অসীম। আজিৰ যুগত জীৱনৰ প্ৰবাহ ইমান দ্ৰুত হৈছে যে জীৱনে গীত বিচাৰে নে গীতে জীৱন বিচাৰে, কথাষাৰ গমি চাবৰ হ'ল। আচলতে সংগীত শাস্ত্ৰৰ মৌলিক কথাবোৰৰ লগত বৰ্তমানৰ জীৱন সংগ্ৰামৰ তাল-মিল নথকাৰ ফলতে সংগীতৰ ৰূপৰ এনে পৰিৱৰ্তন লক্ষ্য কৰা যায় যদিও এই কথা অনস্বীকাৰ্য যে নিজৰ পচন্দৰ গীতে মানুহক পলে পলে প্ৰেৰণা যোগায়। 'গীত' হ'ল পৰম স্বৰ্গীয় সম্পদ। গতিকে গীতৰ কথাংশৰ ওপৰত কিছু গুৰুত্ব দিলে মানুহৰ মনলৈ গীতৰ কথা আৰু সুৰে পৰম প্ৰশান্তি কঢ়িয়াই আনিব।

তলত সংগীত বিষয়ক কথা কেইটিমান উনুকিয়াই দিলোঁ—

- সংগীততকৈ বিদ্যা নাই। অৰ্থাৎ সংগীত পৰম বিদ্যা।
- গীত এক প্ৰকাৰ ভাষাৰ আত্মা আৰু আত্মাৰো ভাষা।
- কোটিবাৰ জপ কৰিলে হয় ধ্যান,
  কোটি ধ্যানৰ সমান তপ
  আৰু তেনে তপৰ কোটি গুণ
  হ'লেহে হয় গান।
- শক্তি আহে এটা ধীৰ-স্থিৰ শান্ত মনৰ পৰা, সুন্দৰ গীতে মনৰ শক্তি বঢ়ায়।
- শান্তিপদ গীতে অৱসাদ শূন্য কৰি হৃদয় পূৰ্ণ কৰে।

নগাঁও ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰীসকলক সদায়ে সুৰুচিপূৰ্ণ কথাৰে, সুৰেৰে আমাৰ সমাজত থকা ধুনীয়া কথাৰে গীত লিখিবলৈ অনুৰোধ কৰিলোঁ। গীতিকাৰৰ প্ৰয়োজন আছে, যি গীতে, গীতৰ কথাৰে মানুহক সাহস দিয়ে, প্ৰেৰণা দিয়ে আৰু দিয়ে জীয়াই থকাৰ আনন্দ।

নগাঁও ছোৱালী মহাবিদ্যালয়ত মই প্ৰায় এটা দশক অধ্যাপনা কৰিছিলোঁ। সেইবাবে এটি গীতৰ কথাৰে সামৰণি মাৰিলোঁ।

*ৰচনা— ড° ব্ৰজেন্দ্ৰ নাথ ৰায় চৌধুৰী*

*কলঙৰ পাৰতে*
*অতি মনমোহা*
*নগাঁও ছোৱালী কলেজ...।*
*পঞ্চদশক জুৰি*
*জ্ঞানৰ পৰিধিৰে*
*গঢ়িলে কতযে অভিলেখ...।।*
*প্ৰতি ঘৰে ঘৰে*
*ছাত্ৰীসকলে*
*জ্ঞানৰ বিলালে পোহৰ।*
*সজীৱ কৰিলে*
*মানৱ প্ৰাণক*
*সিঁচি-দি উলাহৰ লহৰ।।*
*স্থিৰ কৰি বিবেক*
*গঢ়িলে কত যে অভিলেখ।।*
*যুগে যুগে*
*নাৰী মহীয়সী*
*প্ৰজ্ঞাৰ সাধনাই যাৰ ধ্যান।*
*কৰ্মৰ মাজেৰে যিয়ে*
*হয় বিশ্বজয়ী*
*পূৰ্ণতাৰে ভৰে প্ৰাণ।।*
*উজ্জ্বল হয় পৰিবেশ*
*গঢ়িলে কত যে অভিলেখ।।*

[ ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, গুৱাহাটীৰ পঞ্জীয়ক ড° ব্ৰজেন্দ্ৰনাথ ৰায় চৌধুৰীয়ে শিক্ষাবিভাগৰ প্ৰবক্তা হিচাবে নগাঁও ছোৱালী কলেজত কৰ্মজীৱনৰ পাতনি মেলিছিল। বিশিষ্ট গীতিকাৰ

আৰু সুৰকাৰ ড° ৰায়চৌধুৰী অসমৰ সাংস্কৃতিক জগতৰ এগৰাকী উল্লেখযোগ্য কৰ্মী। জীৱনৰ কেইবাটাও বসন্ত কটাই যোৱা নগাঁও ছোৱালী কলেজৰ প্ৰতি থকা তেখেতৰ মৰমৰ চিন এই লেখাটো। তেখেতলৈ আলোচনী সম্পাদনা সমিতিৰ তৰফৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰা হ'ল। ]

'আজিৰ সমাজ গঢ়োঁতে অগভীৰ পৰিকল্পনা আৰু অলস চিন্তাই কোনো কাম নিদিয়ে। জীৱন বিন্দু বহু সিন্ধুৰে হয়। কিন্তু সেই বিন্দু কৰ্মেৰে পূৰ্ণ হ'ব লাগিব।'

— ড° ভূপেন হাজৰিকা



# ছাত্ৰ, ৰাজনীতি আৰু ইয়াৰ বিভিন্ন দিশ

বিদিশা বুঢ়াগোহাঁই, স্নাতক তৃতীয় বৰ্ষ

ৰাজনীতিৰ এটা সৰ্বসন্মত ব্যাখ্যা দিয়াটো কঠিন কাম। ৰাজনীতি বুলিলে এতিয়া প্ৰাত্যহিক বা ব্যৱহাৰিক ৰাজনীতিকহে বুজা যায়। আজি পৃথিৱীৰ বিভিন্ন দেশত ৰাজনৈতিক দলসমূহেই হৈছে সক্ৰিয় ৰাজনীতিৰ ভেটি। সৰল অৰ্থত ক'বলৈ গ'লে দেশৰ বিভিন্ন দল, সংগঠন, উপদল আদিৰ এক বিস্তীৰ্ণ ক্ষেত্ৰই হ'ল ৰাজনীতি। আনহাতে জীৱনৰ যি সময়ছোৱাত কোনো ব্যক্তিয়ে ভৱিষ্যত জীৱনৰ বাবে শিক্ষা গ্ৰহণ কৰে সেই সময়ছোৱাই হ'ল ছাত্ৰজীৱন। শিক্ষাগ্ৰহণ এক জীৱনব্যাপ্ত পৰিক্ৰমা যদিও সাধাৰণতে আনুষ্ঠানিক শিক্ষাৰ লগত জড়িত ব্যক্তিকহে ছাত্ৰ হিচাবে স্বীকৃতি দিয়া হয়।

বৰ্তমান যুগৰ পৰিৱৰ্তনৰ লগে লগে ছাত্ৰসমাজৰো মানসিক পৰিৱৰ্তন ঘটিছে। পূৰ্বৰ 'ছাত্ৰানাং অধ্যয়নং তপঃ' বাণী কেৱল বেদৰ বাণী স্বৰূপহে হৈ পৰিছে। প্ৰতিজন ছাত্ৰই মানুহৰ জীৱনৰ স্বাভাৱিক পৰিৱৰ্তন আৰু বিকাশৰ খলপাসমূহৰ মাজেদি জীৱনৰ বাটত আগবাঢ়ে। শিক্ষাৰ অগ্ৰগতিৰ লগে লগে ছাত্ৰসকলৰ মনৰ আকাশ অধিক আলোকিত আৰু মনৰ দিগন্ত অধিক প্ৰসাৰিত হৈ পৰিছে। ফলস্বৰূপে বিষয় জ্ঞান (Knowledge) আৰু কৌশল (Skill) আহৰণৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মন বিভিন্ন চিন্তা, আদৰ্শ আৰু প্ৰভাৱৰ উৰ্বৰ ক্ষেত্ৰ হৈ পৰিছে। এগৰাকী আদৰ্শ ছাত্ৰ বা ছাত্ৰী কেৱল শিক্ষাসদী (Academic) জ্ঞান বা কৌশলত নিপুণেই নহয়, তেওঁ মানৱ সভ্যতা আৰু সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ।

ছাত্ৰ আৰু ৰাজনীতি এই বিষয়টোৱে সমাজত সদায় বিতৰ্কৰ সূচনা কৰি আহিছে। বৰ্তমানৰ ৰাজনীতি কেৱল ৰাজনৈতিক দলসমূহৰে ক্ষেত্ৰভূমি হৈ থকা নাই, আজিৰ ৰাজনৈতিক ক্ষেত্ৰখনত ছাত্ৰসমাজেও গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। বিংশ শতিকাৰ দ্বিতীয়াৰ্ধৰেপৰা ৰাজনৈতিক পথাৰখনলৈ বহুতো দল, উপদল আদিৰ আগমন ঘটাৰ লগে ছাত্ৰসকলৰ মাজত ৰাজনৈতিক প্ৰভাৱ অধিক পৰিলক্ষিত হয়।

বৰ্তমানৰ ছাত্ৰসমাজে যেতিয়াই কোনো বিষয়ত অভাৱ অনুভৱ কৰিছে বা নিজকে উপেক্ষিত অনুভৱ কৰিছে, তেতিয়াই তেওঁলোকে বিভিন্ন প্ৰতিবাদী সভা, ধৰ্মঘট আদিৰে পৰিস্থিতি উত্তাল কৰি তুলিছে। আজিৰ ছাত্ৰসমাজ বিশেষকৈ ৰাজনৈতিক দলসমূহৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ ফলত তেওঁলোকে ৰাজনৈতিক ক্ষেত্ৰত ওতঃপ্ৰোতভাৱে জড়িত হৈ দেশ তথা সমাজত কিছুমান সমস্যাৰো সৃষ্টি কৰিছে।

ছাত্ৰশক্তি হৈছে এখন দেশৰ বা এটা জাতিৰ এক মহান আৰু অজেয় শক্তি। গতিকে দেশৰ বা জাতিৰ সংকটৰ সময়ত ছাত্ৰশক্তিয়ে ৰচনাত্মক ভূমিকা গ্ৰহণ কৰিব পাৰে। আধুনিক বিশ্বত সাম্ৰাজ্যবাদ, উপনিৱেশবাদ, আৰ্থসামাজিক শোষণ আদিৰ বিৰুদ্ধে গণতান্ত্ৰিক বা সশস্ত্ৰ সকলো সংগ্ৰামতে ছাত্ৰশক্তিৰ প্ৰত্যক্ষ বা পৰোক্ষ অৱদান কম-বেছি পৰিমাণে পোৱা যায়। এইক্ষেত্ৰত অসম আন্দোলনলৈ আঙুলিয়াব পৰা যায়। অসম আন্দোলন আছিল এক অস্তিত্ব ৰক্ষাৰ আন্দোলন। ইয়াক বিদেশী বিতাৰণ আন্দোলনো বোলা হৈছিল। ভাৰতৰ বাহিৰতো আনকি সমগ্ৰ পৃথিৱীতে ই এক লেখত ল'বলগীয়া আন্দোলন আছিল। অসমত ই প্ৰায় সৰ্বব্যাপক আছিল আৰু সমগ্ৰ অসম কঁপাই তুলিছিল। এই আন্দোলনত মুখ্য ভূমিকা লৈছিল ছাত্ৰসমাজে। সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত বিদেশী বিতাৰণৰ বাবে হোৱা এই আন্দোলনত ছাত্ৰৰ নেতৃত্বই স্বীকৃত হৈছিল। এই আন্দোলনৰ ফলশ্ৰুতিতেই অসমত ছাত্ৰৰ নেতৃত্বতে 'অসম গণ পৰিষদ' দলৰ চৰকাৰ গঠন হৈছিল। একেদৰে সত্তৰৰ দশকত বিহাৰত জয়প্ৰকাশ নাৰায়ণৰ নেতৃত্বত ছাত্ৰ-যুৱক সংঘৰ্ষ বাহিনীয়ে শাসক গোষ্ঠীৰ দুৰ্নীতিৰ বিৰুদ্ধে তীব্ৰ আন্দোলন গঢ়ি তুলি দেশব্যাপী আলোড়নৰ সৃষ্টি

কৰিছিল।

ছাত্ৰ আৰু ৰাজনীতি সম্পৰ্কে আলোচনা কৰিবলৈ যাওঁতে মূল প্ৰশ্নটো হ'ল ছাত্ৰসকলে প্ৰকৃততে ৰাজনীতিত অংশগ্ৰহণ কৰাটো উচিত নে অনুচিত। এইক্ষেত্ৰত দুটা দৃষ্টিভংগী দেখিবলৈ পোৱা যায়।

প্ৰথম দৃষ্টিভংগী অনুসৰি ছাত্ৰসকলে ৰাজনীতিত অংশ গ্ৰহণ কৰাটো অনুচিত। এইক্ষেত্ৰত নানা বাদানুবাদৰো সৃষ্টি হৈছে। মানসিক পৰিপক্কতা লাভ নকৰাকৈ ছাত্ৰসকল ৰাজনৈতিক ক্ষেত্ৰত নামি পৰিলে তাৰ পৰিনাম দেশ, জাতি সকলোৱে ভোগ কৰিবলগা হয়। কিয়নো অনভিজ্ঞ লোক ৰাজনৈতিক কাৰ্যকলাপত লিপ্ত হ'লে দেশৰ ৰাজনীতিত বিশৃংখলতাৰ সৃষ্টি হ'ব পাৰে। ছাত্ৰৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য হ'ল অধ্যয়ন। গতিকে ছাত্ৰাৱস্থাত ৰাজনৈতিক ক্ষেত্ৰত নামি পৰিলে তেওঁলোকৰ সেই প্ৰধান কৰ্তব্যত বিচ্যুতিয়ে দেখা দিব পাৰে। সক্ৰিয় ৰাজনীতিত লাগি অধ্যয়নত মনোনিৱেশ কৰিব নোৱাৰিলে বা অধ্যয়নৰ বাবে যথেষ্ট সময় দিব নোৱাৰিলে, তেওঁলোকৰ জ্ঞান আহৰণ প্ৰক্ৰিয়াত বাধা জন্মে, যাৰ ফলত কেৱল ছাত্ৰসমাজৰে নহয়, সমগ্ৰ জাতিটোৰে ক্ষতি হয়। কাৰণ বৌদ্ধিক আৰু মানসিকভাৱে অগ্ৰসৰ এটা প্ৰজন্মৰপৰা জাতিটো বঞ্চিত হ'ব লগা হয়।

দ্বিতীয়টো দৃষ্টিভংগী অনুসৰি ছাত্ৰসকলে ৰাজনীতিত অংশগ্ৰহণ কৰা উচিত। ৰাজনীতি শব্দটোৰ এক বহল অৰ্থ আছে। কেৱল ৰাজনৈতিক ক্ষমতাৰ ক্ষেত্ৰতে ৰাজনীতি শব্দটো সীমবদ্ধ কৰা উচিত নহয়। এই দৃষ্টিভংগী অনুসৰি অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদেই হ'ল ৰাজনীতি। সেইফালৰপৰা চাবলৈ গ'লে ছাত্ৰই ৰাজনীতিত অংশগ্ৰহণ কৰাটো অনুচিত বুলি কোৱা মানেই ছাত্ৰসমাজক অন্যায়ৰ নীৰৱ দৰ্শক হ'বলৈ উৎসাহিত কৰা। ছাত্ৰসকলেই হ'ল সামাজিক পৰিৱৰ্তনৰ বাটকটীয়া। গতিকে সমাজৰ ভাল-বেয়া দিশ তেওঁলোকে আওকাণ কৰি চলিব নোৱাৰে।

ছাত্ৰসমাজ হ'ল দেশৰ ভৱিষ্যতৰ নাগৰিক। সেয়ে দেশ তথা সমাজৰ প্ৰতি তেওঁলোকৰ বহুতো কৰণীয় আছে। শিক্ষাৰ প্ৰভাৱে ছাত্ৰ-ছাত্ৰীৰ মন আৰু দৃষ্টিভংগী উদাৰ কৰে যদিও সক্ৰিয় ৰাজনীতিত অৱতীৰ্ণ হ'লে পৰিস্থিতিৰ প্ৰয়োজনত তেওঁলোকে কেতিয়াবা সংকীৰ্ণ দৃষ্টিভংগী গ্ৰহণ কৰিবলৈ বাধ্য হয় যাৰ ফলত সমগ্ৰ সমাজ আৰু জাতিটো ক্ষতিগ্ৰস্ত হোৱাৰ আশংকাই দেখা দিয়ে। সংগঠিত ছাত্ৰশক্তি এটা অসীম ক্ষমতাশালী গোট। কিন্তু সক্ৰিয় ৰাজনীতিত অৱতীৰ্ণ হোৱাৰ ফলত তেওঁলোকৰ সামূহিক ঐক্য বিনষ্ট হ'ব পাৰে যিটো সচেতন নাগৰিকৰ কাম্য নহয়।

"কোনো এটা ভাষা চিৰকাললৈ লুপ্ত হৈ যোৱা বুলি শুনিলে মই বৰ দুখ অনুভৱ কৰোঁ; কাৰণ ভাষাই হ'ল জাতি সমূহৰ বংশ তালিকা"

— ড° জনছন



# অসমৰ লোক-সংস্কৃতিত বেজ-বেজালি

ৰূপিকা বৰা, স্নাতক প্ৰথম বৰ্ষ

ভেষজ বিদ্যাৰ প্ৰথম চৰ্চা গাঁৱলীয়া জীৱনত। গছ-লতা, বন-পাত, ফল-ফুল, শিপা-ছালৰ প্ৰত্যেকৰে যে বেলেগ দ্ৰব্যগুণ আছে, সেই তত্ত্ব সাধাৰণ মানুহেই প্ৰথমে আৱিষ্কাৰ কৰে। যুগ যুগৰ অভিজ্ঞতাৰ পৰা লাভ কৰা এই জ্ঞান গাঁৱলীয়া মানুহে আজিও ব্যৱহাৰত লগায়। চিকিৎসা বিদ্যাৰ বৰ্তমান  বহু উন্নতি আৰু প্ৰচাৰ হোৱা সত্ত্বেও সাধাৰণ ৰোগ নিৰাময়ৰ কাৰণে গাঁৱলীয়া মানুহে এতিয়াও তন্ত্ৰ-মন্ত্ৰ আৰু বন-দৰবৰ সহায় লয়। ৰোগ আৰু অপায়-অমঙ্গল দূৰ কৰিবলৈ অসমীয়া মানুহে মন্ত্ৰ আৰু যাদুবিদ্যাৰ যিদৰে ব্যৱহাৰ কৰে, সেই বিষয়ে 'অসমীয়া ভাষা আৰু সংস্কৃতি' পুথিত বিশদভাৱে আলোচনা কৰা হৈছে। ইয়াত তাৰ পুনৰুক্তি নিষ্প্ৰয়োজন। মন্ত্ৰ-তন্ত্ৰৰ বাহিৰে দেৱ-দেৱী, গ্ৰহ-নক্ষত্ৰ, ভূত-প্ৰেতক সন্তুষ্ট কৰিও ৰোগ-ব্যাধি গুচাবলৈ চেষ্টা কৰা হয়। এই অৰ্থে কামাখ্যা, নৱগ্ৰহ, শিৱদৌল আদি মন্দিৰত নিৰ্দিষ্ট দিন-তিথিত পূজা, বলি, দান-দক্ষিণা দিয়া হয় আৰু মহা পয়োভৰেৰে যাগ-যজ্ঞ পতা হয়। দৈৱজ্ঞ-জ্যোতিষী, বেজ-বেজিনীৰ নিৰ্দেশমতে মাদুলি-কৱচ আৰু নানা ধৰণৰ ধাতুৰ অলঙ্কাৰ সামৰ্থানুযায়ী মানুহে ধাৰণ কৰে। লোক সংস্কৃতিৰ লগত এই বিশ্বাস আৰু ক্ৰিয়াকৰ্মৰ ঘনিষ্ঠ সম্বন্ধ আজিও সম্পূৰ্ণভাৱে পৰিলক্ষিত হয়।

ৰোগ-ব্যাধি নিৰাকৰণৰ এইবোৰ বিধিৰ বাহিৰেও গাঁৱলীয়া মানুহে সদা-সৰ্বদা বন-দৰৱ ব্যৱহাৰ কৰে। এই বন-দৰৱবোৰ সাধাৰণতে ঘৰৰ চৌহদতে পোৱা যায়। বন-দৰৱৰ ভিতৰত জীৱ-জন্তু, চৰাই-চিৰিকতি, পোক-পৰুৱাৰ হাড়-মঙহ, তেজ-তেল, পাখি-নখ, মল-মূত্ৰও পৰে। আশ-পাশৰ গছ-গছনি, বন-লতাৰ বিভিন্ন অংশ, যেনে— শিপা, পাত, ছাল, ফুল, কেশৰ, গুটি আদি কি কি দ্ৰব্যগুণসম্পন্ন সেইকথা গাঁৱৰ প্ৰায়বোৰ পুৰুষ-মহিলাই জানে। সেইদৰে জীৱ-জন্তুৰ হাড়-মূৰ, তেজ-মঙহৰ দ্ৰব্যগুণৰ বিষয়েও তেওঁলোকৰ স্বভাৱলব্ধ জ্ঞান আছে। সেইকাৰণে ইয়াৰ কেতবোৰ ভৱিষ্যত ব্যৱহাৰৰ কাৰণে সাঁচি থোৱাও হয়। পুৰণি ঘিঁউ, পুৰণি গুড়, পুৰণি কোমোৱা, শোকোটা, আমঠু, শুঙি, বাঘৰ তেল, শিহু-ঘৰিয়ালৰ তেল গাঁৱৰ বহু মানুহে আটোম-টোকাৰিকৈ সঞ্চয় কৰে। কোনো কোনো বন-দৰৱৰ নিৰ্দিষ্ট তিথি, বাৰ-নক্ষত্ৰত সংগ্ৰহ কৰিলে তাৰ দ্ৰব্যগুণ সম্পূৰ্ণভাৱে ৰক্ষা হয় বুলি বিশ্বাস কৰে। কোনো কোনোৱে স্বপ্নত অথবা সন্ন্যাসীৰ পৰাও ঔষধিৰ দ্ৰব্যগুণ সম্বন্ধে জ্ঞান লভে।

গছ-গছনি আৰু জীৱ-জন্তুৰ পৰা প্ৰস্তুত কৰা এই দৰৱসমূহ দুই প্ৰকাৰে প্ৰয়োগ হয়; খোৱা দৰৱ, নোখোৱা দৰৱ। নোখোৱা দৰৱ শৰীৰত ঘঁহা হয়; তাৰে প্ৰলেপ লগোৱা হয়। হাতৰ মুঠিত ধৰি থাকিলেও এই দৰৱে গুণ দিয়ে বুলি বিশ্বাস কৰে। এইখিনিতে ইয়াকো লক্ষ্য কৰিবলগীয়া যে সাধাৰণ মানুহে প্ৰতিটো দ্ৰব্যৰ কেৱল কি স্বতন্ত্ৰ গুণ সেইটোকে যে মাত্ৰ জানে এনে নহয়— বিভিন্ন দ্ৰব্যৰ সংমিশ্ৰণত নতুনকৈ কি গুণাগুণৰ সৃষ্টি হয়, তাকো জানে। সাধাৰণ ৰোগ-ব্যাধিসমূহৰ লক্ষণ কি সেই বিষয়েও তেওঁলোকৰ বহুখিনি জ্ঞান আছে।

মানুহৰ ৰোগ ব্যাধিৰ বাহিৰেও গৰু-ছাগলী, হাতী-ঘোঁৰা, হাঁহ-কুকুৰা আদি পোহনীয়া জীৱ-জন্তুৰ ৰোগৰো প্ৰতিষেধক বন-দৰৱ আছে; আজিও সেইবোৰ বহু পৰিমাণে ব্যৱহাৰ কৰা হয়। এই সকলোবোৰ জাতিৰ প্ৰজ্ঞা আৰু জ্ঞান-বিজ্ঞান চৰ্চাৰ প্ৰাচীন পৰিচয়।

ৰোগ নিৰাময়ৰ বাহিৰেও ৰোগৰ সৃষ্টি কৰিবলৈকো কু-মন্ত্ৰ আৰু বন-দৰৱ প্ৰয়োগ কৰা হয়। শত্ৰু শালিবলৈ অথবা কোনো দুষ্ট অভিসন্ধিৰ অৰ্থে ইয়াক ব্যৱহাৰ কৰা হয়। এয়ে মন্দকৰা, হৰা দিয়া, আহুদি কৰা। পৰৰ অনিষ্ট সাধনত প্ৰয়োগ হোৱা মন্ত্ৰ আৰু বন-দৰৱ সংগোপনে ৰখা হয়। গাঁৱৰ সকলো মতা-তিৰোতাই এইবোৰ নেজানে; তাৰ কাৰণে বেজ-বেজিনীৰ সহায় লাগে। বেজ-বেজিনী গাঁৱৰ অপৰিহাৰ্য অঙ্গ; হিতকৰ ভালেমান কামত তেওঁলোকৰ

প্ৰয়োজন। এওঁলোক কিছু পৰিমাণে প্ৰাচীন ভেষজ-বিদ্যা আৰু বিশ্বাস অনুষ্ঠানৰ সংৰক্ষক। বেজ-বেজিনীৰ হাতত এতিয়াও মন্ত্ৰ আৰু সাঁচিপতীয়া বেজালি পুথি আছে। এইবোৰৰ সংগ্ৰহ আৰু বেজ-বেজিনীৰ অনুষ্ঠানৰ আলোচনাই অসমীয়া লোক-সংস্কৃতিৰ অন্য এটা দিশ নিশ্চয় উজ্জ্বল কৰিব। এইখিনিতে উল্লেখ কৰিব পাৰিযে স্বৰ্গীয় গঙ্গাৰাম দাস তহচিলদাৰে তেখেতৰ 'বৈদ্য অমৰ' গ্ৰন্থত অসমীয়া বনৌষধি আৰু আসুৰিক চিকিৎসা প্ৰণালীৰ বিষয়ে যথেষ্ট আলোকপাত কৰি গৈছে। *(সহায় লৈ)*

"কলম মোৰ কমাৰৰ হাতৰ হাতুৰী, ভাঙি-পিতি গঢ়ি লওঁ শব্দ, খেতিয়কৰ ফাল যেন চোকা, সীৰলুত সোণৰ সীতা, মিস্ত্ৰীৰ কৰতত যেন ৰূঢ়"

— হীৰেন ভট্টাচাৰ্য্য



# দেহতত্ত্বমূলক গীত ঃ এটি অধ্যয়ন

বৰ্ণালী ডেকা, *অংশকালীন অধ্যাপিকা,* অসমীয়া বিভাগ

দেহবিচাৰৰ গীত দেহতত্ত্বৰ গীতিধৰ্মী বিচাৰ। ই বহু যুগ ধৰি অসমীয়া মানুহৰ মুখে মুখে প্ৰচলিত হৈ আহিছে। এই গীতবোৰত দেহতত্ত্বৰ গীতিধৰ্মী বিচাৰ, আত্মাৰ অবিনশ্বৰতা, পাৰ্থিৱ মায়া-মোহ আদিৰ অসাৰতাৰ কথা ঘোষণা কৰা হৈছে।

মনৰ চঞ্চলতাই যে সংসাৰত সকলো ধৰণৰ দুখৰ কাৰণ, সেই কথা ভালেমান গীতৰ মাজেদি প্ৰকাশিত হৈছে।

এই প্ৰবন্ধত দেহবিচাৰৰ গীত, টোকাৰী গীত আদিৰ মাজেদি ফুটি উঠা দেহতত্ত্বৰ বিষয়ে এটি বিশ্লেষণ আগবঢ়োৱাৰ প্ৰয়াস কৰা হৈছে। টোকাৰীক বাদ্যযন্ত্ৰ হিচাপে লৈ গোৱা দেহবিচাৰৰ গীতেই হৈছে টোকাৰী গীত।

**ভূমিকা ঃ**

লোক-সাহিত্য হৈছে জনসাধাৰণৰ মুখে মুখে চলি অহা জন-সাহিত্য বা মৌখিক সাহিত্য। পৃথিৱীৰ আন আন লোক-সাহিত্যৰ দৰে অসমীয়া লোক-সাহিত্যৰ ৰচনাকাল খাটাংকৈ ক'ব নোৱাৰি। যি নহওক 'অসমীয়া লোক-সাহিত্য অসমীয়া সাহিত্যৰ ভঁৰালত মাণিকীমধুৰী জহা হৈ খুন্দ খাই আছে'[১] বুলি লীলা গগৈয়ে উল্লেখ কৰি গৈছে।

বিষয়বস্তু আৰু ৰচনাৰীতিৰ ফালৰ পৰা অসমীয়া লোক-সাহিত্যক হেমন্ত কুমাৰ শৰ্মাই তিনিটা ভাগত ভগাইছে[২] —

ক) লোকগীত

খ) ফকৰা-যোজনা, সাঁথৰ-পটন্তৰ আৰু

গ) সাধুকথা

লোক-সাহিত্যৰ বিভিন্ন বিভাগবোৰৰ দৰে লোকগীতো লোক-সমাজৰে সৃষ্টি।

লোকগীতবোৰ মানুহৰ ভাব-অনুভূতিৰ প্ৰকাশ হিচাপেই হওক বা সাহিত্যিক সৌন্দৰ্যৰ ফালৰ পৰাই হওক সকলো ভাষাৰে অমূল্য সম্পদ। বিষয়বস্তুৰ ফালৰ পৰা অসমীয়া লোকগীতক হেমন্ত কুমাৰ শৰ্মাই প্ৰধানকৈ চাৰিটা শ্ৰেণী আৰু ভালেমান উপশ্ৰেণীত ভাগ কৰিছে।[৩]

ক) অনুষ্ঠানমূলক লোকগীত

খ) কৰ্মবিষয়ক লোকগীত

গ) আখ্যানমূলক বা বৰ্ণনা প্ৰধান লোকগীত

ঘ) জুনা আৰু ধেমেলীয়া গীত

অনুষ্ঠানমূলক লোকগীতৰে অন্যতম ভাগ ভক্তিমূলক গীতৰ অন্তৰ্গত দেহবিচাৰৰ গীত আৰু টোকাৰী গীত আমাৰ আলোচ্য বিষয়।

মানৱদেহৰ ক্ষণস্থায়িত্ব, কামনা-বাসনা আৰু ধন-দৌলতৰ অসাৰত্ব প্ৰকাশক গীতবোৰেই হৈছে দেহতত্ত্বমূলক গীত বা দেহবিচাৰৰ গীত। দেহবিচাৰৰ গীতবোৰ দেখাত ভকতীয়া হ'লেও আৰু সেইবোৰৰ বেছিভাগতে মাধৱদেৱৰ ভণিতা থাকিলেও এই শ্ৰেণী গীতৰ অনুপ্ৰেৰণা বৈষ্ণৱধৰ্মৰ ভিতৰত মাত্ৰ নহয়। দেহবিচাৰৰ গীতবোৰত ভাবৰ গভীৰতা, উপমা, ৰূপক, প্ৰতীক আদি অলংকাৰৰ সু-প্ৰয়োগ ঘটিছে। সেয়েহে, 'গীতিধৰ্মী মাধুৰ্যৰ ফালৰ পৰা অসমীয়া লোক-সাহিত্যত দেহবিচাৰৰ গীতৰ স্থান উন্নত যেন লাগে।'

'দেহবিচাৰৰ গীতবোৰ যদিও সকলোৰে মাজতে প্ৰিয় আৰু মাধৱদেৱৰ ভণিতা থকাৰ বাবে বৈষ্ণৱসকলৰো অতি আদৰৰ তথাপি গীতবোৰ আচলতে অসমৰ এক শ্ৰেণী গুপুত সম্প্ৰদায়ৰ মাজৰ পৰাহে উদ্ভৱ হোৱা যেন লাগে। পূৰ্ণসেৱা, বৰখেলীয়া, গোপীধাৰা, বৰসেৱা, ৰাতিখোৱা, কৰণি পতীয়া, ৰীতিয়া আদি নামত এই সম্প্ৰদায়বোৰ সিচঁৰতি হৈ আছে।[৪]

ৰাতিখোৱা আদি গুপ্ত সম্প্ৰদায়ৰ সেৱাৰ গীতবোৰক 'চিয়াগীত' বোলা হয়। একে ধৰণৰ তত্ত্ব সম্পৰ্কীয় কিছুমান

১। গগৈ, লীলা ; 'অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা', বনলতা সংস্কৰণ, বনলতা, ডিব্ৰুগড়, ২০০৮, পৃঃ ৭
২। শৰ্মা, হেমন্ত কুমাৰ ; 'অসমীয়া সাহিত্যত দৃষ্টিপাত', বীণা লাইব্ৰেৰী, গুৱাহাটী, ২০০৩, পৃঃ ১৮
৩। শৰ্মা, হেমন্ত কুমাৰ ;'অসমীয়া লোকগীত সঞ্চয়', দ্বিতীয় সংস্কৰণ, ১৯৯০, পৃঃ ১১০
৪। নেওগ, মহেশ্বৰ ;''অসমীয়া সাহিত্যৰ ৰূপৰেখা', বাণী-মন্দিৰ, ডিব্ৰুগড়, ১৯৮৬, পৃঃ ২৪-২৫

ব'ৰাগী লোকেও টোকাৰী বজাই গাই ফুৰে। ব'ৰাগী ভকতৰ দৰে বংগদেশতো 'বাউল' নামৰ এক শ্ৰেণীৰ গায়ক আছে। বাউলবোৰে দোতৰা লৈ বাউল সংগীত গায়। বাউল সংগীতবোৰ দেহবিচাৰৰ গীতৰে গুহ্যাৰ্থক। দেহবিচাৰৰ গীত আৰু টোকাৰী গীতবোৰ আধ্যাত্মিক ভাবব্যঞ্জক। আমাৰ দেহতেই যে চৈধ্য ব্ৰহ্মাণ্ড আছে আৰু ই যে ব্ৰহ্মাণ্ডৰ এটি ক্ষুদ্ৰ সংস্কৰণ এই কথাই দেহবিচাৰ গীতবোৰৰ মূল প্ৰতিপাদ্য বিষয়। মানৱদেহৰ ক্ষণভংগুৰতা, আত্মাৰ অবিনশ্বৰতা আদিয়েই দেহবিচাৰৰ গীতৰ প্ৰধান বিষয়বস্তু। শৰীৰ বা সংসাৰ সম্পৰ্কীয় ধাৰণা থকা এই গীতবোৰত সংসাৰক গহন বা সাগৰৰ লগত আৰু শৰীৰক কেতিয়াবা 'নাও' আৰু কেতিয়াবা 'ঘৰ'ৰ লগত তুলনা কৰা হৈছে। দেহবিচাৰৰ গীতৰ তত্ত্বাৰ্থ এয়ে যে মানৱ-জীৱন অনিত্য, দেহৰ ভিতৰতে চৈধ্য ব্ৰহ্মাণ্ড আছে আৰু হৰি নামেই জীৱৰ মূলধন।

**দেহবিচাৰৰ গীতসমূহৰ বৈশিষ্ট্য ঃ**

১। দেহবিচাৰৰ গীতবোৰৰ ভাষা প্ৰহেলিকাময়, ইংগিতময় বা সংকেতময়।

২। দেহবিচাৰৰ গীতৰ প্ৰৱৰ্তক ৰাতিসেৱা প্ৰথাত জাতিবৰ্ণ, ধৰ্ম-সম্প্ৰদায় কোনো বিভেদৰ স্থান নাই।

৩। দেহবিচাৰৰ গীত এজন বা বহুজনে গাব পাৰে।

৪। আধ্যাত্মিক ভাব জগাই চিন্তা আৰু বৈৰাগ্য ভাব জগাই তোলাটোৱেই এই গীতৰ মূল লক্ষ্য।

৫। ক্ষুদ্ৰ ব্ৰহ্মাণ্ড হিচাপে দেহটোৰ মাজেদি পৰম সত্য আৰু সত্তাক উপলব্ধি কৰাৰ চেষ্টা থাকে এই গীতবোৰত।

৬। দেহ বিচাৰৰ গীতৰ সাধনাৰ ভিত্তি হ'ল মানৱদেহ।

৭। এই গীতবোৰ সংসাৰ বিমুখ। লগতে জাতি-বৰ্ণ, ধৰ্ম-সম্প্ৰদায় আদি ভেদাভেদ নামানে।

৮। দেহবিচাৰৰ গীতবোৰ ৰূপকধৰ্মী।

**দেহ বিচাৰৰ গীত ঃ**

দেহ বিচাৰৰ গীতৰ মাজেদি প্ৰকাশ পায় জীৱন-বিমুখ ধাৰা। গীতবোৰ শুনিলে বা পঢ়িলে অনুভৱ হয় যে জীৱনৰ ঘাত-প্ৰতিঘাত, শোষণ-নিপীড়নত তিক্ত একাংশ লোকৰ দ্বাৰা এই গীতসমূহ ৰচিত হৈছিল। দেহতেই বিশ্বব্ৰহ্মাণ্ড আছে বুলি দেহবিচাৰৰ গীতত অনেদৰে কৈছে—

*'দেহৰ বিচাৰ কৰোঁ প্ৰাণৰ বান্ধৱ*
*দেহৰ বিচাৰ কৰোঁ*
*চৈধ্যয় বৈকুণ্ঠ চৈধ্যয় ব্ৰহ্মাণ্ড*
*দেহতে বিচাৰ ধৰোঁ।*

'দেহবিচাৰৰ গীতৰ দুই চাৰিটা ভাবে ভাষাই বৰগীতৰ সদৃশ, আন দুই-চাৰিটাৰ বৌদ্ধ সহজীয়া পন্থাৰ সাধন মাৰ্গৰ গীত চৰ্যাগীতৰ সদৃশো, চান্দসাই, কবীৰ আদিৰ নামত ভণিতা পেলোৱা নিদৰ্শনলৈ লক্ষ্য কৰিলে ইছলামিক প্ৰভাৱো পৰিলক্ষিত হয়, আজান ফকীৰ আদি পীৰসকলে ৰচনা কৰা জিকিৰত দেহ বিচাৰৰ গীতৰ সদৃশ সাঁথৰ যেন লগা পদ সংযোগ কৰালৈ লক্ষ্য কৰিলে দেহবিচাৰৰ গীত আৰু জিকিৰৰ মাজতো সাদৃশ্য বিচাৰি পোৱা যায়।'[৫]

দেহবিচাৰৰ গীতক পৰম আধ্যাত্মিকতা সম্পন্ন গীত বুলি কোৱা হয়। বৰগীতবোৰৰ দৰে এই গীতবোৰৰ মাজেদিও কৃষ্ণ জগন্নাথৰ মাহাত্ম্য প্ৰচাৰ কৰিব বিচৰা যেন অনুমান হয়—

*'আহে জগন্নাথ মই বৰ পাপেৰ পাপী*
*সংসাৰ কুণত পৰি তল গৈলু*
*চৰণে নধৰোঁ চাপি।'*

অনিত্য সংসাৰৰ কথা জিকিৰতো আছে এনেদৰে—

*'দুনীয়া এদিনৰ দুনীয়া দুদিনৰ*
*দুনীয়া ফুলনিবাৰী।*
*কতক ছলবলে কৰ তই দুনীয়াই*
*ধৰিব খোৱালী মাৰি।'*

চৰ্যাপদৰ দৰে দেহবিচাৰৰ গীতত আছে—

*একেডালি বৃক্ষ আছে সংসাৰক তৰি।*
*তলে গৈলা শিপা-পাত ওপৰে ভৈলা এৰি।।*

কামৰূপী লোকগীততো অনুৰূপ ভৰসাহীন দেহতত্ত্বৰ কথা শুনিবলৈ পোৱা যায়—

*দেহাৰ ভৰসা নাইৰে।*
*সুন্দৰ শৰীৰ দেহা কোনদিনা যায়ৰে।।*
*সুৱৰ্ণৰ কাঠী-কামী মাণিকৰ ৰুৱা।*
*তাতে বহি ভোজন কৰে শ গুণ বপুৱা।।*
*কাক হ'ল কাণ্ডাৰী শগুণ মহাদানী।*
*শৃগাল দোকান দেয়, মাংস টানি টানি।।*
*পৰুৱা পিপৰা সৰে খান্দি তোলে মাটি।*
*জোৰাই জোৰাই খহি পৰে শৰীৰৰ গাঁঠি।।*

এই বিনাশী জীৱন কালৰ পৰা ৰক্ষা কৰিবলৈ জিকিৰ গীততো এনেদৰে গোৱা হয়—

*হায় আল্লা চাহাব ঐ*
*যদি কৰা দৰিয়া পাৰ।*

দেহবিচাৰৰ গীতবোৰে চৰ্যাপদৰ পৰাই অনুপ্ৰেৰণা লাভ কৰা যেন বোধ হয়। জীৱই মহাসুখ লাভ কৰাৰ একমাত্ৰ

৫। শৰ্মা, শশী; 'অসমৰ লোকসাহিত্য, ষ্টুডেণ্টছ ষ্টৰ', ১৯৯৩, পৃঃ ১৯১



উপায় হৈছে আত্মসংযম। চৰ্যাপদৰো মূল কথা এয়ে আছিল। আকৌ ৰাম নাম সংসাৰ তৰণৰ একমাত্ৰ উপায় বুলি কোৱালৈ চাই দেহ বিচাৰৰ গীতবোৰে শংকৰ-মাধৱৰ বৰগীতৰ পৰা আদৰ্শ আহৰণ কৰিছে বুলিও ভবাৰ থল আছে।

উল্লেখযোগ্য যে দক্ষিণ কামৰূপৰ খঞ্জৰী গীতৰ লগতো দেহবিচাৰৰ গীতৰ ভাবাৰ্থৰ মিল আছে।

**নিদৰ্শনস্বৰূপে ঃ**

*দিহা ঃ চচান শালে যোৱা নৱতনু দেহা*
*পদ ঃ অ' হৰি অ' বাৰীৰে অতিয়াৰ*
*এজুপি জাতি বাঁহ*
*তাতে নানা পখীৰ বাহা*
*জীয়াই থাকোতে কৰে ৰুৱা কামি*
*মৰিলে লগতে যায়।*

প্ৰফুল্ল দত্ত গোস্বামীৰ মতে— 'অসমীয়া গীতত দেহক 'নাও' বোলাৰ উপৰি 'ভেলো' বোলা হয়। ভেল বা জকা শব্দটোৱে পাৰ্থিৱ জীৱনৰ অসাৰতাৰ ছবি এটা মনৰ চকুত তুলি ধৰে। স্থুল দেহ বা ভেলটোৰ যে মূল্য নাই, গুৰু ভকতৰ কামত লাগিলেহে তাৰ সফলতা, এনে ভাব তলৰ গীতটিত ফুটি উঠিছে'—[৬]

*'কেলেইনো ফুলিলোঁ ৰূপহী মদাৰ ঐ*
*কেলেইনো পেলালোঁ কলি।*
*গুৰুতো নালাগে ভকততো নালাগে*
*আছে তলে ভৰি সৰি।।'*

লক্ষ্মীনাৰায়ণ কোঁৱৰৰ মতে বৰ্তমান মঙ্গলদৈ অঞ্চলত প্ৰচলিত দেহবিচাৰৰ গীতসমূহ এনেকুৱা—

*'অ ভৰসা নাইবে কোনদিনা পাগল হলি*
*কোন দিনা যাই চলি অ'।।*
*অ' ধন ধন কৰি মই ধন সাচিলোঁ*
*বহুদিন খাম ল'ম বুলি অ' হায় হায়..... ।।*
*ধন বৈলা পৰি দেহা গৈলা চলি*
*যেন কচুপাতৰ পানী ঐ*
*অ' মোৰ দেহাৰ ........ ।।*

কোনো কোনো ঠাইত আকৌ এনেদৰেও গোৱা হয়—

*দিহা ঃ দেহা সোণোৱালী যমুনাৰে বালি*
*চিৰদিন নাথাকে বৈ।*
*এদিন নহয় এদিন মৰিব লাগিব*
*মাটিতে মিহলি হৈ।।*
*পদ ঃ সৰুৰে পৰা মই ঘৰ বান্ধিলোঁ*
*বহুদিন খাম ল'ম বুলি।*
*নমৰাৰ আগতে টানি বাহিৰ কৰে*
*ঘৰ চুৰা যাব বুলি।।*
*টানি বাহিৰ কৰি মেৰাই মেৰাই বান্ধে*
*তিনিভৰি জুখি চিতাখন সজাই*
*তাতে তুলি ধৰি দিয়ে।*

প্ৰফুল্ল দত্ত গোস্বামীয়ে ফকৰাৰ লগতো দেহবিচাৰৰ গীতৰ মিল দেখুৱাইছে। বৈষ্ণৱ ভকতসকলৰ মুখত শুনা ফকৰাবিলাকত দেহাৰ অসাৰতাৰ কথা প্ৰতিপন্ন কৰিছে। নিদৰ্শন হিচাপে তেওঁ দেখুৱাইছে— 'নাৰায়ণ ঠাকুৰ আতা ডিংগা নগৰত বাণিজ্য কৰি আছিল। কেতবিলাক সাউদে তেওঁৰ কথা ৰজাৰ আগত লগালে। কিন্তু, তেওঁৰ কথা বতৰাত সন্তোষ পাই ৰজাই তেওঁক শাস্তিতো নিদিলেই বৰং মুঁদেহে পাতিলে। এই কথাটোকে ক'বলৈ—

পুখুৰীত পানী নাই পাৰ কিমতে বুৰে।
পিজৰাত পানী নাই ৰাজহাঁস কিমতে চৰে।

বুলি উল্লেখ কৰিছে। অৰ্থাৎ হৃদিপদ্মত ভক্তিজ্ঞান নহ'লেও শৰীৰে কেনেকৈ ৰস পাব? আৰু সেই পিঞ্জৰাৰূপে দেহাত ঈশ্বৰ হংসৰূপে চৰিব পাৰেনে?[৭] বুলি কৈছে।

ফকৰাত যি ভাষা প্ৰয়োগ কৰা হয়, এনে প্ৰহেলিকাময় ভাষা দেহবিচাৰৰ গীতৰ লগতে জিকিৰ আদিতো লক্ষ্য কৰিব পাৰি।

**টোকাৰী গীত ঃ**

অসমৰ লোকগীতৰ আন এবিধ উপাদান হৈছে টোকাৰী গীত। উজনি অসমৰ এক বিশেষ লোকবাদ্য হৈছে 'টোকাৰী'। এই টোকাৰী বজাই বা টোকাৰীৰ লগত যিবোৰ গীত গোৱা হয় তাকে টোকাৰী গীত বোলে।

লীলা গগৈৰ মতে— 'টোকাৰী নাম টোকাৰীক বাদ্য হিচাপে লৈ গোৱা এবিধ দেহবিচাৰৰ গীত। টোকাৰী নাম হিচাপে এটা শিৰোনাম দি সুকীয়া ভাগ এটা কৰা হৈছে, কিয়নো গোটাচেৰেক নাম টোকাৰীৰ লগত গোৱাৰ উপৰিও টোকাৰীৰ উৎপত্তি সম্পৰ্কে বিৱৰণ আছে।'[৮]

লোক-সাহিত্য যিহেতু লোক-বিশ্বাসৰ পটভূমিতে ৰচিত সেয়েহে টোকাৰীৰ উৎপত্তি সম্পৰ্কীয় কাহিনীত দেহবিচাৰৰ

৬। দত্ত গোস্বামী, প্ৰফুল্ল ; 'অসমীয়া জনসাহিত্য', বাণী প্ৰকাশ, ১৯৪৮, পৃঃ ১১১
৭। দত্তগোস্বামী প্ৰফুল্ল, 'অসমীয়া জন সাহিত্য', বাণী প্ৰকাশ, ১৯৪৮, পৃঃ ১১২
৮। গগৈ, লীলা, 'অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা', বনলতা সংস্কৰণ, বনলতা, ডিব্ৰুগড়, ২০০৮, পৃঃ ৬৮

গীত আৰু টোকাৰী গীতবোৰ একে। মাথোন উজনি অসমত দেহবিচাৰৰ গীতবোৰ টোকাৰী বজাই গোৱা হয় বাবে এনে দেহবিচাৰৰ গীতক টোকাৰী গীত বোলা হয়।

টোকাৰী নামৰ বিশেষত্ব এনেধৰণৰ— মানুহৰ জীৱনটো কচুপাতৰ পানীৰ দৰে, দুদিনীয়া। এই দুদিনীয়া জীৱনকালতে মানুহে সংসাৰ চলোৱাৰ লগে লগে পৰমাৰ্থও সাধন কৰিব লাগে। টোকাৰী নামৰ ৰচকে টোকাৰীৰ লগত মানুহৰ দেহৰ সম্পৰ্কক বিচাৰি পাইছে, সেইবাবেই টোকাৰীৰ লগত দেহবিচাৰৰ গীত গায়। লোকবিশ্বাসৰ ভেটিত ৰচিত নাম বা গীত, দেহবিচাৰৰ গীত গোৱাৰ উপৰিও কিছুমান মালিতাও টোকাৰী বজাই গোৱা হয়। এনে গীতৰ ভিতৰত পৰে বিশেষকৈ পগলা-পাৰ্বতীৰ গীত। যেনে—

*যেতিয়া বিৰিখে দুই পাত মেলিলে*
*তললৈ মেলিলে শিয়া।*
*সেই গছে জুপি সাজে মহাদেৱে*
*টোকাৰী সাজোঁগে দিয়া।*

× × × × ×

*আমৰে চামৰে দুখনি কটাৰী*
*কৈলাশত আছিলে ৰৈ।*
*কৈলাশত টোকাৰী কোনে আনি দিলে*
*শংকৰে আনিলে গৈ।।*

মানৱ দেহৰ ইড়া, পিঙ্গলা, চিত্ৰা আৰু সুষুম্না এই চাৰি গছি নাড়ীৰ লগত টোকাৰীৰ চাৰিগছ গুণাৰ সম্পৰ্ক বিচাৰি উলিয়াইছে এনেদৰে—

*ইপলা, পিঙ্গলা, চিত্ৰা, সুষুম্না*
*এই চাৰি গছি গুণা।*

আন এটি টোকাৰী নামত গোটেই টোকাৰীখনকেই এটি আধ্যাত্মিকতা প্ৰদান কৰিছে—

*কোনে আহি ভৈলা টোকাৰীৰ খোলা*
*কোনে আহি ভৈলা গুণা।*
*ইংগলা পিংগলা*
*মহাধৰ্মে আহি টোকাৰীৰ খোলা*
*পাৰ্বতী বাটিলে গুণা।*
*ঈঙ্গলা পিঙ্গলা সুষুম্না এ চিত্ৰা*
*এইনো চাৰি গছি গুণা।*
*চাৰি মহুৰাই চাৰিটি শৰণে*
*চৈধ্য পাৰিষদে কাণৰে জগালে*
*দান্তে ঘোৰ ভৈলা আসি।*
*ভকতি ভোমোৰা হৃদয়ত গুঞ্জৰে*
*অনন্তই ভৈলা নালটি।*

টোকাৰী নামত দেহৰ ভিতৰত চাৰিডাল নাড়ীৰ কথা উল্লেখ কৰাৰ দৰে জাগতিক জীৱনৰ জালত বা ফান্দত নপৰাকৈ জীৱই কেনেদৰে সদ্গতি লাভ কৰিব পাৰে তাৰবাবে সতৰ্কবাণী শুনাইছে এনেদৰে—

*বাটে বাটে যাবা    মূৰ দাঙি নেচাবা*
*বেইচাত নকৰা ৰতি।*
*সাতো সাতো পুৰুষ    নৰকত পৰিব*
*জীৱৰ হ'ব অধোগতি।।*

টোকাৰী নামত ঠাইবিশেষে শংকৰ-মাধৱৰ নাম উল্লেখ আছে। কিন্তু এইবোৰ অৰ্বাচীন বুলি ধাৰণা জন্মে।

*বৰদোৱা থানতে    শংকৰ জনম ল'লে*
*ভকতিৰ লগালে পাক।*
*বাহসন বিলাকক    ভুটীয়া বুলিলে*
*ভকত বা বুলিলে কাক।*
*তিনিআলিৰ মূৰতে    শংকৰ বহি আছে*
*ভক্তে জুমি জুমি চায়।*
*অন্ধলা মনিচে    সাগৰখন জুখিলে*
*তাৰ তত্ত্বভেদ নাই।।*

টোকাৰী বজাই গোৱা এই দেহবিচাৰৰ গীতবোৰৰ ভাৱৰ উচ্চতা আৰু ৰচনাৰ সৰলতা প্ৰকাশ পাইছে এনেদৰে—

*জীৱৰ পৰিচয়    আত্মা নিশ্চয়*
*তেহে জীৱৰ পৰিচয় হয়।*
*ভকতিৰ ভকতি    ঈশ্বৰত মুকুতি*
*তেহে জীৱ তৰিয়া যায়।।*

সংসাৰৰ অনিত্যতাই দেহবিচাৰৰ গীত আৰু টোকাৰী নাম বা গীতবোৰৰ মূল বক্তব্য। জীৱই জনম লৈ ডাঙৰ-দীঘল হোৱাৰ পিছতে মায়া-পাশত আবদ্ধ হয়। মায়াত অন্ধ হৈ মোহান্ধ জীৱই জীৱাত্মা-পৰমাত্মা, ইহকাল-পৰকাল, মৃত্যু আদিৰ কথা পাহৰি থাকে। কিন্তু, যিদিনা মৃত্যুৰ দুৱাৰমুখত উপস্থিত হয় তেতিয়াহে দম্ভ-অহংকাৰ পৰিহাৰ কৰি ভগৱানৰ শ্ৰীচৰণ চিন্তা কৰিবলৈ সময় পায়। আকৌ, যিখন ঘৰক নিজৰ ঘৰ বুলি মোহান্বিত হৈ আছিল সেইখন ঘৰ চুৰা যাব বুলিয়েই মৃত্যুৰ আগমুহূৰ্তত বাহিৰলৈ উলিয়ায়। যাক আপোন মানুহ বুলি আঁকোৱালি আছিল, তেওঁলোকো লগত নাযায়। লগত যায় মাথোন দুডালি জাতি বাঁহ আৰু দুচলা খৰি। এই গভীৰ তত্ত্বৰ নিদৰ্শন—

*সৰু কালৰ পৰা    ঘৰ সাজি ভাঙি*
*শিৰৰো পকালো চুলি*
*অন্তিম বেলিকা    বাজলৈ উলিয়ায়*
*ঘৰ চুৰা যাব বুলি।।*

*বাৰীৰে কোণৰে    জাতিবাঁহ এজুপি*
*সিও মোৰ সোদৰৰ ভাই।*
*জীয়াই থাকোঁতে    কৰোঁ কাঠী-কামি*
*মৰিলে লগতে যায়।।*

× × × × ×

*ধন-জন পুত্ৰ-ভাৰ্যা মিছা-মায়াৰ জৰী*
*মিছাতে মৰিছে জীৱে অহংকাৰ কৰি।।*
*দেহকে কৰিছোঁ আশা যাব মাটি জুই।*
*লগত সাৰথি যাব পাপ-পুণ্য দুই।।*

টোকাৰী গীতক যে জখলাবন্ধীয়া গীত বুলিও কোৱা হয় এই সম্পৰ্কে লক্ষ্মীনাৰায়ণ কোঁৱৰে 'মঙলদৈৰ থলুৱা লোকগীত' শীৰ্ষক গ্ৰন্থত লিখিছে এনেদৰে— জখলাবন্ধাৰ এজন লোকে মঙলদৈ অঞ্চলত বহুদিন ধৰি ধৰ্মীয় গীত-মাত টোকাৰী গীত আদি প্ৰচলন কৰিছিল বাবে বহুতে ইয়াক জখলাবন্ধীয়া গীত বুলিও কয়।

টোকাৰীৰ লগত তাল (মঞ্জুৰী) সংগতি কৰাৰ উপৰিও উপাং আৰু ডগৰ বহু সময়ত ব্যৱহাৰ কৰা দেখা যায়। যেনে—

*দিহা ঃ    হে বাপু পণ্ডিত এ তোমাকে কৰো সেউ।*
*তিনটা কথাৰ প্ৰশ্ন সোধো কওঁতা নাই কেউ।।*
*বাপু পণ্ডিত এ ......... ।*
*পদ ঃ    এক গুটি গৃহস্থৰ মধ্যে চৈধ্য গুটি গৰু।*
*মনে হৈলা ৰাখোৱাল বুদ্ধি ভৈলা লৰু।।*

× × × × ×

*দিহা ঃ    অ' হৰি শ্ৰীগুৰু শংকৰ কৰুণা সাগৰ*
*পাতিলা মায়াৰে খেলা।।*
*পদ ঃ    পণ্ডিতে নাজানে    বেদৰ সাৰতত্ত্ব*
*মূৰুখে কিমতে জানে।।*
*ই চাৰিবেদৰ    গীতা বাহিৰ ভৈলা*
*গুৰুৰ কৃপাক পাই।*
*গীতা শাস্ত্ৰখান    সমুদ্ৰ সমান*
*কাৰো মতি মান নাই।।*

সাহিত্য কৃতি হিচাপে দেহবিচাৰৰ গীতবোৰৰ আকৰ্ষণ বৰ বেছি নহ'লেও সাহিত্যিক গুণ বিদ্যমান। ঠায়ে ঠায়ে ব্যৱহাৰ হোৱা উপমা, ৰূপক আৰু প্ৰতীক আদি অলংকাৰে গীতবোৰক সমৃদ্ধ কৰি তুলিছে। ইয়াৰোপৰি এটা বিশেষ আদৰ্শৰ ধাৰক আৰু বাহকৰূপে গীতবোৰ তাৎপৰ্যপূৰ্ণ।

দেহবিচাৰৰ গীতত প্ৰতীকৰ যোগেদি দেহটোক উপলব্ধি কৰিবলৈ চেষ্টা কৰা হয়। মানৱ দেহক ঘৰ, নাও, গছ আদি প্ৰতীকৰ সহায়ত প্ৰত্যক্ষ কৰা হৈছে—

*চৈধ্য ইন্দ্ৰ ভৈলা    শিমলুৰে খুঁটা*
*সিও লৰফৰ কৰে।*
*টাটকীয়া ঘৰ    বাগৰি পৰিলা*
*জীৱ গৈলা অকলশৰে।।*

দেহক নাও, মনক কাণ্ডাৰী হিচাপে লৈ মনৰ ইচ্ছা অনুযায়ী যে ইন্দ্ৰিয়বোৰে কাম কৰে তাকে দেখুৱাইছে। দেহবিচাৰৰ গীতত নাৱৰ প্ৰতীকৰ ব্যৱহাৰ এনেধৰণৰ—

*অকাঠী কাঠৰে    নৌকা সাজিলোঁ*
*পৱন কাঠৰে ব'ঠা।*
*স্বৰ্গক যাইবাৰ    যাৰ ইচ্ছা আছে*
*নৌকাৰ কড়িতে উঠা।*

× × × × ×

*আগ নাই গুৰি নাই মধ্যে নাই চৈ।*
*কাণ্ডাৰী নহ'লে নৌকা ফুৰে ৰই ৰই।।*
*আগ নাই গুৰি নাই মধ্যে নাই সিৰি।*
*কাণ্ডাৰী নহ'লে নৌকা ফুৰে ঘূৰি ঘূৰি।*

ঠিক তেনেদৰে চৰ্যাপদতো তেনে প্ৰতীক বিদ্যমান—

*কা আ তৰুবৰ পঞ্চ বি ডাল।*
*চঞ্চল চী এ পইঠো কাল।।*

ৰাতিখোৱা বা পূৰ্ণজোৰান গীতবোৰৰ আংগিক ৰূপকধৰ্মী। যেনে—

*বৈমনী পুৰতে    বেবহাৰ পাতিয়া*
*শুকুৰাই লগাইছে মাত।*
*দেৱতাৰ কৰণি    মনুষ্যে আচৰো ঐ*
*বেহাই অময়াৰে হাট-যোৰ বান্ধৰ।।*

ইয়াত ব্যৱহৃত 'বৈমনীপুৰ', 'বেৱহাৰ', 'অময়াৰ হাট'— আদি আটাইবোৰ কথাই ৰূপক। ভালেমান দেহবিচাৰৰ গীত আৰু টোকাৰী গীতত 'নাও' আৰু 'ঘৰ'ক মানুহৰ দেহৰ লগত তুলনা কৰা হৈছে।

ইয়াৰোপৰি নিৰ্মলপ্ৰভা বৰদলৈয়ে— অসমীয়া লোক কবিতাৰ মাজতো দেহতত্ত্বৰ বিচাৰ আৰু আধ্যাত্মিকতাৰ দিশ এটাও আছে বুলি 'অসমৰ লোক কবিতা' গ্ৰন্থত উল্লেখ কৰি গৈছে। ইয়াৰ নিদৰ্শন—

*চাইনো চাই বুলিবি বাট*
*দেহাৰে ভিতৰত আছে খলা-বমা*
*পিছলি পৰিবা তাত।*

**সামৰণি ঃ**

অসমীয়া সাহিত্যৰ এই অমূল্য গীতি সম্পদৰাজি উচ্চ ভাবাপন্ন দেহবিচাৰৰ গীত , টোকাৰী গীত আৰু পৰম্পৰাগত

মালিতাবোৰ বৰ্তমান সময়ত টোকাৰী বজোৱা মানুহবোৰে নাগায়। পূৰ্বতে টোকাৰীখন আছিল গাঁৱৰ সহজ-সৰল, হোজা, অনাখৰী বৈৰাগীসকলৰ হাতত। বৈৰাগীসকলে পৰম্পৰাগতভাৱে এই গীতবোৰ গাইছিল। সম্প্ৰতি বৈৰাগীসকলৰ ঠাই দখল কৰিলে আনুষ্ঠানিক শিক্ষাৰে শিক্ষিত, ধন, যশস্যা কৃতিৰ বাবে লালায়িত হোৱা এচাম লোকে। তেওঁলোকে পৰম্পৰাগত, আপুৰুগীয়া এই গীত মাতবোৰক নিজৰ একোটা ফলদায়ক ব্যৱসায়লৈহে টানি লৈ যোৱা যেন বোধ হয়। তাতোকৈ দুখৰ বিষয় যে গীতবোৰৰ পুৰণি সুৰটোক বেসুৰা কৰি তাৰ আৰ্হিত ৰচিত কিছুমান মনে সজা গীতকো দেহবিচাৰৰ গীত আৰু টোকাৰী গীত বুলি সমাজত প্ৰচাৰ কৰাৰ এক চেষ্টা চলোৱা দেখা যায়।

যি কি নহওক, অসমৰ সাংস্কৃতিক জীৱনৰ ইতিহাসত এইবোৰ গীতৰ এক সুকীয়া মৰ্যাদা আছে। জীৱন বিমুখ ধাৰণাৰে এখনি বৈষম্যহীন সমাজ গঢ়াৰ নিখুঁত আদৰ্শৰে মহীয়ান এই গীতবোৰৰ মৰ্যাদা চিৰকাল অটুট থাকিব।

গীতবোৰৰ অন্তৰ্নিহিত দৰ্শন আৰু আদৰ্শই চিন্তাশীল মনৰ পৰিচয় বহন কৰে।

ৰূপক, প্ৰতীক, উপমাৰ ব্যৱহাৰে সৰল দুলড়ী ছন্দত ৰচিত গীতসমূহ সঁচাকৈয়ে অপূৰ্ব। দেহবিচাৰৰ গীতবোৰৰ আদৰ্শ আৰু লক্ষ্য বাস্তৱধৰ্মী। বাৰ্ধক্যই বেৰা জীৱন, আলাই-আথানি হোৱা মৃতদেহকে আদি জীৱন বিষাদ সম্পৰ্কীয় চিত্ৰবোৰে নিৰৰ্থক মানৱদেহৰ কথাকেই স্পষ্টৰূপত ফুটাই তুলিছে।

শেষত, দৃঢ়ভাৱে ক'ব পাৰি যে— ধৰ্ম, দৰ্শন, আদৰ্শ, গূঢ়াৰ্থ আৰু চৰ্যাপদ, বৰগীত, চিয়াগীত, জিকিৰ আদিৰ ভাবেৰে মিশ্ৰিত দেহ বিচাৰৰ গীতবোৰ অসমৰ লোকসাহিত্যৰ বহুমূলীয়া সম্পদ।

**প্ৰসঙ্গপুথি ঃ**

১। গগৈ, লীলা ঃ অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা, বনলতা সংস্কৰণ, ডিব্ৰুগড়, ২০০৮
২। গোস্বামী, প্ৰফুল্ল দত্ত ঃ অসমীয়া জন-সাহিত্য, বাণী প্ৰকাশ, প্ৰথম সংস্কৰণ, ১৯৪৮
৩। নেওগ, যজ্ঞেশ্বৰ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা, বাণী মন্দিৰ, ডিব্ৰুগড়, ষষ্ঠ তাঙৰণ, ১৯৮৬
৪। শৰ্মা, লাৱণ্য ঃ লোকগীত আৰু অসমৰ থলুৱা গীত-মাত, প্ৰথম প্ৰকাশ, ২০০৬
৫। শৰ্মা, শশী ঃ অসমৰ লোক-সাহিত্য, ষ্টুডেণ্ট ষ্ট'ৰচ, প্ৰথম প্ৰকাশ, ১৯৯৩
৬। শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, নৱম সংস্কৰণ, ২০০০
৭। শৰ্মা, হিতেন (সম্পাঃ) ঃ লোককথা (স্মৃতিগ্ৰন্থ) লুইত শিল্পী সমাজ, ডিগবৈ, ১৯৯৪
৮। শৰ্মা, হেমন্ত কুমাৰ ঃ অসমীয়া লোকগীতি সঞ্চয়ন, দ্বিতীয় সংস্কৰণ, ১৯৯০ঃ অসমীয়া সাহিত্যত দৃষ্টিপাত, বীণা লাইব্ৰেৰী, গুৱাহাটী, নৱম সংস্কৰণ, ২০০৩

"মই মাটিৰ গড় বান্ধিম খহিব, কাঠৰ গড় বান্ধিম পছিব, মই কথাৰ গড় বান্ধি দিছো প্ৰাণপৰিভূগী হব।"

**— দেওধাই অসম বুৰঞ্জী**



# অসমীয়া ফকৰা-যোজনাত নাৰী

মৰমী গায়ন, *সহযোগী অধ্যাপিকা,* অসমীয়া বিভাগ

লোক-জীৱনৰ স্বৰূপ প্ৰকাশেই হৈছে লোক-সাহিত্যৰ ধৰ্ম। প্ৰকৃততে এই সাহিত্য জনসাধাৰণৰ জীৱনৰ অভিজ্ঞতা আধাৰিত সৃষ্টিশীল মনৰ প্ৰকাশ। লিখিত সাহিত্যৰ সৃষ্টিৰ বহু আগৰে পৰাই লোক-সাহিত্যই সৃষ্টিশীলতাৰ স্বাক্ষৰ বহন কৰি আহিছে মৌখিক ৰূপত। এটা প্ৰজন্মৰপৰা আনটো প্ৰজন্মলৈ পৰম্পৰাগতভাৱে মুখ বাগৰি আহিছে এই লোক-সাহিত্যবোৰ। বিশ্বৰ আন আন লোক-সাহিত্যৰ দৰে অসমীয়া লোক-সাহিত্যও অতি পুৰণি কালৰেপৰা নিৰক্ষৰ জনসাধাৰণৰ মাজত ৰচিত আৰু প্ৰচাৰিত হৈ আহিছে। অসমীয়া লোক-সাহিত্যৰ এটা প্ৰধান অংগ হ'ল ফকৰা-যোজনাবিলাক। ফকৰা আৰু যোজনাক সমাৰ্থকৰূপত ফকৰা-যোজনা বুলি সামৰি থ'লেও ইয়াৰ মাজত পাৰ্থক্য আছে।

অসমীয়া ফকৰা যোজনা বিলাকৰ মাজত অসমীয়া জনবিশ্বাসৰ দিশটো প্ৰকটিত হোৱা দেখা যায়। এটা জাতিৰ সাংস্কৃতিক বৈশিষ্ট্য, চিন্তা প্ৰণালীৰ ধাৰাক জনবিশ্বাসে ধৰি ৰাখে। জনবিশ্বাসৰ গভীৰতা আৰু সত্যতাৰ ওপৰতেই তেওঁলোকৰ জাতীয় জীৱনৰ মৌলিকতা আৰু সংস্কৃতিৰ মানদণ্ড নিৰ্ভৰ কৰে। ফকৰা-যোজনাবোৰ অসমীয়া জাতীয় জীৱনৰ বিভিন্ন দিশৰ জনবিশ্বাসৰ ওপৰত ৰচিত। ফকৰা-যোজনাৰ মাজেৰে কওঁতাজনৰ সূক্ষ্ম পৰ্যবেক্ষণ, ভাব প্ৰকাশিকা শক্তি আৰু বাক্ চাতুৰ্যৰ উমান পোৱা যায়। ফকৰা-যোজনাবোৰ লোকজীৱনৰ অভিজ্ঞতাৰ পৰাই সৃষ্ট বাবে ইয়াৰ মাজেৰে সমাজখনৰ চিত্ৰ বৰ সুন্দৰকৈ প্ৰকাশ পোৱা দেখা যায়। বিষয়ৰ প্ৰাসংগিকতালৈ লক্ষ্য ৰাখি ফকৰা-যোজনাৰ মাজেৰে প্ৰতিফলিত নাৰী বিষয়ক দিশসমূহ বিচাৰি চোৱাৰ প্ৰয়াস কৰা হৈছে।

পুৰণি কালৰপৰা আমাৰ সমাজত নাৰীৰ প্ৰতি থকা দৃষ্টিভঙ্গী আৰু সমাজত নাৰীৰ স্থান সম্পৰ্কে ফকৰা-যোজনাবিলাকে আভাস দিয়ে। অসমীয়া সমাজৰ একোখন গৃহস্থী আৰু সমাজত একোগৰাকী নাৰীয়ে কেনেদৰে বিশিষ্ট স্থান লাভ কৰি আছে তাৰ সাক্ষী বিচাৰি পোৱা যায় ফকৰা-যোজনাসমূহত। ফকৰা-যোজনাসমূহ অধ্যয়ন কৰিলে অসমীয়া তিৰোতাৰ বহুমুখী চৰিত্ৰৰ এটা বিৰাট অধ্যায় ওলাই পৰে। ফকৰাবোৰ লক্ষ্য কৰিলে তাৰ মাজত তিৰোতাৰ ভাল-বেয়া দুয়োটা দিশ ওলাই পৰে। কিন্তু সেই দিশলৈ লক্ষ্য নকৰি আমাৰ সাংস্কৃতিক ৰূপটোক ফকৰা-যোজনাই কিমানখিনি সামৰিব পাৰিছে তাৰ ওপৰতে গুৰুত্ব দিয়া হৈছে।

আমাৰ সমাজত মাতৃৰূপত নাৰীক অতি শ্ৰদ্ধাৰে ওখ আসন দিয়া হয়। অসমীয় সমাজত  এগৰাকী মাতৃক কেনেদৰে গভীৰ আস্থা আৰু শ্ৰদ্ধাৰ চকুৰে চোৱা হয় এষাৰ কথাৰ মাজতে ফুটি উঠে এনেদৰে—

নৈৰ সমান বব কোন,
আইৰ সমান হ'ব কোন?

সঁচাকৈয়ে মাতৃতকৈ শ্ৰেষ্ঠ আৰু মমতাময়ী কোনো নাই। সেয়ে ফকৰা-যোজনাত আছে—

আই আছে যদি খাই যা,
আই নাই যদি চাই যা।

আকৌ মাতৃৰূপত নাৰীক মমতাময়ীৰূপত স্বীকৃতি দিলেও মাহী আইৰ ক্ষেত্ৰত কিন্তু একে দৃষ্টিভঙ্গীৰে চোৱা নাই। মাহী আই বুলিলে সততে কাঠচিতীয়া, নিদাৰুণী, নিষ্ঠুৰৰূপ এটা ধাৰণা হয়—

কিনো মাহী আইৰ গুণ
খোজো খাৰণি দিয়ে লোণ।

মাহী আইৰ এনে ৰূপ লোক-সাহিত্যৰ অন্তৰ্গত সাধুকথাবোৰত দেখা যায়— যেনে তেজীমলা, তুলা আৰু তেজা ইত্যাদি। মাহী আই হ'লে যেন সতীয়া ল'ৰা-ছোৱালীক খোৱা-বোৱাত কষ্ট দিয়েই নেৰে, মাত-কথা, শোৱা-লোৱাতো লেকেচা-থেকেচা। ফকৰা-যোজনাই মাহী আইৰ ৰূপত নাৰীৰ এই চাৰিত্ৰিক দিশক প্ৰকাশ কৰিছে এনেদৰে—

আটাইতকৈ তিতা নেমুটেঙাৰ পাত
তাতকৈ তিতা মাহী আইৰ মাত।

সেইদৰে—

মোৰ নহয় সতিনীৰ পো
ঢাৰি-পাটি নাই মাটিতে শো।

মাহী আই বুলিয়েই নহয়, সতিনীৰ ক্ষেত্ৰতো নাৰীক নিৰ্দয়াৰূপেই

দেখুৱাইছে।

অসমীয়া মানুহৰ ঘৰ এখনত গিৰিহঁতকৈ গিৰিহঁতনী বা ঘৈণীৰ আধিপত্য বেছি, গিৰিহঁতনীক বাদ দি অসমীয়া ঘৰ বা গৃহস্থালি হ'ব নোৱাৰে। একোখন ঘৰ গঢ়ি তোলাত নাৰীৰ সহায়ৰ তুলনা নাই। ঘৰৰ গৃহস্থই কোনো কথা সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত পত্নী বা পৰিবাৰৰ মতামত গ্ৰহণ বিচৰা দেখা যায়। ফকৰাত আছে এই কথা—

ঘৰৰ ঘৈণী ল'ৰাহঁতৰ মাক
তোমাক নুসুধি সুধিম কাক?

ঘৰৰ সৌন্দৰ্য ঘৈণীহে। তেওঁৰ ওপৰতে যে ঘৰৰ সকলো ভাল-বেয়া নিৰ্ভৰ কৰে এই কথা আছে এনেদৰে—

ভাৰ্যা নহ'লে কিহৰ ঘৰ
স্নেহ নহ'লে কিহৰ সাদৰ।

যি ঘৰত স্ত্ৰী-পুৰুষ উভয়ে সমিল-মিল হৈ দৈনন্দিন কৰ্তব্য সম্পাদন কৰে সেইখন গৃহস্থালি আদৰ্শপূৰ্ণ আৰু তাত কৰ্তব্যও অটুট থাকে।

তিৰীয়ে পুৰুষে হ'বা একমতি
তেহে সিজিব হৰিত ভকতি।

মতা-মাইকীৰ ভিতৰত মনান্তৰ ঘটিলে সেই ঘৰত শ্ৰীবৃদ্ধি নহয় আৰু তাত গাৰ্হস্থ্য জীৱনৰ সৌন্দৰ্য আৰু শৃঙ্খলাও নাথাকে।

ভায়ে ভায়ে দ্বন্দ্ব লাগে পৰে পাই আস
মতা-মাইকীয়ে দ্বন্দ্ব লাগে ঘৰেই পৰবাস।

বিবাহৰ পিছত নিজৰ পুতেক বেলেগ হোৱা দেখিলে মাক-বাপেকেও আক্ষেপ কৰে—

জী তুলিলো জোৱাইৰ বুকুত
পো তুলিলো বোৱাৰীৰ বুকুত।

অসমীয়া সমাজত বিবাহৰ বাবে ছোৱালী চোৱাৰ ক্ষেত্ৰত ছোৱালীজনীৰ মাককো অধ্যয়ন কৰা হয়। যেনে—

মাটি কিনিবা মাজ খাল
ছোৱালী আনিবা মাক ভাল।

আকৌ নিজৰ ছোৱালীক মাক-বাপেকে শলগাটো স্বাভাৱিক কথা। কিন্তু যিজনী ছোৱালীক ওচৰ-চুবুৰীয়া, দহে শলাগে সেই ছোৱালীহে ভাল।

মাকে শলাগে, বাপেকে শলাগে ভাল।
ওচৰ-চুবুৰীয়াই যাক শলাগিব,
সেয়েহে ছোৱালী ভাল।

ছোৱালী চোৱা মানুহবোৰো বৰ টেঙৰ আছিল—

কটাৰীৰ চিকুন গুৱা, টোপনিৰ
চিকুন পুৱা।
জাকৈ বাওতে ছোৱালী চাবা
কোন কেনেকুৱা।।

নাৰী হৈছে ঘৰৰ লখিমীস্বৰূপা। নাৰীৰ সৎ-গুণ আৰু সাদৰী গুণে এখন ঘৰৰ শ্ৰীবৃদ্ধি দোপতদোপে তুলি আনিব পাৰে। এনে নাৰীৰ প্ৰতি লক্ষ্য কৰি ফকৰা-যোজনাত কোৱা হৈছে—

ঘৈণীয়েই ঘৰ
ঘৈণী নহ'লে লৰখৰ।

ঘৰ ধৰা নাৰীগৰাকী কেনে হোৱা উচিত? সমাজেনো কেনে নাৰীক প্ৰশংসা কৰে, ফকৰা-যোজনাৰ পৰাই বুজিব পাৰি—

গুৰু সেৱে অতিথি পূজে
সেই নাৰী সদা সুখকে ভুঞ্জে।

গুৰুজনাৰ প্ৰতি শ্ৰদ্ধা-ভক্তি, অতিথিৰ সেৱা-শুশ্ৰূষা কৰা নাৰীগৰাকীক সমাজে যি ভাল নাৰীৰূপে স্বীকৃতি দিয়ে সেইদৰে সঘনে বজাৰ-সমাৰ কৰি ঘূৰি ফুৰা নাৰীক কিন্তু মুঠেই গ্ৰহণ কৰিবলৈ নিবিচাৰে—

মাছৰ নানিবা সৰু কুটা
তিৰীৰ নানিবা বজাৰ লুটা।

নাৰী স্বভাৱতেই ৰূপবিলাসী। ৰূপ চৰ্চা নাৰীৰ এক স্বাভাৱিক প্ৰৱণতা। লোক সমাজেই হওক বা শিষ্ট সমাজেই হওক সৌন্দৰ্যৰ প্ৰতি নাৰীৰ এক দুৰ্বলতা আছে। লাহ-বিলাহ কৰি নিজকে সজাই-পৰাই ধুনীয়া কৰি ৰখা নাৰীৰ প্ৰতি কটাক্ষ কৰি ফকৰা-যোজনাত কৈছে—

তিনিডাল চুলি তাকে বান্ধে তুলি
পৈয়েকে আহি ভাল দেখক বুলি।

অলংকাৰৰ প্ৰতি থকা হাবিয়াসৰ বাবেই নাৰীয়ে স্বামীৰ ওচৰত আবদাৰ ধৰে। কিছুমান নাৰীৰ অলংকাৰৰ প্ৰতি ইমানেই মোহ যে এসাজ নাখালেও নাই, অলংকাৰ পিন্ধিবলৈ কিন্তু লাগিবই। ইফালে স্বামীৰ সেই সামৰ্থ নাথাককেই। ফকৰা-যোজনাত নাৰী চৰিত্ৰৰ এইটো দিশৰ প্ৰতি লক্ষ্য কৰা হৈছে এনেদৰে—

খাবলৈ নাই পুঠি
তিৰোতাই বিচাৰে সোণৰ আঙুঠি।

অলংকাৰৰ প্ৰতি নাৰী চৰিত্ৰৰ দুৰ্বলতাৰ আন এটি দিশো ফকৰা-যোজনাত উন্মোচিত হৈছে এনেদৰে—

দিব থ'ব পাৰিলে ভাল
হাতে-কাণে নিপিন্ধালে ওফোন্দাই গাল।

অসমীয়া সমাজত সু-স্ত্ৰীৰ লক্ষণ সম্পৰ্কে ফকৰা-যোজনা পোৱা যায় এনেদৰে—

যিবা দ্ৰব্য আসি গৃহে মিলয়।
তাক যত্ন কৰি সাঞ্চি থৱয়।।
অল্প অল্প কৰি ধন সঞ্চয়।
সেইমতে ধন ধৰ্ম লভয়।।
সত্য কথা কয়ে মিছা নামাতি।
শাহু-শহুৰক কৰে ভকতি।।
অতিথিক অন্ন ভুঞ্জিবাক দেয়।
তেওঁৰ ঘৰে সদা লক্ষ্মী নেৰয়।।

বৰ বিলাসী, চঞ্চল তিৰোতাবোৰৰ নৈতিকতাক ফকৰা-যোজনাবোৰে সন্দেহৰ দৃষ্টিৰে চায়। আনহাতে 'সুতিৰী-ফেদেলী' বুলি ফকৰাত উল্লেখ আছে। ফকৰাই 'সুতিৰী ফেদেলী' বুলি ক'লেও কিন্তু দৰাক দেখিবলৈ ভাল ছোৱালীহে লাগিব, নহ'লে লগৰীয়াই তাক জোকাই মাৰিব। সমনীয়াৰ ভয়ত দেখিবলৈ ভাল নোহোৱা ছোৱালীক দৰাই কৈছে—

সমনীয়া আগলৈ নোলাবি ফাপৰী
বিকথি মাৰিব মোক।

ইফালে ছোৱালীয়ে উপযুক্ত দৰা নাপালে বিয়াত সন্মতি নিদিয়াৰ কথা উল্লেখ আছে এনেদৰে—



কাঁহীত নাখাওঁ বাটিত নাখাওঁ
নাখাওঁ সঁফুৰাত গুৱা।
মনৰ জোখাই নাপাওঁ মানে
দেহকো নকৰো চুৱা।।

আনহাতেদি বৰঘৰ শুৱনী জীয়ৰী ছোৱালী উলিয়াই দিবলৈ টান হ'লেও জীয়ৰী ছোৱালী বেছিদিন ঘৰত ৰখা শোভনীয় নহয়। গতিকে 'যমে নিলেও নিয়া, জোঁৱায়ে নিলেও নিয়া' বুলি জীয়াৰী ছোৱালী বিয়া দিবলৈ পালেই মাক-বাপেকৰ শান্তি।

বিবাহৰ ক্ষেত্ৰত সু-লক্ষণীয়া ছোৱালী এজনী আনিলেও যে সকলো ঘৰতে ছোৱালীয়ে সুখে-শান্তিৰে থাকিব পাৰিব এনে নহয়। কোনো কোনো ঘৰত শাহু বোলা গৰাকীয়ে ৰাহু ৰূপ ধৰে— 'শাহু নহয় ৰাহু'।

কচু খালে খজুৱায়
শাহু হ'লে নচুৱায়
ননদ হ'লে খুটি তাল বায়।

সেয়েহে ফকৰাই জীয়ৰীক আগতেই সাৱধান বাণী শুনাই থৈছে— 'খাই ল খাই ল নৌ শাহুৰীলৈ যাওঁতে'। 'শাহুৰ বশৱৰ্তী বোৱাৰী থকা ঘৰখন ভাল' আৰু 'শাহু ভালেই বোৱাৰী ভাল' এনে কথা আছে এইদৰে—

মাছে গৰকা পাচলি খাবা
শাহুৱে গৰকা বোৱাৰী বাবা।

ইত্যাদি

সকলো মহিলাই ৰন্ধন প্ৰণালী জানিব লাগে। ৰন্ধন প্ৰণালী কলাবিদ্যাৰ অন্তৰ্গত। যি তিৰোতাই ৰান্ধিব নাজানে তাক বব-কাটিব নজনা তিৰোতাৰ দৰেই নিন্দা কৰা হয়—

ক বুলিব নোৱাৰে ৰত্নাৱলী পঢ়ে
পচলা খাবৰ জুতি নাজানে
ভোজ ৰান্ধিবলৈ ফুৰে।
ৰান্ধিব নাজানে বাঢ়িব নাজানে
খৰি মুঠা মুঠে পোৰে।
বব নাজানে কাটিব নাজানে
লোকৰ শালে শালে ফুৰে।

ইত্যাদি।

ভাল ৰান্ধনীৰ লক্ষণ সম্পৰ্কে আছে—

যি নাৰী ৰন্ধন শালক যায়
মিষ্ট কৰি পাক কৰে সদায়।।
নাহি মাত-বোল নকৰে দ্বন্দ্ব
খঙ তোলালেও নোবোলে মন্দ।।
যিটো গৃহস্থৰ বাঢ়য় শ্ৰী
বোলয় ডাকে সেই লক্ষ্মী স্ত্ৰী।।

বাহ্যিক লক্ষণৰ পৰা নাৰীৰ নৈতিক চৰিত্ৰ সম্পৰ্কে জানিব পাৰি। বাহ্যিক আচৰণত নাৰীৰ মনৰ ভাব প্ৰকাশ পায়। সতী নাৰীৰ লক্ষণ সম্পৰ্কে ফকৰা-যোজনাত উল্লেখ আছে এনেদৰে—

সৰু সূতা কাটে বোৱয় তাঁত
চা-চুবুৰীয়াই নুশুনয় মাত
ৰন্ধন শালত নালাগে কালি
ডাকে বোলে তেওঁ ৰান্ধনি ভালি।।
আকৌ—
কাষত কলসী জলক যায়
তলমূৰ কৰি কাকো নেচায়।।
যেই পথে যায় সেই পথে আসে।
ডাকে বোলে ভাল মনক ভাষে।।

ইত্যাদি।

নাৰীৰ প্ৰতি পুৰুষৰ অবিশ্বাস আৰু সাধাৰণতে নাৰীয়ে পেটত কথা লুকুৱাই ৰাখিব নোৱাৰে বুলি কৰা ধাৰণাও ফকৰা-যোজনাত পোৱা যায়।

তিৰী লতা, তিৰী পতা
তিৰীক নক'বা সঁচা কথা।।

নাৰীৰ স্বভাৱ চৰিত্ৰ গঢ় দিয়াৰ ক্ষেত্ৰত মাতৃৰ ভূমিকা বহুত। সেয়েহে ফকৰাত আছে—

টিক বলধী ওলায় মাটি
মাক ভালেই জীয়েক জাতি।।

আকৌ আন কিছুমান ফকৰাত নাৰীৰ সম্পৰ্কে সকিয়নী দি থৈছে—

তিৰীৰ লেনিওৱা
বৰযুণৰ কণিওৱা
ঘৰ চাই নকৰে মূধচ
এই তিনিতকৈ নাই কুন্ধচ।
সেইদৰে—
বাঢ়নীৰ বুটি, তিৰোতাৰ চুটি।
অথবা
কাউৰী টেঙৰ, মাউৰী টেঙৰ।

ইত্যাদি

পুৰুষে সদায় নাৰীক বশ কৰি থ'বলৈ বিচাৰে। সেয়ে মাকৰ ঘৰলৈ যাবলৈ বিচৰা নাৰীক পুৰুষে শাসন বাণী শুনায়—

ধানো বানিবি পানীও আনিবি
পথাৰত কৰিবি কাম
মাকৰ ঘৰলৈ যাওঁ নুবুলিবি
নেগেৰা বোৱাদি বাম।

পুৰুষে নাৰীক দমন কৰাৰ বিষয়ে আন এটি ফকৰা-যোজনাত আছে—

কটাৰী ধৰাবা শিলে
নাৰীক ধৰাবা কিলে।

এনেদৰে ফকৰা-যোজনা সমূহৰ যোগেৰে নাৰী সম্পৰ্কে লোক-সমাজত প্ৰচলিত ধ্যান-ধাৰণা, নাৰীৰ স্বভাৱ-চৰিত্ৰ, সমাজত নাৰীৰ স্থান আদিৰ বিষয়ে সমাজে ধাৰণা কৰিব পাৰে। ফকৰা-যোজনাৰ মাজেৰে নাৰী চৰিত্ৰৰ কথাবোৰ আমি গ্ৰহণ কৰো-নকৰো, সেইটো সুকীয়া বিষয়। কিন্তু সাহিত্যৰ ইতিহাস আৰু সমাজ বুৰঞ্জীৰ অধ্যয়নৰ ক্ষেত্ৰত ফকৰা-যোজনাবোৰৰ মূল্য অনস্বীকাৰ্য।

সহায়ক গ্ৰন্থপঞ্জী —

(১) ড° সৰ্বেশ্বৰ ৰাজগুৰু — অসমীয়া প্ৰবাদ।
(২) ড° নিৰ্মলপ্ৰভা বৰদলৈ — অসমৰ লোক-সংস্কৃতি।
(৩) ড° প্ৰফুল্ল দত্ত গোস্বামী — অসমীয়া জন সাহিত্য।
(৪) ড° লীলা গগৈ — অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা।
(৫) হলিৰাম মহন্ত ঠাকুৰ (সংগ্ৰাহক) — ফকৰা পুথি আৰু পৰমাৰ্থ তত্ত্ব।

# অসমৰ উচ্চ শিক্ষা, বিশ্ববিদ্যালয় অনুদান আয়োগ আৰু আনুষঙ্গিক সমস্যাৱলী

কল্যাণ বৰা, *সহকাৰী অধ্যাপক*, বুৰঞ্জী বিভাগ

সাম্প্ৰতিক সময়ত অসমৰ উচ্চ শিক্ষা আৰু ইয়াৰ লগত অঙ্গাঙ্গীভাৱে জড়িত বিষয়সমূহে সমাজৰ সকলো সচেতন লোকৰে দৃষ্টি আকৰ্ষণ কৰিছে। সামগ্ৰিক দৃষ্টিত বিচাৰ কৰি চালে দেখা যায় যে, উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত কেৱল অসমতে উচ্চ শিক্ষাৰ লগত জড়িত বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ সংখ্যা চকুত লগা। বিশেষকৈ গুৱাহাটী মহানগৰ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে উচ্চ শিক্ষাৰ এক মিলনথলীত পৰিণত হৈছে। শেহতীয়াকৈ অসমৰ নৱ নিযুক্ত শিক্ষামন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাদেৱেও এই ক্ষেত্ৰত যথোচিত গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে। উচ্চ শিক্ষাৰ পূৰ্বৰ স্থবিৰতা আৰু বৰ্তমানৰ উন্নয়নৰ পৰিৱেশ ৰচনাৰ এই জটিল সন্ধিক্ষণত কেইবাটাও দিশ গুৰুত্ব সহকাৰে বিবেচনা কৰাৰ সময় আহি পৰিছে।

সম্প্ৰতি অসমৰ প্ৰাদেশীকৃত মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহত বিশ্ববিদ্যালয় অনুদান আয়োগ (U.G.C.)ৰ দ্বাৰা নিৰ্ধাৰিত সংশোধিত দৰমহা আদায় দিয়াৰ ব্যৱস্থা কৰা হৈছে। নিঃসন্দেহে অসম চৰকাৰৰ ই এক প্ৰশংসনীয় পদক্ষেপ। তদুপৰি অৱসৰ গ্ৰহণ কৰা মহাবিদ্যালয়ৰ শিক্ষকসমূহৰ বাবে কৰা পেঞ্চনৰ ব্যৱস্থাও উচ্চ শিক্ষাখণ্ডত এক যুগান্তকাৰী সংযোজন। কিন্তু, পৰিতাপৰ কথা এয়ে যে, অসমত এতিয়াও দ্বিশতাধিক অপ্ৰাদেশীকৃত মহাবিদ্যালয় আছে আৰু ইয়াৰ শিক্ষকসকলে এতিয়াও সামান্য দৰমহাতে কাৰ্যনিৰ্বাহ কৰি যাব লগা হৈছে। অৱশ্যে বৰ্তমানৰ শিক্ষামন্ত্ৰীগৰাকীয়ে অপ্ৰাদেশীকৃত শিক্ষানুষ্ঠান প্ৰাদেশীকৰণ বিধিখন বিল হিচাপে উত্থাপন কৰাৰ ফলত এই শিক্ষকসকলৰ সমস্যাসমূহ লাঘৱ হোৱাৰ আশা দেখিবলৈ পোৱা গৈছে। কিন্তু গুৰুত্বপূৰ্ণ কথা এয়ে যে বিশ্ববিদ্যালয় অনুদান আয়োগে নিৰ্ধাৰণ কৰি দিয়া সম্পূৰ্ণ অৰ্হতা নথকা অথচ প্ৰায় দশক জুৰি এনেবোৰ শিক্ষানুষ্ঠানত সেৱা আগবঢ়াই অহা শিক্ষকসকলৰ ভৱিষ্যৎ কি হ'ব? এনে শ্ৰেণীৰ শিক্ষকৰ ক্ষেত্ৰত চৰকাৰে বিশ্ববিদ্যালয় অনুদান আয়োগৰ নিৰ্দেশনাৰ বিপৰীতে নগৈ বৰ্তমানৰ সংশোধিত দৰমহা দিব নোৱাৰিলেও স্নাতকোত্তৰ শিক্ষকৰ দৰমহাৰ গাঁথনিত দৰমহা দিয়াৰ কথা চিন্তা-চৰ্চা কৰি চাব পাৰে। অৱশ্যে, শিক্ষা বিভাগে তেওঁলোকৰ বাবে নিৰ্ধাৰিত যোগ্যতা অৰ্থাৎ নেট, শ্লেট, পি. এইচ. ডি. লাভৰ বাবে এক সময়-সীমা স্থিৰ কৰি দিয়াৰ ঘোষণাটোও আদৰণীয়। ইয়াৰ অন্যথা এনে শিক্ষানুষ্ঠানসমূহত দুটা দৰমহাৰ দুটা শ্ৰেণীৰ শিক্ষকৰ সৃষ্টি হ'ব আৰু অসমৰ উচ্চশিক্ষাৰ কাৰণে ই কেতিয়াও মঙ্গলজনক নহয়।

তদুপৰি ২০০৪ চনৰ পৰা অসমৰ প্ৰাদেশীকৃত মহাবিদ্যালয়সমূহত এক অদ্ভুত তথা ভাৰতৰ কোনো ৰাজ্যতে নথকা এক অন্যায় ব্যৱস্থা প্ৰৱৰ্তন হৈ আছিল। এই ব্যৱস্থা অনুসৰি বিশ্ববিদ্যালয় অনুদান আয়োগৰ দ্বাৰা নিৰ্ধাৰিত অৰ্হতাৰ সকলো চৰ্ত পূৰণ কৰা নৱ নিযুক্ত মেধাৱী শিক্ষকসকলক দুবছৰৰ বাবে মাত্ৰ ৫,০০০ টকাৰ স্থিৰ দৰমহাত নিযুক্তি দিয়াৰ ব্যৱস্থা আছিল। বিশেষকৈ এনে ব্যৱস্থাৰ ফলত নিজৰ গৃহ জিলাৰ বাবে অন্য ঠাইত নিযুক্তি পোৱা শিক্ষকসকলৰ অৱস্থা অৱৰ্ণনীয় হৈ পৰিছিল। দুবছৰ উকলি যোৱাৰ পাছতো তেওঁলোকে সম্পূৰ্ণ দৰমহা গাঁথনি লাভৰ বাবে উচ্চ শিক্ষা আয়ুক্তৰ কাৰ্যালয়লৈ তাঁত-বাতি কাঢ়ি থাকিব লগা হৈছিল। অৱশেষত অসম কলেজ শিক্ষক সংস্থাৰ তীব্ৰ প্ৰতিবাদৰ ওচৰত সেওঁ মানি চৰকাৰে ২০০৯ চনৰ মে' মাহৰ পৰা এই ব্যৱস্থাৰ অন্ত পেলালে যদিও অন্যায়ভাৱে বঞ্চিত কৰি থোৱা দৰমহাৰ বাকী অংশ এই শিক্ষকসকলে আজিকোপতি আদায় নাপালে। শেহতীয়াকৈ চৰকাৰে তেওঁলোকৰ সেৱাৰ জ্যেষ্ঠতা চাকৰিত যোগদান কৰাৰ দিনাৰপৰা ধৰা হ'ব বুলি নিৰ্দেশ জাৰি কৰিলেও অতি সোনকালে তেওঁলোকৰ প্ৰাপ্য ধন আদায় দিয়াৰ ব্যৱস্থা কৰাও উচিত। এখন কল্যাণকামী ৰাষ্ট্ৰত তাকো উচ্চ শিক্ষাৰ দৰে জাতিৰ মেৰুদণ্ড গঢ়াৰ বিভাগত বঞ্চনাৰ এনে উদাহৰণ নিঃসন্দেহে বিৰল।

সম্প্ৰতি নতুন নতুন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় স্থাপনৰ পৰিকল্পনাৰে চৰকাৰে উচ্চ শিক্ষাৰ উন্নয়নত যথেষ্ট গুৰুত্ব দিছে। এনে ব্যৱস্থাৰ অংশ হিচাপে ঐতিহ্যমণ্ডিত কটন কলেজক বিশ্ববিদ্যালয়লৈ উন্নীত কৰাৰ ব্যৱস্থা সঁচাকৈয়ে প্ৰশংসনীয়। কিন্তু, কেৱল সংখ্যাগত দিশৰ ওপৰত ভিত্তি কৰি শিক্ষাৰ উন্নয়ন সাধনৰ প্ৰচেষ্টাতকৈ উচ্চ শিক্ষাৰ গুণগত মান অক্ষুন্ন ৰখাটোহে অতীৱ প্ৰয়োজনীয়। প্ৰকৃতাৰ্থত গুণগত মানদণ্ডৰ উন্নতিয়েহে শিক্ষাৰ প্ৰকৃত বিকাশ সাধন কৰিব নহ'লে উন্নয়ন কেৱল পাৰিসাংখ্যিক তথ্যতহে সীমাৱদ্ধ হৈ থাকিব। বৰ্তমান কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ সমহাৰত অসমৰ শিক্ষাৰ্থী সকলকো নম্বৰ দিয়াৰ যি দাবী উত্থাপন হৈ আহিছে সিও যথেষ্ট তাৎপৰ্যপূৰ্ণ। কিয়নো আজিৰপৰা এটা বা দুটা দশক পূৰ্বে অসমৰ বোৰ্ডৰ পৰাই সফলতাৰে উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলৰ বহুতেই আজি দেশৰ বিভিন্ন ক্ষেত্ৰত সুপ্ৰতিষ্ঠিত। সেই সময়ৰ শিক্ষাৰ্থীসকলে কিন্তু কেইটামান নম্বৰ বেছিকৈ পোৱাত গুৰুত্ব নিদি প্ৰকৃততে নিজকে গঢ়াৰ সাধনাত ব্ৰতী হৈছিল। গতিকে, শিক্ষাৰ গুণগত উন্নয়নৰ ওপৰত গুৰুত্ব নিদি কেৱল বাহিৰৰ শিক্ষানুষ্ঠানত নামভৰ্তিৰ স্বাৰ্থত অধিক নম্বৰ দিয়াটোৱে শিক্ষাখণ্ডৰ উন্নয়ন নুসূচায়।

এইখিনিতে অন্য এক গভীৰ চিন্তাৰ বিষয় হৈছে অসমত ৰঘুমলাৰ দৰে বাঢ়ি অহা ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানসমূহ। বিশেষকৈ অসমৰ সৰু-বৰ সকলো চহৰৰ অলিয়ে-গলিয়ে অসংখ্য জুনিয়ৰ কলেজ গা কৰি উঠিছে। উচ্চ হাৰৰ মাচুল লোৱা এনে জুনিয়ৰ কলেজসমূহৰ অধিকাংশতে কেনেধৰণৰ শিক্ষা প্ৰদান কৰা হৈছে সেয়াও বিচাৰ্যৰ বিষয়। তদুপৰি এনে শিক্ষানুষ্ঠানো দেখা গৈছে য'ত অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে বিশেষ অনুসন্ধান নকৰাকৈয়ে পৰীক্ষাৰ কেন্দ্ৰ পতাৰ অনুমতি দিছে। ফলত শিক্ষানুষ্ঠানৰ ফলাফল উন্নত কৰি অধিক ছাত্ৰ-ছাত্ৰীক আকৰ্ষিত কৰাৰ লগতে চৰকাৰী অনুদানৰ লোভত এইবোৰৰ বহুতত নকলৰ অবাধ পয়োভৰ ঘটিছে। এই ক্ষেত্ৰতে অসমত লাহে লাহে খোপনি পুতিবলৈ আৰম্ভ কৰা ব্যক্তিগত বিশ্ববিদ্যালয়সমূহো সময় থাকোতেই চৰকাৰে নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰা উচিত। উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠানসমূহত নিয়মীয়া পৰিদৰ্শনৰ অভাৱকো ইয়াৰ বাবে জগৰীয়া কৰিব পাৰি। অতি সোনকালে এনেবোৰ প্ৰক্ৰিয়াত বাধা নিদিলে এই প্ৰৱণতাই উচ্চ শিক্ষাক ধ্বংসমুখী কৰি তুলিব।

এতিয়া বিশ্ববিদ্যালয় অনুদান আয়োগে মহাবিদ্যালয় তথা বিশ্ববিদ্যালয়সমূহৰ ক্ষেত্ৰত দিয়া কেতবোৰ শেহতীয়া নিৰ্দেশনা মন কৰা যাওঁক। এনে এক নিৰ্দেশনা (UGC Regulation on minimum qualifications for appointment of teachers and other academic staff in Universities and Colleges and measures for the maintenance of standards in Higher Education, 2009)ৰ ২১.১ দফাত কোৱা হৈছে যে শিক্ষকসকল মহাবিদ্যালয়সমূহত নূন্যতম পাঁচ ঘণ্টা থকাটো বাধ্যতামূলক। নিঃসন্দেহে ই এক আদৰণীয় ব্যৱস্থা। কিন্তু, উক্ত দফাটোত এইটোও স্পষ্ট কৰি দিয়া হৈছে যে ইয়াৰ বাবে শিক্ষকসকলক মহাবিদ্যালয় বা বিশ্ববিদ্যালয় কৰ্তৃপক্ষই আন্তঃগাঁথনিসহ প্ৰয়োজনীয় সা-সুবিধা প্ৰদান কৰিব লাগিব। কিন্তু, অসমৰ বেছিভাগ মহাবিদ্যালয়তে য'ত আন্তঃগাঁথনিৰ নামত নূন্যতম খোৱা পানীৰ সুবিধাখিনিও পৰ্যাপ্ত নহয় তাত এনেধৰণৰ ব্যৱস্থাটো এক প্ৰহসন মাত্ৰ।

দ্বিতীয়তে, এই বিধিৰ ৮.১.১ আৰু ৮.১.২ দফা অনুসৰি নিযুক্তিৰ পূৰ্বে আৰু কৰ্মৰত অৱস্থাত পি, এইচ, ডি, আৰু এম, ফিল, ডিগ্ৰী লাভ কৰা শিক্ষকসকলক দিবলগীয়া আগতীয়া বিশেষ বাৰ্ষিক ভাট্টা দিয়াৰ ব্যৱস্থাও অসমত আজি পৰ্যন্ত কাৰ্যকৰী কৰা হোৱা নাই। শেহতীয়াকৈ যোৱা এপ্ৰিল মাহত চৰকাৰে এক নিদেৰ্শযোগে এই ভাট্টা দিব বুলি ঘোষণা কৰিছে যদিও ইয়াৰ বাবে এনে কিছুমান চৰ্ত আৰোপ কৰিছে যে ই বিশ্ববিদ্যালয় অনুদান আযোগৰ নিৰ্দেশাৱলীক দেখ-দেখকৈ উলংঘা কৰা হৈছে। অতি পৰিতাপৰ কথা এয়ে যে অসম চৰকাৰে বিশ্ববিদ্যালয় অনুদান আয়োগৰ নিৰ্দেশনাসমূহক অতি কৌশলেৰে শিক্ষকসকলৰ স্বাৰ্থৰ বিপৰীতে প্ৰয়োগ কৰাহে পৰিলক্ষিত হৈছে।

তৃতীয়তে, এই বিধিৰ ৯.২.১ দফা অনুসৰি শিক্ষকসকলৰ বাবে ভ্ৰমণ ভাট্টা, বিশেষ ক্ষতিপূৰণমূলক ভাট্টা, সন্তানৰ শিক্ষাৰ কাৰণে ভাট্টা, বিশেষ স্থানত কাৰ্যনিৰ্বাহ কৰাৰ ভাট্টাসমূহো আদায় দিয়াৰ কোনো ব্যৱস্থা কৰা হোৱা নাই। অথচ একে শিক্ষাগত আৰু বৃত্তিগত অৰ্হতাৰ ভাৰতৰ অন্যান্য

ৰাজ্যৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ শিক্ষকসকলে এইবোৰ লাভ কৰি আহিছে।

চতুৰ্থতে, কাৰ্যনিৰ্বাহ কৰি থকা মহাবিদ্যলয়ৰ শিক্ষকসকলে পি. এইচ, ডি, ডিগ্ৰী আৰম্ভ কৰিব বিচাৰিলে বিশ্ববিদ্যালয় অনুদান আয়োগৰ নিদেৰ্শনা (UGC minimum standards and procedures for awards of M.Phil/Ph.D. degree regulation, June, 2009) অনুসৰি ছমহীয়া এক বিশেষ পাঠ্যক্ৰম গ্ৰহণ কৰিব লাগে। কিন্তু, এই ক্ষেত্ৰত শিক্ষকসকলৰ ছুটীৰ সংক্ৰান্তত বিশ্ববিদ্যালয় অনুদান আয়োগে একো উল্লেখ নকৰাৰ অচিলা লৈ চৰকাৰ আৰু মহাবিদ্যালয়সমূহৰ কৰ্তৃপক্ষই এচাম শিক্ষকক পি, এইচ, ডি, কৰাৰ পৰা বঞ্চিত কৰি ৰাখিছে। এই ক্ষেত্ৰত বিশ্ববিদ্যালয়সমূহেও নীৰৱ দৰ্শকৰ ভূমিকাহে পালন কৰা দেখা গৈছে। হাস্যকৰ কথা এয়ে যে, এফালে উচ্চ শিক্ষাৰ গুণগত মানদণ্ড উন্নয়নৰ স্বাৰ্থত শিক্ষকসকলক উচ্চ ডিগ্ৰী আহৰণ কৰাৰ কথা কোৱা হৈছে অন্যহাতে তেওঁলোকক কোৱা হৈছে যৈ এইটো তেওঁলোকৰ ব্যক্তিগত সমস্যা আৰু ইয়াত কৰ্তৃপক্ষৰ কৰিব লগা একো নাই। বিশ্বাস কৰিবলৈ টান যে অসমৰ উচ্চ শিক্ষাৰ জগতখনত এনে কিছুমান ব্যৱস্থাও চলি আছে।

পঞ্চমতে, এই বিধিৰ ১০.১ দফা অনুসৰি শিক্ষকসকলক এটা শিক্ষাবৰ্ষত শৈক্ষিক কাম-কাজত অংশ ল'বৰ বাবে সৰ্বোচ্চ ৩০ দিনৰ বাবে কৰ্তব্য নিয়োজিত ছুটী (Duty leave)ৰ ব্যৱস্থা কৰিবলৈ কোৱা হৈছে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ ২০০৯ চনৰ নিদেৰ্শনা অনুসৰি বৰ্তমানে শিক্ষকসকলৰ পদোন্নতিৰ ক্ষেত্ৰত শৈক্ষিক পাৰদৰ্শিতাসূচক (Academic Performance Indicator)ৰ ব্যৱস্থা কৰা হৈছে। সেই অনুসৰি শিক্ষকসকলে বিভিন্ন গৱেষণা পত্ৰ পাঠ, আলোচনা চক্ৰ তথা শৈক্ষিক কৰ্মশালা আদিত অংশগ্ৰহণ, গ্ৰন্থ ৰচনা কৰা ইত্যাদি পদোন্নতিৰ ক্ষেত্ৰত বাধ্যতামূলক হৈ পৰিছে। কিন্তু কাৰ্যক্ষেত্ৰত অসমৰ বহুতো মহাবিদ্যালয়ত কৰ্তৃপক্ষই এইবোৰত উৎসাহ যোগোৱাৰ পৰিৱৰ্তে বাধা প্ৰদান কৰাহে দেখা গৈছে। নিশ্চিতভাৱেই এনেবোৰ কথা উচ্চ শিক্ষাৰ বাবে শুভ লক্ষণ নহয়।

গতিকে দেখা গৈছে অসমত বিশ্ববিদ্যালয় অনুদান আয়োগৰ এই বিধিসমূহৰ এনেদৰেই উলংঘা কৰি অহা হৈছে। অসম কলেজ শিক্ষক সংস্থাই এনেবোৰ বিষয়ক যথোচিত গুৰুত্ব দি সমাধানৰ কাৰণে আগবাঢ়ি অহা উচিত। ইয়াৰ উপৰিও অন্য এক উদ্বেগৰ বিষয় হৈছে যে, চৰকাৰে অসমৰ মহাবিদ্যালয়সমূহৰ প্ৰশাসনীয় কাম-কাজত কোনো চকু নিদিয়াৰ ফলত একাংশ মহাবিদ্যালয়ত বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা অহা ধনৰ ব্যাপক অপব্যৱহাৰ হৈছে। ইয়াৰ প্ৰমাণ মাজে সময়ে খবৰ কাগজত পঢ়িবলৈ পোৱা গৈয়ে থাকে। বছৰে বছৰে এক বুজন পৰিমাণৰ ধন এই মহাবিদ্যালয়সমূহলৈ আহি আছে তথাপিও বেছিভাগ মহাবিদ্যালয়তে আন্তঃগাঁথনি তথা প্ৰয়োজনীয় সা-সুবিধাৰ সামান্যও পৰিৱৰ্তন পৰিলক্ষিত হোৱা নাই। এই ক্ষেত্ৰত শিক্ষামন্ত্ৰী ডাঙৰীয়াই যথোচিত গুৰুত্ব দি যোৱা দহ বছৰত বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা অহা ধনৰ সমুদায় ব্যয়ৰ হিচাপ চৰকাৰী হিচাপ পৰীক্ষকৰ দ্বাৰা পৰীক্ষা কৰোৱাৰ ব্যৱস্থা কৰা উচিত। ইয়াৰ অন্যথা এই সমূহত কোটি কোটি চৰকাৰী ধন শৰাধ হোৱাৰ বিপৰীতে উচ্চ শিক্ষাৰ একো লক্ষণীয় পৰিৱৰ্তন আশা কৰাটো ভুল হ'ব।

তদুপৰি চৰকাৰী মহাবিদ্যালয়ৰ অধ্যাপকসকলক অসম শিক্ষা সেৱাৰ অন্তৰ্ভুক্ত চাকৰিয়াল আৰু ৰাজ্য চৰকাৰৰ প্ৰথম শ্ৰেণীৰ ৰাজপত্ৰিত বিষয়াৰ (Class -I Gazetted Officer) মৰ্যাদা দিয়া হয়। কিন্তু প্ৰাদেশীকৃত মহাবিদ্যালয়সমূহৰ ক্ষেত্ৰত এনে ধৰণৰ ব্যৱস্থা নাই। যদিহে এনে মহাবিদ্যালয়সমূহৰ প্ৰবক্তা বা অধ্যাপকসকলৰ নিযুক্তি পৰিচালনা সমিতিয়ে কৰা বাবেই এনেধৰণৰ সুবিধা দিব নোৱাৰি তেনেহ'লে অধ্যাপক নিযুক্তি প্ৰক্ৰিয়াটো সম্পূৰ্ণভাৱে চৰকাৰীকৰণৰ ব্যৱস্থা কৰা নিতান্তই দৰকাৰ। চৰকাৰী মহাবিদ্যালয়সমূহৰ প্ৰবক্তাই একেই অৰ্হতা লৈ যি চৰকাৰী মৰ্যাদা ভোগ কৰি থাকিব, সেই একেই মৰ্যাদা প্ৰাদেশীকৃত মহাবিদ্যালয়সমূহৰ অধ্যাপকসকলে নিশ্চিতভাৱেই লাভ কৰা উচিত।

গতিকে দেখা গৈছে যে, অসমৰ উচ্চ শিক্ষাৰ জগতখন বিভিন্ন সমস্যাই ভাৰাক্ৰান্ত কৰি ৰাখিছে। এই প্ৰতিটো সমস্যাই যথেষ্ট গুৰুত্বপূৰ্ণ আৰু উচ্চ শিক্ষাৰ উন্নয়নৰ লগত ওতপ্ৰোতভাৱে জড়িত। এইক্ষেত্ৰত নতুন শিক্ষামন্ত্ৰীগৰাকীৰ শিক্ষাখণ্ডত কেতবোৰ যুগান্তকাৰী পদক্ষেপে সকলোৰে মনত আশাৰ সঞ্চাৰ কৰিছে। এইক্ষেত্ৰত আমি শিক্ষক সমাজে তেখেতৰ কাৰ্যত সম্পূৰ্ণৰূপে সহযোগ আগবঢ়োৱাৰো প্ৰতিশ্ৰুতি দিছো। দুয়োপক্ষৰ সহযোগত অসমৰ উচ্চ শিক্ষা ব্যৱস্থাক অধিক পৰিমাণে গতিশীল কৰাৰ লগতে সমগ্ৰ ভাৰতবৰ্ষতে অসমৰ মহাবিদ্যালয় তথা বিশ্ববিদ্যালয় স্তৰৰ শিক্ষা ব্যৱস্থাক অদ্বিতীয় হিচাপে গঢ়ি তোলা সম্ভৱ বুলি আমি আশাবাদী।



# বৈষ্ণৱ সাহিত্যত ভক্তি ৰত্নাৱলী

তৰালী বৰা, স্নাতক তৃতীয় বৰ্ষ

ভক্তি ৰত্নাৱলী এখন মূল্যৱান বৈষ্ণৱ শাস্ত্ৰ। বৈষ্ণৱীয় চাৰিশাস্ত্ৰৰ ভিতৰত ইও এখন; তিহুতীয়া পৰমহংস বিষ্ণুপুৰী সন্ন্যাসীৰ সংকলিত ভক্তিধৰ্মৰ এখনি উত্তম শাস্ত্ৰ। ভক্তি ৰত্নাৱলীৰ ত্ৰয়োদশ বিৰচন বৈষ্ণৱ ভক্তিমাৰ্গৰ কৰণি স্বৰূপ। ভক্তি ৰত্নাৱলী গ্ৰন্থখন ভাগৱত শাস্ত্ৰৰ সাৰ ভক্তি সাধনৰ উপাসনামুলক নিয়ম-নীতিৰ আপ্তবাক্য সমন্বিত। নানা ঠাইত সিচঁৰতি হৈ থকা সৎ, শুদ্ধ, পবিত্ৰজনৰ উপদেশেৰে আধ্যাত্মিক চৈতন্য জগাই তুলিবলৈ এই গ্ৰন্থই ভক্তিশিক্ষাৰ আদৰ্শ দাঙি ধৰিছে।

ভক্তি ৰত্নাৱলী গ্ৰন্থখন শ্ৰীমদ্ভাগৱত পুৰাণৰ কিছুমান উত্তম সংস্কৃত শ্লোকৰ সংকলন। এই গ্ৰন্থখনিত মহাপুৰুষ শংকৰদেৱৰ কেইটামান কিংবদন্তী উল্লেখযোগ্য। ক্ৰমশঃ 'বিষ্ণুপুৰী সন্ন্যাসীয়ে কাশীত বাস কৰিছিল। তেওঁ ভাগৱত সমুদ্ৰ মন্থন কৰি ভক্তিৰত্নসমুহ একেঠাই কৰি ভক্তি ৰত্নমালা ৰচনা কৰে। ... জগন্নাথ ক্ষেত্ৰলৈ গৈ তেওঁ নিজ ৰচিত ৰত্নাৱলী গ্ৰন্থ জগন্নাথৰ ওচৰত দি সেৱা কৰে।' কথিত আছে যে কাশীত গৌৰাঙ্গ প্ৰভুৰ সৈতে বিষ্ণুপুৰী সন্ন্যাসীৰ ভেটাভেটি হৈছিল। গৌৰাঙ্গদেৱে যেতিয়া পুৰীত থাকিবলৈ লয়, সেই সময়ত বিষ্ণুপুৰীৰ এজন শিষ্যই তেওঁক দৰ্শন কৰিবলৈ পুৰীলৈ আহে। এই শিষ্যৰ ওচৰতে গৌৰাঙ্গদেৱে বিষ্ণুপুৰীৰ পৰা এক ৰত্নাৱলী বিচাৰে। ফলত তেওঁ ভক্তি ৰত্নাৱলী প্ৰস্তুত কৰি মহাপ্ৰভুক দিয়ে। ৰামচৰণ ঠাকুৰ ৰচিত চৰিত পুথিৰ মতে বিষ্ণুপুৰী সন্ন্যাসীয়ে ভক্তি ৰত্নাৱলী ৰচনা কৰি কাশীত থকা তেওঁৰ শিষ্য ব্ৰহ্মানন্দ পণ্ডিতক দিয়ে। পুথিখন বিষ্ণুপুৰীৰ নিৰ্দেশক্ৰমে বৰপেৰাত ভাগৱত শাস্ত্ৰৰ তলত থৈ ওপৰত দুটা শ্লোক লিখি থৈ কৈছিল—

*'ৰত্নাৱলী নাম দিয়া ভাগৱত সাৰ।*
*ৰাখিলন্ত শ্লোকখিনি উপৰে অহাৰ।।*
*বকাৰ আদি গ্ৰাম শকাৰ নাম ধৰি।*
*কায়স্থ কুলত জন্মিবন্ত শ্ৰীহৰি।।* ৩৬২৫
*সিকালত ৰত্নাৱলী আপুনি উলটিব।*
*আমাৰ কথাৰ তুমি প্ৰমাণ বুজিবা।*
*আসিব পণ্ডিত এক পূৰ্ব্ব দেশ হন্তে।*
*ই শাস্ত্ৰক দিবা তুমি পণ্ডিতৰ হাতে।।'* ৩৬২৬

সেইমতে 'ব'কাৰ নামৰ ঠাইত (বৰদোৱা, বটদ্ৰৱা) 'শ' কাৰ নামে মহাপুৰুষ শংকৰদেৱে জন্ম হোৱা শুনি পূৰ্বৰ নিৰ্দেশক্ৰমে ব্ৰহ্মানন্দই কণ্ঠভূষণৰ হাতত দি বৰদোৱালৈ পঠালে—

*'আসিলাহা তুমি জানা সাধুৰ বাক্যত।*
*শাস্ত্ৰ লৈয়া শীঘ্ৰে দিয়া শংকৰ হাতত।।'*

ভক্তিৰত্নাৱলী এখন মূল্যৱান ভক্তিশাস্ত্ৰ। ইয়াৰ বিচৰন তেৰটা। যথাক্ৰমে ভক্তি, সৎসঙ্গ, ভক্তি বিশেষণ, শ্ৰৱণ, কীৰ্তন, স্মৰণ, পদসেৱন, অৰ্চন, বন্দন, দাস্য, সখ্য, আত্মনিবেদন আৰু শৰণ। এই বিৰচনবোৰৰ মুখ্য উদ্দেশ্য হ'ল— শ্ৰীমদ্ভাগৱতৰ মাজত সিচঁৰতি হৈ থকা নবধা ভক্তিৰ সাৰমৰ্মবোৰ আৰু নীতি-নিয়ম আদিৰে কৃষ্ণভক্তিৰ ঐশ্বৰিকত্ব প্ৰকাশি মানৱ জাতিক হৰিভক্তি পৰায়ণ কৰাই সমাজ সচেতন কৰোৱা। বিশাল সংস্কৃত গ্ৰন্থ ভাগৱতৰ সাৰোদ্ধাৰ কৰি এই ৰত্নাৱলীখনিত নবধা ভক্তিৰ প্ৰেমজৰীৰে ঈশ্বৰত শৰণাপন্ন হৈ সৎসঙ্গৰ লগত ভক্তি কৰিবলৈ সৎ লোকৰ প্ৰামাণ্য বচনেৰে আদৰ্শ দাঙি ধৰিছে।

ভক্তি ৰত্নাৱলীত প্ৰথম বিৰচন ভক্তি আৰু সমস্ত ধৰ্মৰ মুখ্যফলো ভক্তিয়েই। ভক্তিহীন ধৰ্ম সকলো নিষ্ফল। ভক্তিৰ ফলত আত্মাত ঈশ্বৰ সাক্ষাৎ হৈ মানুহক আনন্দ দান কৰে। সেয়ে সমস্ত বৈষ্ণৱ ধৰ্ম শাস্ত্ৰৰ মূলতত্ত্ব—

*'মিলিল যাহাৰ শ্ৰদ্ধা মুকুণ্ড সেৱাত।*
*হোৱে চিত শান্ত মিলে আনন্দ সাক্ষাত।।*
*সমস্ত শাস্ত্ৰৰ তাৎপৰ্য্য এহিমান।*
*সুতবাক্যে লৈয়ো তাৰ সাক্ষাতে প্ৰমাণ'।।*

*— ভক্তিৰত্নাৱলী*

যাগ-যজ্ঞ, দান, ধৰ্ম, কৰ্ম, তীৰ্থ, ব্ৰত আদি

সকলোবোৰৰ ওপৰত নাৰায়ণ। এই সকলোবোৰ কৰাৰ ফলতো যদি অন্তৰত বৈৰাগ্য ভাবৰ উদয় নহয় তেনেস্থলত অহংকাৰেহে গা কৰি উঠে। ইয়াৰো এক সুন্দৰ উদাহৰণ ভক্তি ৰত্নাৱলীত পোৱা যায়। ব্যাসদেৱে জ্ঞানযোগ আৰু কৰ্মযোগ আচৰণ কৰিছিল। কিন্তু ই তেওঁ মনৰ শান্তি আনিব নোৱাৰিলে। পিছত নাৰদৰ উপদেশ মতে নাৰায়ণক একচিত্তে ভক্তি কৰিহে চিত্ত শান্ত কৰিব পাৰিলে—

*'একচিত্তেমাধৱত কৰিলা ভকতি।*
*তেবে তান নিৰ্ম্মল নিশ্চল ভৈল মতি।।*
*ভকতি পৰম আনন্দ ভৈল জাত।*
*হৃদয়তে ঈশ্বৰ দেখিলা সাক্ষাত।।'*

— ভক্তি ৰত্নাৱলী

ভক্তি ঈশ্বৰ সন্তোষৰ পৰম উপায়। ঈশ্বৰ সন্তোষৰ ফল বৰ্ণনাতীত। শাস্ত্ৰত ইয়াকে মুক্তি বুলি কোৱা হৈছে। কিন্তু মুক্তিতকৈ ভক্তি শ্ৰেষ্ঠ। সেয়ে ঘোষাত মাধৱদেৱে মুক্তিত নিস্পৃহ ৰসময় ভক্তিক কামনা কৰি ঈশ্বৰ কৃষ্ণ ভজনেৰে ভক্তিপ্ৰেমী হ'বলৈ আদৰ্শ দাঙি ধৰিছে—

*'মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো*
*ৰসময় মাগোহো ভকতি।*
*সমস্ত মস্তক মণি নিজ ভকতৰ বশ্য*
*ভজো হেন দেৱ যদুপতি।।'১*

— নামঘোষা

ভক্তি ৰত্নাৱলীতো সেই একে তাৎপৰ্য দাঙি ধৰিছে—

*'যদ্যাপি মুকুতি পদ সুখ ৰূপ হয়।*
*তথাপি ভকতি শ্ৰেষ্ঠ কহিলো নিশ্চয়।।*
*সেৱাৰ আনন্দ সুখ মুকুতি নাই।*
*মুকুতিৰ সুখ মুখে ভকতি পাই।।'৫২*

— ভক্তিৰত্নাৱলী

*'এতেকে ভকতি শ্ৰেষ্ঠ মুকুতিত কৰি।*
*নাহি আহি সুখ আৰ ভকতিৰ সৰি।।"*

— ভক্তিৰত্নাৱলী

বৈষ্ণৱ ভক্তিত ভজনীয় ঈশ্বৰ কৃষ্ণ। কৃষ্ণৰ নামৰ শ্ৰৱণ-কীৰ্তন, অৰ্চন-বন্দনাদি নৱধা প্ৰেমজৰীৰ বন্ধনত বিশ্বাস আৰু দৃঢ়তাৰ মাজত ঐকান্তিকতাৰে ভক্তি ওপজে। সেয়ে পৰম ঈশ্বৰ চৈতন্য ব্ৰহ্ম অনন্ত শক্তি শ্ৰীকৃষ্ণই উদ্ধৱৰ আগত ৰহস্য ভকতি প্ৰকাশি তেওঁৰ ভক্তিৰ মহত্ব বখানি এইদৰে কৈছে—

*'শুনিও উদ্ধৱ মোৰ ভক্তিৰ মহত্ব।*
*নাপাওঁ অন্ত ভক্তিৰ সামৰ্থ্য আছে কত।।'২১০*

— ভক্তিৰত্নাৱলী

আনকি সসীমত থাকি অসীমৰ কল্পনা কৰা, অবিনশ্বৰ আত্মাৰ উপলব্ধিৰে ঐহিক আৰু পৰলৌকিক সদ্গতিৰ ভক্তি বাঞ্ছা কৰা হৰি ভক্তৰ কোনোবা প্ৰমাদ ঘটিলেও হৰি নামেৰেহে তেওঁলোকৰ প্ৰায়চিত্ত হয়। তেওঁলোক স্মৃতিৰঞ্জিত প্ৰায়চিত্তৰ বাহিৰত—

*'যদিবা প্ৰমাদ মিলে আসি কদাচিত।*
*তথাপি ভক্তৰ নাহি আন প্ৰায়চিত্ত।।' ২১৯*

— ভক্তিৰত্নাৱলী

কৃষ্ণ ভক্তিবৎসল নাম প্ৰেমত আকুল। তেওঁৰ নামেৰেহে প্ৰসাদ লভিব পাৰে। সেয়ে উদ্ধৱৰ আগত শ্ৰীকৃষ্ণই কৈছে—

*'কেৱল ভক্তিসে শ্লোক বশ্য কৰে নৰ।*
*নাহিকে ঔওম পন্থ ভকতিত পৰে।। ২২১*
*পৰম শ্ৰদ্ধায়ে মোৰ ভকতি আচৰি।*
*চণ্ডালো পবিত্ৰ হয় জানা নিষ্ঠ কৰি।।' ২২২*

— ভক্তি ৰত্নাকৰ

ভক্তি আৰাধনাত সামাজিক উচ্চ-নীচতাৰ ভেদ ভাব নাই। ই আওঁপুৰণি সামাজিক বন্ধন মাথোন। নিষ্কাম সাধন মাৰ্গত সকলোৰে অধিকাৰ সমান আৰু এই বাটত কোনে কিমান আগবাঢ়িব পাৰে সেইটো ব্যক্তিগত চেষ্টাৰ ওপৰত নিৰ্ভৰ কৰে। ইয়াত শ্ৰেণীভেদ বা পৌৰোহিত্যৰ স্থান নাই। আনকি বেদশাস্ত্ৰ উপনিষদতো এনে বিধিবদ্ধ কথা নাই। ই এক আত্ম সংস্কাৰ। চক্ৰবৎ ভ্ৰাম্যমাণ জীৱনৰ লগত ইয়াৰ গভীৰ সম্বন্ধ; বিভেদ কল্পনা অমূলক—

*'জাতি কুলাচাৰ ধৰ্ম জ্ঞানে কৃষ্ণ দেৱতাৰ*
*নুহি অনুগ্ৰহৰ কাৰণ।*
*কিন্তু ভক্তিভাৱে আতি ভজোক অজাতি জাতি*
*আতে সন্তুষ্ট নাৰায়ণ।।' ১৬৩*

— ভক্তি ৰত্নাৱলী

*'জাতি কুলাচাৰ ধৰ্মে কোন কাৰ্য্য সাধিবেক*
*জ্ঞান কোন কাৰ্য্যত শকত।।*
*অজ্ঞানী অজাতি পাপী কৃষ্ণক ভজোক মাত্ৰ*
*তাৱো হৈব পৰম মহত।।' ২৪৫১*

— দশম

মহাপুৰুষ শ্ৰীশংকৰদেৱে ভক্তি ৰত্নাকৰ গ্ৰন্থৰ গুৰু মাহাত্ম্যত গুৰুভক্তিৰে পাতনি মেলাৰ দৰে ভক্তি ৰত্নাৱলীতো প্ৰথমে ভক্তি বিৰচণেৰে ভক্তি, ভক্তিৰ তাৎপৰ্য, ভক্তিৰ প্ৰতিপাদ্য বিষয়, ভজনীয় ঈশ্বৰ আদি নিৰ্ণয় কৰি সিদ্ধসকলৰ আপ্তবাক্যেৰে সংক্ষেপে ঈশ্বৰ কৃষ্ণত ভক্তি কৰি মঙ্গলময় চিৰ সুন্দৰ প্ৰেমত তন্ময় হৈ আনন্দ লভিবলৈ শিকনি দিছে—



*'মুকুতিত কৰি ভকতি গৰিষ্ঠ*
*এতেকে জানা সৰ্ব্বথা।*
*ভকতিৰ আগে বিষয়ৰ সুখ*
*তুচ্ছ হৈবে কোন কথা।।*
*সদা ভক্তি সুখ সহিতে বৈকুণ্ঠ*
*ঐশ্বৰ্য্য সমে মুকুতি।*
*একান্ত ভকতে পাৰে আনজনে*
*নপাৰে শুনা যুগুতি।।' ৬৯*

— ভক্তিৰত্নাৱলী

সতাং সঙ্গঃ সৎসঙ্গ অৰ্থাৎ সৎসঙ্গ অজ্ঞান আন্ধাৰ নাশক, জ্ঞান ভক্তিৰ প্ৰদীপৰ দৰে। ভক্তিত থকা মানসিক সন্দেহৰ প্ৰতিক্ৰিয়া সৎসঙ্গৰ সাধুবচনত আঁতৰ হয়। তেতিয়া অন্তৰ নিৰ্মল হয় আৰু সংসাৰৰ প্ৰতি থকা আকুলতা, জীৱ-নিধন তথা পাপৰ নৰক যন্ত্ৰণাৰ ভয় আঁতৰি অন্তৰাত্মাক ভক্তিৰসত মজাই ৰাখে। সেয়ে কৈছে—

*'সন্তৰ আশ্ৰয় পাইলে সেহিমতে*
*ত্ৰিতয় কাৰ্য্য সাধয়।*
*গুচে কৰ্মজড় অজ্ঞান আন্ধাৰ*
*আৰৰ সংসাৰ ভয়।।' ৪৩৮*

— ভক্তিৰত্নাৱলী

কেৱল সেয়ে নহয়; আধ্যাত্মিক দৰ্শনত সৎসঙ্গ ভক্তিমাৰ্গৰ পৰম সঙ্গী। ভক্তিমাৰ্গত সংসাৰখনক ভৱসমুদ্ৰৰূপে কল্পনা কৰা হৈছে। গুৰুজনাই হয় সেই নৌকাৰ কাণ্ডাৰী; কৃষ্ণ নামে অনুকুল বায়ুৰূপে আগুৱাই সংসাৰ সমুদ্ৰ তৰাই জীৱক উদ্ধাৰ কৰে—

*'নৃদেহমাদ্যং সুলভং সুদুৰ্লভং প্লবং সুকল্পংগুৰু কৰ্ণধাৰম্।*
*ময়ানুকুলেন নভস্কতেৰিতং পুমান্ ভৱাব্ধিংনতৰেৎস আত্মাহা।।'*

— ভাগৱত ১১/২০/১৭

এতেকে মাধৱদেৱেও ঘোষাত তাকে এইদৰে নিন্দা কৰিছে—

*'গুৰুভৈলা তাত কৰ্ণধাৰা, কৃষ্ণে ভৈলা অনুকুল বায়ু*
*তথাপি সংসাৰ নতৰয় আত্মঘাতী।'*

— নামঘোষা

এই বিবেচনাত ভক্তিৰ প্ৰকাৰ নিৰূপণ কৰি তাৰ স্বৰূপ প্ৰকাশ কৰা হৈছে, নৱধা ভক্তিৰে। সেই নৱধা ভক্তি হ'ল—

*'শ্ৰৱণ কীৰ্ত্তন পদ সেৱন স্মৰণ।*
*আৰ্চ্চণ বন্দন দাস্য দেহ নিবেদন।।*
*সখিত্ব সহিতে নৱ বিধ এহিমান।*
*ইহাৰ লক্ষণ শুণা যাৰ যেন ঠান।।' ৪৪৮*

— ভক্তিৰত্নাৱলী

সঁচাকৈয়ে ভক্তি ৰত্নাৱলী খনি ন-বিধ ভক্তি; ভক্তিৰ বিশেষণ, সৎসঙ্গ আৰু শৰণ নিৰূপণৰ ভক্তিতত্বমূলক আলোচনা গ্ৰন্থ। বিষ্ণুপুৰী সন্ন্যাসীৰ সংগৃহীত গ্ৰন্থৰ শ্লোকৰাজিৰ অনুবাদ কৰোঁতা মাধৱদেৱে যে কান্তিমালা টীকাৰ সহায় লৈছে, এই কথা স্পষ্ট কৰি প্ৰকাশ কৰিছে—

*'মহা কান্তিমালা যুক্ত ভক্তিৰত্নাৱলী গ্ৰন্থ*
*কৰিলোহো অনেক যতনে।*
*বিচাৰিয়ো পূৰ্ব্বপৰ ইহাৰ গুণক জানি*
*তুমি সব তুষ্ট হৈবা মনে।।*
*ইহাৰ শ্ৰীধৰ স্বামী উক্তি লিখনত যত*
*ন্যুনাধিক ভৈল নিৰন্তৰ।*
*সিসব চঞ্চল দোষ মই লুভিয়াৰ ক্ষমা*
*কৰিবে উচিত মহন্তৰ।। ১২০০*

—ভক্তিৰত্নাৱলী

সংস্কৃত শ্লোকৰ এই গভীৰ তত্বপূৰ্ণ শাস্ত্ৰখনি মাধৱদেৱৰ হাতত 'নামঘোষা'ৰ দৰে সহজ সৰল হৈ পৰাত সকলোৰে অতি আদৰৰ হৈ ৰ'ল। যি কি নহওক, বিশাল সমুদ্ৰময় পৃথিৱীত, মহাসমুদ্ৰময় (বিশাল) ভাগৱত শাস্ত্ৰৰ সাৰ স্বৰূপ এই ৰত্নাৱলী গ্ৰন্থখন বৈষ্ণৱসকলৰ মাজত ভক্তিতত্বৰ ভাণ্ডাৰস্বৰূপে অতি আদৰৰ হৈ আছে আৰু ভৱিষ্যতেও থাকিব।

সহায়ক গ্ৰন্থপঞ্জী ঃ
১। ভক্তিৰত্নাৱলী, সম্পাদনা— সোনাৰাম চুতীয়া।
২। গুৰুচৰিত, ৰামচৰণ ঠাকুৰ।
৩। গুৰুচৰিত কথা, সম্পাদনা— মহেশ্বৰ নেওগ।
৪। পুৰণি অসমীয়া সাহিত্য, ড° বাণীকান্ত কাকতি।
৫। ভক্তিবাদ, তীৰ্থনাথ শৰ্মা।
৬। নামঘোষা, মাধৱদেৱ।
৭। কথা গুৰুচৰিত, সম্পাদনা— উপেন্দ্ৰ চন্দ্ৰ লেখাৰু।
৮। দশম, শংকৰদেৱ।

# নামনি সোৱনশিৰি জলবিদ্যুৎ প্ৰকল্পঃ এক বিতৰ্ক

সুমন সূত, স্নাতক দ্বিতীয় বৰ্ষ

নদীৰ দেশ অসম তথা উত্তৰ পূৰ্বাঞ্চল। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ মধ্যমণি অসমৰ সোঁমাজেদি বৈ গৈছে সুবিশাল ব্ৰহ্মপুত্ৰ নদী। অসমৰ প্ৰতিখন সৰু-বৰ নদীৰ দৰেই কাষৰীয়া ৰাজ্য অৰুণাচলৰ দিহিং, দিচাং, সোৱণশিৰি আদি নদীও ব্ৰহ্মপুত্ৰলৈ বৈ আহিছে। কেন্দ্ৰীয় চৰকাৰে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিদ্যুৎ নাটনি দূৰ কৰিবলৈ অৰুণাচলৰ নদীসমূহত বিভিন্ন সৰু-বৰ জলবিদ্যুৎ প্ৰকল্প স্থাপনৰ আঁচনি লৈ ইতিমধ্যে কাৰ্যব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰে এটা উল্লেখযোগ্য প্ৰকল্প হ'ল সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্প। এই প্ৰকল্পটো অৰুণাচল ৰাজ্যৰ ভিতৰত অসমৰ সীমামূৰীয়া অঞ্চল গেৰুকামুখত নিৰ্মাণ হৈ আছে। নিৰ্মাণৰত অৱস্থাত থকা এই জলবিদ্যুৎ প্ৰকল্পটোৱেই বৰ্তমান অসমৰ ৰাজনীতি, সমাজনীতি আৰু অৰ্থনীতিৰ বহুচৰ্চিত, বহুবিতৰ্কৰ বিষয় হৈ পৰিছে।

সোৱণশিৰি নদীত বান্ধ নিৰ্মাণৰ মূল উদ্দেশ্য আছিল জলবিদ্যুৎ উৎপাদন। অধিক বিদ্যুৎ উৎপাদনৰ যোগেদি উত্তৰ পূৰ্বাঞ্চলৰ বিদ্যুৎ ঘাটিৰ জোৰা মৰাৰ লগতে এই অঞ্চলৰ সামগ্ৰিক উন্নয়নৰ আশা দেখুৱাই এই জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছিল। কেন্দ্ৰীয় চৰকাৰে ইয়াৰ নিৰ্মাণৰ ভাৰ এন.এইচ.পি.চি. (National Hydel Power Corporation)ৰ হাতত অৰ্পণ কৰিছিল। এন.এইচ.পি.চি. কেন্দ্ৰীয় চৰকাৰৰ এটা সংস্থা যাৰ জন্ম হৈছিল ১৯৭৫ চনত। এই সংস্থাৰ মূল উদ্দেশ্যই হ'ল বিদ্যুৎ সম্পৰ্কীয় বিভিন্ন প্ৰকল্পৰ পৰিকল্পনা কাৰ্যত পৰিণত কৰা। এন.এইচ.পি.চি.ৰ নেতৃত্বতে সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ নিৰ্মাণ কাৰ্য চলি আছে।

প্ৰথমাৱস্থাত সমগ্ৰ অসমবাসীৰ লগতে সোৱণশিৰিপৰীয়া জনসাধাৰণেও ইয়াক লৈ সপোন দেখিছিল। সোৱণশিৰি পাৰৰ অনগ্ৰসৰ অঞ্চললৈ বিদ্যুৎ যোগান হ'লে পৰিৱৰ্তনৰ ঢৌয়ে অঞ্চলটোৰ প্ৰভূত উন্নতি কৰিব বুলি আশা কৰিয়েই এই অঞ্চলৰ লোকসকলে এই বান্ধ সম্পূৰ্ণ হোৱালৈ অধীৰ আগ্ৰহেৰে অপেক্ষা কৰিছিল। পিছে বান্ধৰ কাম-কাজ আৰম্ভ হোৱাৰ পিছতেই ইয়াৰ সন্মুখত প্ৰথমটো বাধা আহিল। বান্ধৰ কাম আৰম্ভ হোৱাৰ সময়ত অৰুণাচলৰ মুখ্যমন্ত্ৰী আছিল গেগং আপাং আৰু তেওঁৱেই এই বান্ধৰ কাম হৈ উঠিলে অৰুণাচলৰ ভাপৰিজো, য়াৱালি আদি ঠাই পানীত বুৰ যাব বুলি পতিয়ন গৈ কেন্দ্ৰীয় চৰকাৰৰ হস্তক্ষেপত ইয়াৰে কাম বন্ধ কৰালে। কিন্তু পিছত অৰুণাচলৰ বিভিন্ন ৰাজনৈতিক দল আৰু ছাত্ৰ সংগঠনসমূহে কেন্দ্ৰৰ ওপৰত হেঁচা প্ৰয়োগৰ দ্বাৰা ইয়াৰ কাম পুনৰ আৰম্ভ কৰোৱালে।

সময় বাগৰি একবিংশ শতিকা আৰম্ভ হ'ল আৰু সোৱণশিৰি বান্ধৰ নিৰ্মাণ কাৰ্যয়ো শামুকীয়া গতিৰে আহি ২০১২ চনত উপস্থিত হ'ল। পৰিৱৰ্তিত সময়ত এই বান্ধৰ সন্মুখত আন এক বাধাই দেখা দিলে। উক্ত বান্ধৰ নিৰ্মাণে নামনি অঞ্চললৈ ভয়ানক বিপদ কঢ়িয়াই আনিব বুলি সন্দেহ কৰি অসমৰ বিভিন্ন দল সংগঠনে এই বান্ধৰ নিৰ্মাণ বন্ধ কৰিবলৈ দাবী জনাই ভয়ানক প্ৰতিৰোধ গঢ়ি তোলে আৰু এই প্ৰতিৰোধৰ বাবে বৰ্তমান তাৰিখলৈকে ইয়াৰ নিৰ্মাণ কাৰ্য স্থবিৰ হৈ আছে। সদৌ অসম ছাত্ৰ সন্থা আৰু কৃষক মুক্তি সংগ্ৰাম সমিতিৰ লগতে অসমৰ সৰ্বমুঠ ২৬ টা সংগঠনে এই বান্ধ নিৰ্মাণৰ বিৰোধিতা কৰি তীব্ৰ গণ আন্দোলন গঢ়ি তুলিছে। এই বিৰোধিতাৰ আঁৰৰ মুখ্য কাৰণটো হ'ল যে সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ কাম সম্পূৰ্ণ হৈ উঠিলে লখিমপুৰ, ধেমাজীৰ লগতে সমগ্ৰ নামনি অসম বানত বুৰ যোৱাৰ প্ৰবল সম্ভাৱনা আছে। এই কথাষাৰৰ মূল ভিত্তি হ'ল দল সংগঠনসমূহৰ বিৰোধিতাৰ ফলত চৰকাৰে গঠন কৰা গুৱাহাটী বিশ্ববিদ্যালয় আৰু আই.আই.টি. গুৱাহাটীৰ বিশেষজ্ঞ কমিটিৰ প্ৰতিবেদন। বান্ধ সম্পৰ্কত গঠিত কমিটিয়ে তথ্যভিত্তিক অনুসন্ধানৰ অন্তত দাখিল কৰা প্ৰতিবেদনত নিৰ্মাণৰত অৱস্থাত থকা বান্ধটোৰ পৰিকল্পনা যথেষ্ট আসোঁৱাহযুক্ত আৰু ত্ৰুটিপূৰ্ণ বুলি প্ৰকাশ কৰি ইয়াৰ সংশোধনৰ কাৰণে চৰকাৰক পৰামৰ্শ দিছিল। বিশেষজ্ঞ কমিটিয়ে ৩ টা গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়াইছিল—

(10.2.1 Part I : Recommendation on the Feasibility and the safety of the Dam.)

1. The present investigations carried out to examine the downstream impact of the Lower Subansiri Hydroelectric dam project reveal gross inadequecy in the relevant facts relating to construction of the dam at the present site by the concerned authorities. The selected site for the mega dam of the present dimension was not appropriate in such a geographically and seimologically sensitive location. The seismic design parameter is not properly chawen for the project. According to the investigation, the recommended seismic design parameter is at 0.5 or more. Therefore, it is recommended not to construct the mega dam in the present site.
2. Further, from geographical tectonic and seiomological points of view the Expert Group suggests not to consider the Himalayan foothills, south of MBT for any mega hydropower project.
3. It is recommended to redesign the project by sufficient by reducing the dam height and production capacity.

বিশেষজ্ঞ কমিটিৰ পৰামৰ্শৰ পিচতো অসম চৰকাৰে তাক আওকাণ কৰি পূৰ্বৰ পৰিকল্পনাৰেই বান্ধৰ কাম চলাই যোৱাত চৰকাৰ আৰু দলসমূহৰ মাজৰ যুঁজ তীব্ৰতৰ হৈ পৰিছে। চৰকাৰ আৰু জলসমূহৰ মাজৰ 'হয়' 'নহয়' ৰ যুঁজখন কিমানদিন পৰ্যন্ত চলিব আৰু এই বান্ধৰ কাম কেতিয়া সম্ভৱ হৈ উঠিব, তাৰ সঠিক উত্তৰ কাৰোৰে হাতত নাই।

সোৱণশিৰি নদী বান্ধত পূৰ্ণ সমৰ্থন কৰা অসম চৰকাৰ তথা ইয়াৰ নিৰ্মাণৰ লগত জড়িত এন.এইচ.পি.চি.য়ে নিজৰ দায়িত্ব সুচাৰুৰূপে পালন নকৰাৰ ফলতো এই বান্ধৰ ক্ষেত্ৰত দেখা দিয়া সমস্যাই গুৰুতৰ তথা অধিক দীঘলীয়া ৰূপ ধাৰণ কৰিছে। চৰকাৰে বাৰম্বাৰ উল্লেখ কৰিছে যে এই বান্ধৰ নিৰ্মাণৰ জৰিয়তে কোনো ধৰণৰ সমস্যাৰ সৃষ্টি নহয়; বৰঞ্চ অসমত বিদ্যুৎ সমস্যা আঁতৰ হোৱাৰ লগতে অসমে অন্য ৰাজ্যৰ পৰা বিদ্যুৎ ক্ৰয় কৰিব লগা নহ'ব। তেনেহ'লে এইটোও চৰকাৰৰ দায়িত্ব যে তেওঁলোকে ৰাইজক বুজাই পুনৰ বান্ধৰ কাম আৰম্ভ কৰক। চৰকাৰে ধৈৰ্য ধৰি নিজৰ কথা প্ৰমাণ কৰাৰ লগতে ৰাইজক বুজাবলৈ চেষ্টা নকৰি বলপ্ৰয়োগৰ যোগেদি নদীবান্ধ নিৰ্মাণ কৰাৰ চেষ্টা কৰাত এই সমস্যাই দিনক দিনে গভীৰৰ পৰা গভীৰতালৈ গতি কৰিছে। বৃহৎ নদীবান্ধৰ সম্পৰ্কে নীতিগতভাৱে সন্মত দিয়াৰ পূৰ্বে চৰকাৰে নিজৰ দায়িত্ব পালন কৰি বান্ধ নিৰ্মাণৰ সমৰ্থনত দোহাৰি অহা কথাখিনিৰ সত্যতা প্ৰতিপন্ন কৰা উচিত।

সোৱণশিৰি নদীবান্ধৰ সমস্যাই গভীৰৰূপ ধাৰণ কৰি থকা সময়তে কলম্বিয়া বিশ্ববিদ্যালয়ৰ অধ্যাপক, নোবেল বঁটা প্ৰাপক জোছেফ ষ্টিগলিজে অসমলৈ আহি ৮/১/২০১২ তাৰিখে কৰা মন্তব্যই বিশেষ তাৎপৰ্য বহন কৰিছে। সাংবাদিকৰে হোৱা কথা-বতৰাত তেখেতে কৈছে— 'মই নামনি সোৱণশিৰি বৃহৎ নদীবান্ধ বিষয়ত অধ্যয়ন কৰা নাই। বৰ্তমান সময়ত বিদ্যুৎ উৎপাদনৰ বাবে এনে নদীবান্ধৰ বিপৰীতে মই সৰু সৰু বান্ধকহে পোষকতা কৰোঁ। অসমৰ দৰে বানাক্ৰান্ত ৰাজ্যৰ ক্ষেত্ৰত এনে বৃহৎ নদীবান্ধ গভীৰ চিন্তাৰ বিষয়।' ষ্টিগলিজৰ মন্তব্যই চৰকাৰৰ সমস্যা অধিক বৃদ্ধি কৰিছে আৰু এতিয়া ই সম্পূৰ্ণৰূপে চৰকাৰৰ ওপৰত নিৰ্ভৰশীল যে চৰকাৰে কিদৰে এই সমস্যা দূৰ কৰে, অন্যথা হাজাৰ কোটি টকা ব্যয়ৰে নিৰ্মিত হৈ থকা এই বান্ধৰ কাম হয়তো সম্পূৰ্ণ নহ'বগৈ, চৰকাৰে এই প্ৰকল্পক যিমানেই জনসাধাৰণৰ হিতৰ কাৰণে গ্ৰহণ কৰা বুলি প্ৰচাৰ নকৰক কিয়, এই প্ৰকল্পক লৈ সৰ্বসাধাৰণ ৰাইজৰ মাজত এতিয়াও সন্দেহ আৰু শংকা আঁতৰা নাই, বৰঞ্চ বাঢ়িছেহে।

চৰকাৰে সকলো পক্ষকে, বিশেষকৈ সৰ্বসাধাৰণ ৰাইজক আস্থাত লৈ তেওঁলোকৰ মনত সৃষ্টি হোৱা সন্দেহ আৰু শংকা দূৰ কৰাৰ বাবে যথেষ্ট সাৱধানে কাৰ্যব্যৱস্থা গ্ৰহণ কৰিলেহে এই সমস্যাৰ সমাধান আশা কৰিব পাৰি। তাৰ পৰিৱৰ্তে উভয় পক্ষই জেদত লাগি থাকিলে সমস্যাৰ জটিলতা বাঢ়িবহে। এইক্ষেত্ৰত চৰকাৰৰ দায়িত্ব সৰ্বাধিক।

# বিহু আৰু ইয়াৰ তাত্ত্বিক দিশ

পাখী বৰা, স্নাতক ৩য় বৰ্ষ

বিহু অসমীয়া জাতিৰ অতি আপোন, অতি পিৰিচিত, অতি ওচৰৰ, অতিকে মন-প্ৰাণৰ আনন্দৰ উৎসৱ। বিহু অসমীয়া জাতিৰ জাতীয় উৎসৱেই নহয়, ই অসমীয়াৰ বাপতি-সাহোন। বিহু উৎসৱ অসমত অতি পুৰণি কালৰ পৰাই প্ৰচলিত হৈ আহিছে। পুৰণি বিহুৰ চিন্তাধাৰা আৰু আজিকালি মঞ্চত উপবিষ্ট হোৱা বিহুৰ মাজত বহুতো পাৰ্থক্য আছে। পুৰণি কালত বিহুৰ উদ্দেশ্য আছিল প্ৰকৃতিৰ পূজাৰ মাজেৰে কৃষিৰ সমুন্নতি, ঘৰত ব্যস্ত থকা বাই-ভনী, মা আদি মাতৃসকলৰ নিজহাতে বোৱা বস্ত্ৰ অৰ্থাৎ বিহুৱানৰূপী কৱচ ধাৰণ কৰি কৰ্ম-সংস্কৃতিৰে নতুন বছৰক আঁকোৱালি লোৱাটোহে। আজি কিন্তু বিহুৱান বজৰুৱা হৈছে, ব্যৱসায়ত পৰিণত হৈছে। আনহাতে, আগৰ বিহুত সেৱা আৰু আশীৰ্বাদৰ যি বিনিময় আছিল, সেইটো সমাজৰ শৃঙ্খলা ৰক্ষা কৰাত অতি সহায়ক আছিল। আজিকালি প্ৰাচ্য আৰু পাশ্চাত্য সভ্যতাৰ সংমিশ্ৰণ হোৱা বাবে সেই তুলনাবিহীন আনন্দৰ পৰা বহুতেই বঞ্চিত হৈছে।

'বিষুৱ' শব্দৰ পৰাই বিহুৰ নামকৰণ। বিহুৰ দিনা সংক্ৰান্তি। বিহুক দোমাহী বুলিও কোৱা হয়। সূৰ্যৰ বিষুৱ ৰেখা অতিক্ৰমৰ সময় কাৰণে বিহু। এক ৰাশিৰ পৰা আন ৰাশিলৈ সূৰ্যৰ গতি কাৰণে সংক্ৰান্তি। দুই মাহৰ সন্ধিক্ষণ কাৰণে দোমাহী বুলি কোৱা হয়।

প্ৰকৃতিৰ প্ৰভাৱতে বিভিন্ন অৱস্থাত, বিভিন্ন ৰূপত নতুনৰ মাজত নতুনত্ব দি থাকে। আনহাতে, প্ৰকৃতি জগতৰ ক্ৰিয়াতেই মৰ্ত্যৰ জীৱই গুণ কৰ্ম অনুসৰি ভোগ কৰি থাকে। অহংকাৰ বশতঃ মূৰ্খলোকে নিজকে কৰ্তাজ্ঞান কৰিলেও আচলতে প্ৰকৃতিয়েই সৃষ্টি-স্থিতি-লয়ৰ কৰ্তা। মানুহে মাত্ৰ প্ৰকৃতিৰ ৰূপ-ৰস আদি বিভিন্ন দিশত বিভিন্ন দান ভোগ-উপভোগহে কৰে।

*প্ৰকৃতেঃ ক্ৰিয়মানানি গুণৈঃ কৰ্মানি সৰ্ব্বশঃ।*
*অহঙ্কাৰাৎ বিমূঢ়াত্মা কৰ্ত্তাহমিতি মন্যতে।।*

বসন্তকালক ঋতুৰাজ বুলি কোৱা হয়। কাৰণ, গছত নতুন নতুন পাত ওলাই ফলে-ফুলে জাতিস্কাৰ হৈ পৰে। কুলি-কেতেকীৰ মাতে দশোদিশ মুখৰিত কৰে। বসন্তৰ মলয়া বতাহে জলবায়ু নাতিশীতোষ্ণ কৰি ৰাখে। শীতৰ প্ৰকোপ আঁতৰাই সূৰ্যই উত্তৰায়ণত গতি কৰি মানুহক, জীৱক স্বৰ্গৰ সুগম পথ দেখুৱাই দিয়ে। দুৰ্গাদেৱীয়ে বাসন্তীদেৱী নাম লৈ প্ৰকৃতিক আৰু পৃথিৱীৰ জীৱক শক্তি প্ৰদান কৰে। ঋষি, মুনি, ব্ৰাহ্মণসকলে সিদ্ধি লাভ কৰিবলৈ উপবাসে থাকি সাধনা কৰে। মুঠতে এই বসন্তকালত চাৰিওফালৰ পৰা পৃথিৱীয়ে ন সাজে সাজি কাচি ওলায়। তগৰ ফুলৰ গন্ধই প্ৰসাধনৰ কাম কৰে, কপৌ আদি ফুল ৰূপসজ্জাত সহায়ক হয়। সেইকাৰণেই ৰঙালী বিহুৰ তাৎপৰ্য বেছি। কাৰণ আনন্দৰ পৰিৱেশ। আনন্দই ব্ৰহ্মা। ব্ৰহ্মাই আনন্দ।।

বছৰটোৰ ভিতৰত প্ৰকৃতি প্ৰধানকৈ তিনিটা ৰূপত প্ৰত্যক্ষ হয়। যদিও ছয়টা ঋতু আমাৰ অনুভৱ হয়, তথাপি প্ৰধান ভাগ তিনিটা দৃশ্যমান হয়। সেয়েহে আমাৰ বিহুও তিনিটা— কঙালী, ভোগালী আৰু ৰঙালী।

ৰঙালী বিহু সাধাৰণতে সাতদিন পালন হয়। সাতদিনত বিবিধ শাক-পাত; কমেও ৭ বিধৰ। বেছি হ'লেতো ভালেই। শাক তুলি আনি শাকান্ন খোৱা প্ৰথা অসমীয়া সমাজত দেখা গৈছিল, এতিয়াও গাঁৱত ইয়াৰ প্ৰভাৱ নোহোৱা নহয়। অসমীয়া তিৰোতাৰ শাক তোলা এটা উৎসৱেই প্ৰচলিত হৈ আছে। পুৰুষসকলে ব'হাগৰ ১ তাৰিখৰ পৰা গোটেই ব'হাগ মাহটো জুৰি ভথেলি উৎসৱ পালন কৰে। দৰং জিলাৰ বিভিন্ন অঞ্চলত ইয়াক 'দৌল' বোলা হয়। সকলো শ্ৰেণীৰ লোকে ইয়াক আনন্দৰ উৎসৱ হিচাবে পালন কৰি আহিছে।

চ'ত-ব'হাগৰ সংক্ৰান্তিৰ দিনা গৰুৰ বিহু। বিহুক কৃষি উৎসৱ বুলি ক'লেও ভুল নহয়। অসম কৃষি প্ৰধান ৰাজ্য। কৃষি হৈছে অসমবাসীৰ মুখ্য জীৱিকা। কৃষিৰ প্ৰধান সম্বল হ'ল গৰুহাল। সেয়েহে গো লক্ষী বুলি মানি লৈ গৰুক সন্তুষ্ট ৰাখিবৰ কাৰণে প্ৰথম দিনাই গৰুবিহু পালন কৰা হয়। খেতিয়কে হাল উঠিবৰ দিনা আৰু ন খোৱাৰ দিনা গৰুক কলপাতত ভাত দিয়া প্ৰথা অসমীয়া খেতিয়কৰ মাজত প্ৰচলিত আছিল।

মাঘবিহুৰ আগদিনা, অৰ্থাৎ উৰুকাৰ দিনাও গৰুক ভোজন কৰোৱা প্ৰথা আছে। কঙালী বিহুতো পুৱাতে বাটিত সৰিয়হৰ তেল লৈ গৰুৰ শিঙত ঘঁহি দিয়া হয়। অৱশিষ্ট তেলখিনি ঘৰৰ পৰিয়ালে গাত ঘঁহিলে চৰ্মৰোগ নহয় বুলি বিশ্বাস। তাৰপিছত লাও-বেঙেনাৰ মালা পিন্ধাই পুখুৰী নাইবা নদীত গা ধুৱাই দীঘলতি পাতেৰে কোবাই কোবাই গৰুৰ গাৰ মাখি আদি খেদি গৰুক সুখ দিয়ে। আনকি এফাঁকি পদো গায়—

*দীঘলতিৰ দীঘল পাত। গৰু জাৰো জাত জাত।*
*মাৰ সৰু, বাপেৰ সৰু, তই হ'বি বৰ গৰু।।*

গৰুৰ ডিঙিত পিন্ধোৱা লাও-বেঙেনাৰ কিছু অংশ ঘৰৰ চালত থলে বছৰটোলৈ বেমাৰ নহয় বুলি বিশ্বাস। গধূলি পথাৰৰ পৰা গৰু চপাই আনি ধোঁৱা আদি দি নৈবেদ্য, চাকি-বন্তি দি নতুন পঘা গলত আঁৰি গোপূজা কৰা হয়।

ব'হাগৰ পহিলা তাৰিখটোৱে হৈছে মানুহ বিহু। সেই দিনা পুৱা গা-পা ধুই সৰুৱে ডাঙৰক সেৱা জনায়। ডিঙিত নতুন গামোছা লয়। সেয়ে বিহুৱান। মানুহ বিহুৰ দিনা বৰষুণ হ'লে সেই বছৰত খেতি ভাল হয় বুলি লোকবিশ্বাস। ব'হাগৰ সাত-বিহুক এইদৰে ভগোৱা হয়— চ'ত বিহু, ৰাতি বিহু, গৰু বিহু, মানুহ বিহু, কুটুম বিহু, মেলা বিহু আৰু চেৰা বিহু।

গৰুবিহুৰ দিনা পিঠাগুড়ি ভৰোৱা আৰু পানী ভৰোৱা দুটা ঘট দান কৰা প্ৰথা আছে। গোটেই বছৰটোত যাতে পানীৰ অভাৱ নহয়, খাদ্যৰ অভাৱ নহয়, এই উদ্দেশ্য কৰি ঘট দান কৰা হয়। ইয়াক ধৰ্মঘট বুলি কোৱা হয়।

<u>মন্ত্ৰ ঃ</u>

ওঁ দেৱ দেৱ মহাদেৱ নীলগ্ৰীৱ জটাধাৰ বাতবৃষ্টি হৰং দেৱ মহাদেৱ নমস্তুতে।

ৰাম নাম লিখি হনুমানৰ বীজ মন্ত্ৰ লিখি দিয়া প্ৰথাও আছে। হং হনুমন্তে ৰুদ্ৰাত্মাকায় হুংফট্।

কঙালী বিহুত খেতি ৰক্ষাৰ কাৰণে আকাশবন্তি জ্বলোৱা হয়।

*উচ্চৈঃ প্ৰদ্বীপ আকাশে যো দদ্যাৎ কাৰ্ত্তিকে নৰঃ।*
*সৰ্ব্বকুলং সমূদ্ধৃত্য বিষ্ণুলোকমবাপ্নুয়াৎ*
*চতুষ্পথেষু ৰথ্যায়ধ বাস গৃহেষু চ।*
*বৃক্ষমূলেষু গোষ্ঠেষু কান্তৰে নহনেষু চ।*
*দ্বীপ দানানি সৰ্ব্বত্ৰ মহাফল মৱাপ্নুযাৎ।*

গোটেই কাতিমাহ জুৰি তুলসীৰ গুৰিত চাকি দিয়া প্ৰথা প্ৰচলিত হৈ আছে। কং মানে স্বৰ্গ। তাৰ পৰাই কঙালী, যেনে— ৰ'দালী, জোনালী, ভোগালী আদি শব্দ সাধিত হৈছে। সেইদৰে কঙালী অৰ্থাৎ স্বৰ্গমুখ, শান্তি-প্ৰশান্তি আদি অৰ্থত ব্যৱহাৰ হৈছে।

ভোগালী বিহুৰ তাত্ত্বিক দিশটো হ'ল কৃষি প্ৰধান অসমত খেতি সামৰি উৎপাদিত সামগ্ৰীৰে উৰুকাৰ দিনা প্ৰীতি-ভোজ, লগ-ভাত খোৱা। পুহ আৰু মাঘৰ সংক্ৰান্তি মকৰ সংক্ৰান্তিত সূৰ্য উত্তৰায়ণ হয়। দান-স্নান, পূজা-পাঠ আদিত অসীম সুফল। মকৰ সংক্ৰান্তি গোটেই ভাৰতবৰ্ষতেই পালন কৰে।

ভোগালী বিহু দেহৰ পৰিপুষ্টিৰ কাৰণে,
ৰঙালী বিহু দেহ-মনৰ আনন্দৰ কাৰণে,
কঙালী বিহু আত্মাৰ আধ্যাত্মিক বিকাশ, ভগৱৎ ভক্তি, পৰম আনন্দৰ বাবে।

"নাও তল যাব, শিল ওপঙিব, কোৱা বগা হ'ব, লুইত উজাই বব, তেবে কি আমাৰ কবুল ছাৰিবেক।"

— দেওধাই অসম বুৰঞ্জী

# অসমীয়া মাধ্যমৰ বিদ্যালয়ত ইংৰাজী ভাষা শিক্ষাৰ সমস্যা

প্ৰিয়া গোস্বামী, স্নাতক দ্বিতীয় বৰ্ষ

শিক্ষা হৈছে মানুহক সামাজিক জীৱনৰ উপযোগীকৈ গঢ়ি তুলিব পৰা এক মৌলিক উপাদান। শিক্ষাইহে মানৱ জীৱনলৈ পূৰ্ণতা আনিব পাৰে। শিক্ষা এনে এক প্ৰক্ৰিয়া যাৰ জৰিয়তে মানুহে নতুন চিন্তা ধাৰণা আৰু ভাল-বেয়া বিচাৰ কৰি জীৱনৰ পথত আগুৱাই যাব পাৰে। শিক্ষা মানৱ জীৱনৰ সফলতাৰ মূল চাবি-কাঠি। কিন্তু এনে শিক্ষা প্ৰদান কৰাৰ সময়ত বিদ্যালয়সমূহে ভালেমান সমস্যাৰ সন্মুখীন হোৱা সততে পৰিলক্ষিত হয়।

আমাৰ সমাজত অসমীয়া মাধ্যমৰ বিদ্যালয়ত বিশেষভাৱে ইংৰাজী শিক্ষাক অৱহেলা কৰা দেখা যায়। অসমীয়া মাধ্যমৰ এখন বিদ্যালয়ত ইংৰাজী ভাষা শিক্ষাৰ সমস্যা থকাটো নিতান্তই স্বাভাৱিক। কিন্তু এই সন্দৰ্ভত প্ৰশ্ন হয় অসমীয়া মাধ্যমৰ ছাত্ৰ-ছাত্ৰীসকলৰ ইংৰাজী বিষয়ৰ ওপৰত দখল আৰু জ্ঞান অতি চিন্তনীয়ভাৱে হতাশজনক কিয়? নিশ্চয় ইয়াৰ আঁৰত বহুত কেৰোণ আছে। ইংৰাজী ভাষা শিক্ষাৰ লগত জড়িত এই কেৰোণবিলাক আমি ভালদৰে ফঁহিয়াই চোৱাৰ আৰু তাৰ সমাধান বিচাৰি উলিওৱাৰ সময় আহি পৰিছে। কিন্তু ভাবিবলগীয়া বিষয়টো হৈছে এই সমস্যাৰ আঁৰৰ মূল কাৰণসমূহ কি? পাঠ্যক্ৰমৰ দোষ নে সুস্থ প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অভাৱ? শিকাৰ প্ৰতি আগ্ৰহহীনতা নে অভিভাৱক তথা সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ বিষয়টোৰ প্ৰতি উদাসীনতা? নে এইবোৰৰ উপৰিও অন্য কিবা কাৰণ আছে যাৰ ফলত এই সমস্যাটোৱে গা কৰি উঠিছে? যি কাৰণেই নহওক, এই প্ৰাসঙ্গিক দিশটো অতি গুৰুত্ব সহকাৰে আৰু তাৰ ব্যৱহাৰিক দিশটো আখৰে আখৰে পালন কৰিলেহে সমস্যা সমাধানৰ পথ ওলাব।

অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহত ইংৰাজী ভাষাৰ পাঠ্যক্ৰম সম্পূৰ্ণভাৱে আৰম্ভ হয় পঞ্চম শ্ৰেণীৰ পৰা আৰু দশম শ্ৰেণীত অন্ত পৰে। অৰ্থাৎ ছাত্ৰ-ছাত্ৰীসকলে ইংৰাজী ভাষা শিক্ষা লাভ কৰে মুঠ ছবছৰ কাল। আনহাতে ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীসকলে নাৰ্চাৰী শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে বাৰবছৰ কাল ইংৰাজী ভাষা শিকাৰ সুযোগ পায়। গতিকে তুলনামূলকভাৱে অসমীয়া মাধ্যমৰ ছাত্ৰ-ছাত্ৰীসকল ইংৰাজী মাধ্যমৰ ছাত্ৰ-ছাত্ৰীসকলতকৈ দুৰ্বল হয়। উচ্চ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ অতি উৎসাহেৰে একোজন পূৰ্ণ ব্যক্তিত্বৰ ব্যক্তি হ'বলৈ ছাত্ৰ-ছাত্ৰীসকলে প্ৰাথমিক বিদ্যালয়ৰ পৰা আহি উচ্চতৰ মাধ্যমিক শাখাত নামভৰ্তি কৰে। কিন্তু প্ৰথম পদক্ষেপতে তেওঁলোকৰ বাবে ইংৰাজী ভাষাটো হৈ পৰে প্ৰতিবন্ধক। বহু ছাত্ৰ-ছাত্ৰীৰে ইংৰাজী ব্যাকৰণৰ সৈতে পৰিচয় নাথাকে। আনহাতে ইংৰাজী শব্দও ভালকৈ নাজানে। ফলত ইংৰাজী বাক্য এটা লিখিবলৈ দিলে থমকি ৰয় নাইবা ইংৰাজীত কিবা এটা সুধিলেও নুবুজে বা বুজিলেও উত্তৰ দিব নোৱাৰি তলমূৰ কৰে। বৰ্তমান শিক্ষাদানৰ মাধ্যম হিচাপে মাতৃভাষাৰ প্ৰৱৰ্তন হৈছে। ইয়াৰ ফলত দিনটোত বহু সময় ধৰি ছাত্ৰসকলে ইংৰাজী ভাষাৰ শব্দ বা বাক্য শুনাৰ পৰা বঞ্চিত হয়। এটা ভাষাক আয়ত্তলৈ আনিবলৈ সেই ভাষাৰ সঘনে ব্যৱহাৰ কৰা আৰু সঘনে শুনাটো অত্যন্ত প্ৰয়োজনীয়। সেয়ে অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহৰ ছাত্ৰসকলে দিনটোত ৪০-৪৫ মিনিট সময় শ্ৰেণীত শিক্ষকৰ মুখত ইংৰাজী বাক্য শুনি ইংৰাজী ভাষা শিকাটো সম্ভৱ নহয়। এইটো হৈছে আমাৰ অসমীয়া মাধ্যমৰ এক প্ৰধান সমস্যা।

আনহাতে শ্ৰেণীসমূহত ছাত্ৰ-ছাত্ৰীৰ প্ৰত্যক্ষ সহযোগ নাপালে শিক্ষকজনেও শিক্ষাদানৰ মানসিক প্ৰস্তুতি হেৰুৱাই পেলাব। ছাত্ৰ-ছাত্ৰীসকলে পাঠটো অসমীয়াত বুজাই দিবৰ বাবে বাৰে-বাৰে অনুৰোধ কৰাৰ ফলত ইংৰাজী শিক্ষকজনে পাঠ্যক্ৰম ব্যাখ্যা কৰোঁতে প্ৰায়েই মাতৃভাষাৰ সহায় ল'বলগীয়া হয়। এইটো হৈছে অসমীয়া মাধ্যমৰ আন এক সমস্যা।

এনেধৰণৰ সমস্যাবোৰ লক্ষ্য কৰিয়ে উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ বাবে পাঠ্যক্ৰম তৈয়াৰ কৰোঁতাসকলে ছাত্ৰ-ছাত্ৰীসকলৰ ইংৰাজী জ্ঞানৰ মানদণ্ডৰ প্ৰতি চিন্তা কৰি পাঠ্যক্ৰম যুগুত নকৰিলে ছাত্ৰ-ছাত্ৰীসকলে পাঠাপুথিসমূহৰ ৰস, ভাবাৰ্থ নাইবা ভাষাৰ লগত সম্বন্ধ স্থাপন কৰিব নোৱাৰে। ফলত ইংৰাজী ভাষা শিক্ষাৰ প্ৰতি অনীহা ওপজে। চাবলৈ গ'লে অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ ইংৰাজী ভাষাৰ প্ৰতি এটা অহেতুক ভীতি আছে। ইংৰাজী উচ্চাৰণ কৰিবলৈ বা লিখিবলৈ সংকোচ, ভয় কৰে— জানোচা ভুল হয় বা কোনোবাই উপলুঙা কৰে। সেয়ে মই ভাবোঁ চৰকাৰে ইংৰাজী পাঠদানৰ শ্ৰেণী বঢ়াব লাগে, যাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ মনৰ পৰা অহেতুক ভয় বহু পৰিমাণে আঁতৰ হয়। এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ শিকাৰ আগ্ৰহ থাকিব লাগিব, জ্ঞান আহৰণৰ পিপাসা থাকিব লাগিব। পাঠ্যক্ৰমৰ কিতাপৰ বাদেও ইংৰাজী ভাষাৰ অন্য কিতাপ বা আলোচনী পঢ়াৰ অভ্যাস গঢ়ি তুলিব লাগিব। লগতে ইংৰাজী কোৱা বা লিখাৰ অভ্যাসো গঢ়ি তুলিব লাগিব। আজিৰ পৰিস্থিতিত ছাত্ৰ-ছাত্ৰীসকলে অহোপুৰুষাৰ্থ চেষ্টা নকৰিলে নিজৰ ভৰিত নিজে থিয় দি চলিব নোৱাৰিব।

এই সমস্যাবোৰ সমাধান কৰিবলৈ হ'লে শিক্ষকসকলে ইংৰাজী শিকাওঁতে এনে শব্দ ব্যৱহাৰ কৰিব লাগে যাতে ছাত্ৰ-ছাত্ৰীয়ে সহজে অনুশীলন কৰিব পাৰে। ইংৰাজী এটা চহকী ভাষা, সেইহে এই ভাষাত ব্যুৎপত্তি লাভ কৰিবৰ বাবে ডাঙৰ-ডাঙৰকৈ পঢ়িবলৈ দিব লাগে। বানান শুদ্ধ হ'বৰ বাবে মাজে মাজে শ্ৰুতলিপি দিব লাগে আৰু ঘৰত প্ৰশ্নোত্তৰ কৰিবলৈ দিব লাগে। দীঘলীয়া পাঠ্যক্ৰমৰ মাজতে ব্যাকৰণৰ অনুশীলন কৰাব লাগে। ইংৰাজীৰ পৰা অসমীয়ালৈ আৰু অসমীয়াৰ পৰা ইংৰাজীলৈ অনুবাদ কৰোৱাব লাগে। ব্যাকৰণ মুখস্থ কৰিবলৈ দিয়াতকৈ প্ৰাথমিক বিদ্যালয়তেই প্ৰথম শ্ৰেণীৰ পৰা বাক্য-গাঁথনি বেছি শিকাব লাগে। তেতিয়া নিশ্চয় ইংৰাজী পাঠ্যপুথি শ্ৰেণীত পঢ়া বা শিক্ষকে ব্যাখ্যা কৰাৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলে অধিক মনোযোগ দিব। অভ্যাসে এই ক্ষেত্ৰত বিশেষ সহায় কৰিব। শিক্ষাদানক আমাৰ সমাজে সন্মানেৰে গ্ৰহণ কৰক, শিক্ষা জগতৰ পৰা সৰু-বৰ দুৰ্নীতি দূৰ কৰক। শিক্ষক আৰু অভিভাৱক দুয়োৰে একক প্ৰচেষ্টা নহ'লে আজিৰ যুগত দায়িত্ব জ্ঞান কম থকা একোজন ছাত্ৰ-ছাত্ৰীক ফলপ্ৰসূভাৱে শিক্ষাদান কৰা সম্ভৱ নহয়। ইংৰাজী ভাষা অনবদ্য সুন্দৰ আৰু চহকী ভাষা। এই জটিল পৃথিৱীখনত সুন্দৰভাৱে আত্মনিৰ্ভৰশীল হৈ জীয়াই থাকিবলৈ ইংৰাজী ভাষা জ্ঞান আমাৰ থাকিবই লাগিব। আৰু এই ভাষা আয়ত্ত কৰাত ছাত্ৰ-ছাত্ৰীসকলক অভিভাৱক, পিতৃ-মাতৃ আৰু শিক্ষাগুৰুৱে বিশেষভাৱে সহায় কৰিব লাগিব। এই ইংৰাজী ভাষা শিক্ষাক সমস্যামুক্ত কৰি সাফল্যমণ্ডিত কৰি তুলিবলৈ সমূহ ছাত্ৰ-ছাত্ৰী, অভিভাৱক তথা সমাজৰ শিক্ষিতৰূপে পৰিগণিত ব্যক্তিৰে সজাগতা আৰু আগ্ৰহৰ প্ৰয়োজন।

"কোনটো জাতি কিমান উন্নত তাৰ একমাত্ৰ সাক্ষী সেই জাতিৰ সাহিত্য"

— কমলাকান্ত ভট্টাচাৰ্য

গোসাঁনী চৰিত্ৰকেইটাৰ যোগেদি নাৰী মনৰ যি ঈৰ্ষা ভাৱ প্ৰকট কৰিছে সেইটো অকল নাৰীমনতে নহয়, পুৰুষৰ মনতো এনে ঈৰ্ষাভাৱ প্ৰকট হয়। এনে সামাজিক পৰিস্থিতিৰে সৃষ্টি অনুৰাধা শৰ্মা পূজাৰীৰ 'হৃদয় এক বিজ্ঞাপন'ত নাৰীৰ বিষয়ে বিভিন্ন ধৰণৰ বেদনাদায়ক ছবি পোৱা যায়। ইয়াৰ উপৰিও লেখিকা গৰাকীয়ে এইটো বুজাবলৈ চেষ্টা কৰিছে যে নাৰী কেৱল পাকঘৰৰ কামৰ মাজতে সীমাবদ্ধ নহয়। নাৰীয়ে প্ৰতিটো কাম কৰিব পাৰে, তাকো বুজাইছে এনেদৰে—

'জ্ঞানসমৃদ্ধ মানে কেৱল উল গোঁঠা আৰু পোলাও বিৰিয়ানী ৰন্ধাৰ কামত আত্মনিয়োগ কৰিবলৈ নহয়। কাম কৰা, যিকোনো কৰি ভালপোৱা কাম। যিকোনো কামেই অভিজ্ঞতা কঢ়িয়াই আনে জীৱনলৈ।'

গ্ৰন্থখনত ভাস্বতী, প্ৰয়াস, মিঃ সুভাষ বাৰ্মা, বাসৱ বেনাৰ্জী, আলতাফ হুছেইন, সীমা নায়ৰ, ষ্টেলা লামা, ৰবীন লিংডো, মায়া লাহিড়ী, গীতা বসু, মহুৱা, ৰঙা মাসী, অবিনাশ, চন্দন, কিন্নৰী আদিৰে বিভিন্ন চৰিত্ৰ ৰূপায়ণ কৰা হৈছে।

ড° মামণি ৰয়ছম গোস্বামীৰ 'দুৰ্গা'ৰ দৰে 'ভাস্বতী'ও এগৰাকী সহানুভূতিশীল নাৰীৰূপে প্ৰকট হৈছে। তাৰ উপৰিও ড° গোস্বামীৰ দৰে অনুৰাধা শৰ্মা পূজাৰীৰো মন কাব্যিকতাৰে ভৰা, সেয়া উমান পোৱা গৈছে; যেনে— 'সকলো ভাল লাগে ..... নদী, উপত্যকা, পাহাৰ, পথাৰ, অৰণ্য, ........। শৰীৰত স্পৰ্শ কৰিব কেঁচা ঘাঁহ বা কোমল বালিয়ে ...... নিস্তব্ধতা ভাঙিব অজান পখীৰ মাতে ...... বতাহে কঢ়িয়াই আনিব বনৰীয়া ফুলৰ সুবাস......। জানো এয়া অনুভৱ, তথাপিও আকাংক্ষা জাগে।'

তাৰ উপৰিও মামণি ৰয়ছম গোস্বামীয়ে কোৱাৰ দৰে নাৰীৰ গোপন জীৱন, যৌন আবেদন, অৰ্থনৈতিক দুৰৱস্থা আদিৰ বিভিন্ন কাৰণ অনুৰাধা শৰ্মা পূজাৰীৰ উপন্যাসখনতো দেখা যায়। কিন্তু এটা অকলশৰীয়া জীৱন মানুহৰ স্বাভাৱিক জীৱনৰ পৰিণতি নহয়। এয়া 'হৃদয় এক বিজ্ঞাপন'ৰ পৰিণতি আছিল। আজিকালি হৃদয় কিনি লোৱা হৈছে। মগজু বিক্ৰী হৈছে, হৃদয় এখন উকা কাগজ হৈ গৈছে। তাত কোনোবাই ৰং সানিলেও ৰং লাগি ৰৈছে, বোকা ছটিয়ালেও বোকা লাগি ৰৈছে। হৃদয়ৰ দাম, কছাইখানাৰ মঙহতকৈও কম আজি। এইটো দেখুওৱাত লেখিকা সাৰ্থক হৈছে। কিন্তু গ্ৰন্থখনত কিছু আসোঁৱাহ দেখা যায়। নাৰীৰ ওপৰত যিবোৰ অত্যাচাৰ বা উৎপীড়ন চলিছে সেইবোৰৰ বাবে যেন নাৰী গৰাকীয়েই জগৰীয়া আৰু গ্ৰন্থৰ শেষত লেখিকা গৰাকীয়ে সকলো মিলাইহে থ'ব বিচাৰিলে। এই দুয়ো গ্ৰন্থতে নাৰী জীৱনৰ বিভিন্ন ঘাত-প্ৰতিঘাতৰ কথা সোঁৱৰাইছে আৰু দুয়োখন গ্ৰন্থত যিবোৰ ছবি দেখুৱাইছে সি ইমান সুন্দৰ হৈছে যে ইয়াৰ দুৰ্বল দিশসমূহ উলিয়াবলৈ সহজ নহয়।

"জীৱনক সত্য, সুন্দৰ আৰু মংগলময় কৰাই মানৱ আত্মাৰ চৰম উদ্দেশ্য"

— নীলমনি ফুকন



# সংগীতৰ উৎপত্তি সম্পৰ্কে

সুস্মৃতি মেধি, স্নাতক তৃতীয় বৰ্ষ

সংগীত এক পৰিধিবিহীন গভীৰ অনুভৱী সত্তা। ব্ৰহ্মাণ্ড সৃষ্টিৰ মূল উৎস শব্দ (নাদ), সময় আৰু পোহৰৰ পৰাই আৰম্ভ হৈছে সংগীত। জীৱজগতৰ সৃষ্টিৰ লগে লগে সংগীতৰো সৃষ্টি হয়। প্ৰথম অৱস্থাত সংগীত প্ৰকৃতিত বিলীন হৈ আছিল। ভাষা সৃষ্টিৰ আগত জীৱ-জন্তু আৰু মানুহে মনৰ ভাব প্ৰকাশ কৰিবলৈ সংগীতক মাধ্যম হিচাপে ব্যৱহাৰ কৰিছিল।

সভ্যতাৰ উত্তৰণৰ লগে লগে উৰ্বৰ মস্তিষ্কৰ মানৱ সভ্যতাইও প্ৰকৃতিৰ দান 'সংগীত'ক এক ব্যাকৰণিক আৰু শৃংখলাবদ্ধ সংগীতৰ ৰূপ দিয়ে। লগে লগে 'সংগীত' মানুহৰ এক এৰাব নোৱাৰা অংগৰূপে প্ৰতিষ্ঠিত হয়। ভৌগোলিক ভিন্নতা অনুসৰি ভাষা বেলেগ হ'লেও সংগীতৰ ভাষা-সুৰ একে। সপ্ত স্বৰক ভিত্তি কৰিয়েই সংগীতে আজি বিশালতা লাভ কৰিছে। সংগীত চাৰি উপবেদৰ (চাৰি উপবেদ— আয়ুৰ্বেদ, ধনুৰ্বেদ, অৰ্থশাস্ত্ৰ আৰু গন্ধৰ্ববেদ) গন্ধৰ্ববেদৰ ভিতৰত পৰে। প্ৰাচীন শাস্ত্ৰকাৰসকলে সংগীতক চৌষষ্ঠি কলাৰ ভিতৰত মুখ্য স্থান দিছে।

গীত, বাদ্য আৰু নৃত্যক বুজাবলৈ আমি আজিকালি যি 'সংগীত' শব্দ সাধাৰণতে ব্যৱহাৰ কৰোঁ তাৰ সৃষ্টিও দশম শতিকাৰ পাছত হোৱা বুলিহে অনুমান কৰা হয়। ত্ৰয়োদশ শতিকাত ৰচিত সাৰংগদেৱৰ 'সংগীত ৰত্নাকৰ' নামৰ গ্ৰন্থত সংগীত শব্দৰ উল্লেখ পোৱা যায়। এইদৰে 'গীতং বাদ্যং তথা নৃত্যং ত্ৰয়ং সংগীত মুচ্ছ্যতে' অৰ্থাৎ গীত, বাদ্য আৰু নৃত্য এই তিনিও বিধ কলাকে একেলগে 'সংগীত' বোলা হয়। গীত শব্দৰ লগত সম্ উপসৰ্গ লগ হৈ (সম্ + গীত) সংগীত শব্দৰ উৎপত্তি হৈছে। বুৰঞ্জীয়ে ঢুকি নোপোৱা দিনৰেপৰা মানৱ সমাজে সংগীত কলাক এটি অতি পৱিত্ৰ আৰু মৰ্যাদাপূৰ্ণ কলা হিচাপে গণ্য কৰি আহিছে। সংগীতৰ উৎপত্তি সম্পৰ্কে বিভিন্ন সিদ্ধান্তসমূহ বহলভাৱে তিনিটা ভাগত বিভক্ত কৰিব পৰা যায়। যেনে দাৰ্শনিক সিদ্ধান্ত, বৈজ্ঞানিক সিদ্ধান্ত আৰু ব্যৱহাৰিক সিদ্ধান্ত।

সংগীতৰ উৎপত্তি সম্বন্ধে বিভিন্ন পণ্ডিতে বিভিন্ন সময়ত নিজ নিজ মতামত ব্যক্ত কৰি অহা দেখা পোৱা যায়। এই ক্ষেত্ৰত ভিন ভিন পণ্ডিতসকলৰ ব্যক্তিগত সিদ্ধান্তৰ উপৰিও ভালেমান জাতিৰ মাজত পৰম্পৰাগতভাৱে চলি অহা জনবিশ্বাসো উল্লেখযোগ্য। দাৰ্শনিক সিদ্ধান্তৰ উদাহৰণ হিচাপে প্ৰাচীন ভাৰতীয় সংগীত বিদ্বান আৰু আধ্যাত্মিকবাদীসকলৰ সিদ্ধান্তৰ কথাও উল্লেখ কৰিব পাৰি। তেওঁলোকৰ মতে সমগ্ৰ বিশ্বব্ৰহ্মাণ্ড নাদৰ অধীন। এই আদি নাদ হ'ল ওম্কাৰ ধ্বনি আৰু ওম্কাৰ ধ্বনিয়ে সকলো ধ্বনিৰ মূল। এই নাদৰ সাধনাৰ মাজেদিয়ে পৰমব্ৰহ্মাৰ সন্ধান পাব পাৰি। নাদৰ পৰা সংগীতৰ সৃষ্টি আৰু সেয়ে সংগীতৰ লগত পৰমব্ৰহ্মাৰো ঘনিষ্ঠ সম্পৰ্ক আছে। ভাৰতীয় চিন্তাধাৰা অনুসৰি যতেই সংগীত তাতেই ভগৱান বিদ্যমান।

গ্ৰীক দাৰ্শনিক এৰিষ্টটলৰ মতে সংগীত হ'ল মানৱৰ আধ্যাত্মিক উন্নতিৰ প্ৰধান মাধ্যম। আন এগৰাকী গ্ৰীক দাৰ্শনিক পাইঠাগোৰাছে সমগ্ৰ বিশ্বব্ৰহ্মাণ্ডৰ ঐক্য আৰু সংহতিৰ প্ৰতীক হিচাপে সংগীতক স্থান দিছে। বিথিউচ নামৰ পাশ্চাত্যৰ এগৰাকী দাৰ্শনিকৰ মতে সংগীতে দেহ আৰু মনৰ সংগতি আনি আত্মাৰ সৈতে পৰমাত্মাৰ মিলনৰ পথ সুগম কৰি তোলে।

সংগীতৰ উৎপত্তি সম্পৰ্কে বৈজ্ঞানিক মত— আদিম অৱস্থাত গুহাবাসী মানৱে হিংস্ৰ জন্তু অথবা শত্ৰুৰ মনত ভয়ৰ সৃষ্টি কৰাৰ কাৰণে ফোঁপোলা গছৰ মূঢ়াত চপৰিয়াই বা মৰা জন্তুৰ শুকান নাড়ী ধেনুভিৰীয়া বাঁহত লগাই শব্দ উলিওৱাৰ চেষ্টা চলাইছিল। ফৰাচী দেশত আৱিষ্কৃত প্ৰাক্ ঐতিহাসিক যুগৰ গুহাত বাস কৰা মানৱে অঁকা ছবিত এজন চিকাৰীয়ে এখন ধেনু লৈ এটা পহু বধ কৰিবলৈ যোৱা দৃশ্য আছে। চিকাৰীজনে কিন্তু ধনুত কাঁড় লগোৱা নাই। ধনুৰ এটা মূৰ মুখৰ ভিতৰত থৈ আঙুলিৰে ধনুৰ

তন্তিত আঘাত কৰি তাৰ পৰা শব্দ উলিয়াবৰহে চেষ্টা কৰিছে। এচাম বৈজ্ঞানিকৰ মতে ফোঁপোলা গছৰ মুঢ়াত মৰা জন্তুৰ ছাল লগাই তাৰপৰা শব্দৰ উলিওৱাৰ প্ৰচেষ্টাৰ পৰাই সংগীতৰ সৃষ্টি হৈছে। অন্য এদল বৈজ্ঞানিকৰ মতে মানুহে পশু-পক্ষীৰ মাত অনুকৰণ কৰাৰ ফলতেই সংগীতৰ সৃষ্টি হৈছে। মানুহ স্বভাৱতেই অনুকৰণ প্ৰিয়। সেইবাবে আদিম অৱস্থাত মানুহে প্ৰকৃতিৰ সকলো ভাল লগা গুণেই অনুকৰণ কৰিব বিচাৰিছিল। কোনো কোনোৰ মতে সংগীত মানৱ মনৰ সূক্ষ্ম অনুভূতিৰ প্ৰকাশ। হহাঁ আৰু কন্দাৰ ফলত আমাৰ কণ্ঠস্বৰো ভিন্ন ভিন্নভাৱে প্ৰসাৰিত হয়। এই কণ্ঠস্বৰৰ উঠা-নমাৰ পৰাই গানৰ সৃষ্টি হ'ল বুলি এচাম বিজ্ঞানীয়ে মত প্ৰকাশ কৰে।

সংগীতে মনত আনন্দ দিয়াৰ উপৰিও ইয়াৰ এটা ব্যৱহাৰিক দিশো আছে। মানুহৰ মানসিক, দৈহিক, সামাজিক, ধাৰ্মিক আদি বিভিন্ন বিষয়ৰ উৎকৰ্ষ সাধনৰ ক্ষেত্ৰত সংগীতৰ প্ৰয়োজনীয়তা আজিকালি সকলোৱে একে বাক্যে স্বীকাৰ কৰিছে। সেয়ে কোনো কোনো লোকে ক'ব বিচাৰে যে সংগীত হ'ল— মানৱৰ কৰ্মবহুল দৈনন্দিন জীৱনৰ বিভিন্ন দিশ আৰু ভাৱধাৰাৰ মাজত সু-সামঞ্জস্য সাধনত বিশেষ বৰঙণি যোগোৱা এটি সুন্দৰ সুকুমাৰ কলা।

সভ্যতাৰ পোহৰ নোপোৱা মানুহৰ পৰা আদি কৰি আধুনিকতম সভ্যতাৰ পোহৰ পোৱা সকলোলৈকে নৃত্য, বাদ্য, গীত পৰম্পৰাগতভাৱেই হওক বা অপৰম্পৰাগতভাৱেই হওক আকোৱালি লৈ চৰ্চা কৰি আহিছে। এটা জাতিৰ সাংস্কৃতিক বিকাশ আৰু ৰুচিবোধক চৰম নিদৰ্শন হিচাবে সংগীত কলাকে গ্ৰহণ কৰা হয়। সেয়েহে সংগীতক এটা জাতিৰ দাপোণ বুলিও কোৱা হয়।


<u>সহায়ক গ্ৰন্থ ঃ</u>

১। সংগীত দাপোণ।

২। ৰাগ সংগীত।




গল্প

# দুখৰ দিনৰ লগৰী

পাখী বৰা, স্নাতক তৃতীয় বৰ্ষ

পৰী দত্তই ক্লান্ত শৰীৰে অফিচৰপৰা আহি ঘৰ পাইছেহি। চাৰিওফালৰপৰা লাহে লাহে আন্ধাৰ নামি আহিছে। পৰীয়ে গ্ৰীলৰ গেইটখন খুলি বাৰাণ্ডাৰ লাইটটো জ্বলাই দিলে। মালিকনী অহাৰ বতৰা পাই বাৰাণ্ডাৰ একাষে থকা চৰাইৰ সজাটোৰপৰা বগা ৰঙৰ পোহনীয়া লাভ-বাৰ্ডকেইটাই সচৰাচৰ কৰাৰ দৰে চি-চিয়াঁই উঠিল, অৰ্থাৎ সিহঁতে যেন কৈছে— বাইদেউ আহিলা? অৱশ মনেৰে পৰী সজাটোৰ কাষ চাপি আহিল। তাইক দেখি সজাত থকা দহজনী চৰায়ে বিভিন্ন ধৰণৰ সুৰেৰে কোৰ্হাল আৰম্ভ কৰিলে। সিহঁতে যেন টান ঠোঁটকেইটাৰে সজাৰ জালত খুটিয়াই খুটিয়াই ফালি চিৰি ওলাই আহিবহে খুজিছে। আনদিনা হোৱা হ'লে অফিচৰ পৰা অহা পৰীয়ে সাজ নসলোৱাকৈয়ে সিহঁতৰ বাবে কেইডালমান দূবৰি বন, কেইটিমান বজ্ৰাৰ গুটি আৰু সজাৰ ভিতৰৰ মলাটোত এমলা পানী দিলেহেঁতেন। কিন্তু তাইৰ আজি তেনে কৰিবৰ মন নগ'ল। তাৰ পৰিৱৰ্তে তাই আহি বাৰাণ্ডাৰ চোফাখনত বহিলহি। লাভ-বাৰ্ডকেইটাই তাইলৈ চাই চি-চিয়াঁই থাকিল।

...... চাৰিওফালে নিস্তব্ধতা। বাহিৰত পাতল আন্ধাৰ। পৰীৰ বাহিৰে ঘৰত আৰু কোনো নাই। অকলশৰীয়া পৰীৰ দহবছৰৰ আগতে ঘটা মটৰ দুৰ্ঘটনাটোলৈ মনত পৰিল। তাই তেতিয়া অফিচত মাত্ৰ সোমাইছেহে— কেৰাণী হিচাপে।

দুৰ্গাপূজাৰ দিনকেইটা মোমায়েকৰ ঘৰত স্ফূৰ্তিৰে পাৰ কৰি সিহঁত ঘৰলৈ উভতি আহিছে। সিহঁত মানে পৰীৰ মাক-দেউতাক, ভায়েক আৰু ভনীয়েক। ভায়েক ৰবি তেতিয়া ষোল বছৰীয়া আৰু ভনীয়েক নিকি চৈধ্য বছৰীয়া। দেউতাকে গাড়ী চলাইছে। সিহঁতে ঘৰ পাবলৈ মাত্ৰ এক কিলোমিটাৰ বাকী আছে। এনেতে সন্মুখৰপৰা অহা দ্ৰুতবেগী ট্ৰাক এখনৰ খুন্দাত সন্মুখৰ আসনত বহি অহা মাক-দেউতাকৰ থিতাতে মৃত্যু হ'ল। পিছৰ আসনত বহা সিহঁত তিনিওটা দুৱাৰ খুলি বাহিৰ ওলাই ৰাস্তাত পৰিল। খন্তেকতে মৃত্যু



হোৱা মাক-দেউতাকৰ গাৰ ওপৰত পৰি সিহঁতে হুৰাওৰাওকৈ কান্দিবলৈ ধৰিলে। চিঞৰ-বাখৰ শুনি ওচৰৰ মানুহ ওলাই আহি সিহঁতক হস্পিতাললৈ নিয়াৰ ব্যৱস্থা কৰিলে।

...... পৰীৰ মূৰত আকাশীসৰগ যেন ভাগি পৰিল। ভায়েক আৰু ভনীয়েকে বাইদেউ বাইদেউ কৈ বিনাব ধৰিলে। তাই এতিয়া কি কৰিব? ভাগ্যে তাইৰ ম'বাইল ফোনটো অক্ষত হৈ বেগতে আছে। তাই অভিক খবৰ দিব? ভবাৰ লগে লগে পৰীয়ে তাইৰ প্ৰেমিক অভিক দুৰ্ঘটনাটোৰ কথা ক'লে। খবৰটো পোৱাৰ অলপ সময়ৰ পিছতে অভি আহি তাইৰ কাষত থিয় হ'ল। তেতিয়াহে যেন পৰীয়ে কান্দিবলৈ সময় পালে। সেই মুহূৰ্তৰপৰা অভি তাইৰ জীৱনৰ বাবে অপৰিহাৰ্য হৈ পৰিল। কিন্তু এতিয়া? এতিয়া যে তাই একেবাৰে অকলশৰীয়া ...।

...... পৰীয়ে ভাবিলে— প্ৰায় এমাহৰ আগতে তাই এনেদৰে বহি থকা দেখি ভিতৰৰ পৰা ভনীয়েক নিকি ওলাই আহি সুধিছিল— 'বাইদেউ আহিলা? মই তোমাৰ বাবে ৰুটি-তৰকাৰী ৰান্ধি থৈছো। মুখ-হাত ধুই তুমি খোৱাহি।' পৰীয়ে কান্ধৰপৰা বেগটো নমাই সুধিছিল— ৰবিয়ে ফোন কৰিছেনে?

ঃ অ', দাদা বোলে অফিচত বৰ ব্যস্ত। সেয়ে দাদাই অসমলৈ অহাত পলম হ'ব বুলি তোমাক ক'বলৈ কৈছে।

পৰীয়ে হুমুনিয়াহ কাঢ়ি কৈছিল— এৰা, তাৰ বৰ কষ্ট। অফিচত তাৰ ইমান খাটনি।

ৰবি যোৱাৰ পিছত পৰীৰ একমাত্ৰ লগ হ'ল নিকি। নিকি এতিয়া তাইৰ দিন-ৰাতিৰ লগৰী। কিন্তু এসপ্তাহৰ পিছত নিকিয়ে পৰীক ক'লে— তাই হোষ্টেলত থাকিব বিচাৰে। কাৰণ তাইৰ স্কুলখন বহুদূৰত। নিকিৰ কথাত পৰী চক্‌খাই উঠিল। তাই নিজকে চম্ভালি তৎক্ষণাত উত্তৰ দিলে— তই দেখোন সিদ্ধান্তই ল'লি। এতিয়া মোৰ অনুমতিৰ প্ৰয়োজন কিয়?

...... দুদিনমানৰ পিছত নিকিয়ে টালি-টোপোলা বান্ধি হোষ্টেললৈ ৰাওনা হ'ল। পৰীয়ে বাৰাণ্ডাত বহি বহি লক্ষ্য কৰিলে— সন্ধিয়াই লাহে লাহে ৰাতিৰ বুকুত প্ৰৱেশ কৰিছে। পেটত ভোকটোও বেচিকৈ লাগিছে। কিন্তু ঘৰৰ ভিতৰ সোমাই নিজে কিবা এটা ৰান্ধি খাবলৈ তাইৰ সমূলি মন নগ'ল। সেয়ে ভোকক তুচ্ছ কৰি পৰীয়ে তাইৰ সোণোৱালী অতীতক ৰোমাঞ্চন কৰিলে, যি অতীতত তাইৰ জীৱন বাটৰ লগৰী হোৱাৰ হেঁপাহেৰে আগবাঢ়ি আহিছিল তাইৰ প্ৰেমিক অভি।

...... মাক-দেউতাকৰ মৃত্যুৰ দুবছৰৰ পিছত ভাই-ভনীৰ বাবে তাইৰ ব্যস্ততা দেখি এদিন অভিয়ে সুধিছিল 'মোৰ অপেক্ষাৰ অন্ত হ'বনে পৰী?' অভিক বিমুখ কৰাৰ শক্তি ক্ৰমে যেন পৰীৰ হেৰাই গৈছে। তথাপি তাই ক'লে— 'অভি, ৰবিয়ে এম. বি. এ. পাছ কৰালৈকে তুমি ৰব নোৱাৰানে? মই তাৰ পিছত আৰু কেতিয়াও বিমুখ নকৰোঁ।' কিন্তু এইবাৰ অভিয়ে তাইলৈ অপেক্ষা নকৰিলে।

অভিয়ে ক'লে— 'সিহঁতক লৈয়ে তুমি জীৱনত সুখী হোৱা। তোমাৰ ভাই-ভনীয়ে তোমাৰ ত্যাগৰ সঠিক মূল্যায়ন কৰিলে মোতকৈ সুখী মানুহ এই পৃথিৱীত আৰু নাথাকিব।' ইয়াকে কৈ অভিয়ে পিছলৈ এবাৰো নোচোৱাকৈ দীঘল দীঘল খোজেৰে ওলাই যায়।

...... এইবাৰ পৰী বহাৰ পৰা উঠি লাভ বাৰ্ডকেইটাৰ কাষত থিয় হ'ল। তাই সজাটোৰ দুৱাৰখন খুলি দি ক'লে— যা, যা, তহঁত উৰি যা। তহঁত এতিয়া ডাঙৰ হ'লি, বহু ডাঙৰ হ'লি, নিজে খুঁটি খাব পৰা হ'লি। এতিয়া মোৰ প্ৰয়োজন কি? যা, যা, তহঁত উৰি যা।

সজাটো খুলি দিয়াত লাভ বাৰ্ডকেইটাই এটা এটাকৈ ওলাই আহি পৰীৰ চাৰিওফালে চি-চিয়াঁই উৰিবলৈ ধৰিলে। কেইটামানে সিহঁতৰ টান ঠোঁটবিলাকেৰে তাইক খুটিয়াবলৈ ধৰিলে। তাৰে এটা চৰাই আহি তাইৰ কোলাত বহিলহি। সিহঁতে তাইক মাজত লৈ যেন নাচিব ধৰিলে আৰু কান্ধে-মূৰে জঁপিয়াই কিৰিলিয়াবলৈ ধৰিলে। পৰীয়ে সিহঁতক আঁজুৰি আনি গাৰ পৰা আঁতৰাই ক'বলৈ ধৰিলে— যা, যা, তহঁতো উৰি যা। আজিৰ পৰা তহঁত মুক্ত আকাশৰ মুক্ত বিহংগ।

...... চৰাইকেইটাৰ বোধহয় খেলি-খেলি আমনি লাগিছিল। সিহঁতে পৰীক গায়ে-মূৰে খুটিয়াই মৰম কৰাৰ পিছত পাখিৰে ধপ্ ধপ্ শব্দ কৰি পুনৰ সজাত সোমাল। সজাৰ পৰা চকুৰে পিৰিক-পাৰাককৈ তাইলৈ চাই থাকিল। সজাৰ কাঠবিলাকত ঠোঁটৰে খুটিয়াই খুটিয়াই শব্দ কৰি সিহঁতে যেন ক'লে— বাইদেউ, তুমি কি কৈছিলা? আমি তোমাক এৰি যাব লাগে? নাযাও বাইদেউ, নাযাওঁ। এয়া চোৱা, আমি তোমাক এৰি নগ'লোঁ।

সিহঁতে সজাৰ ভিতৰৰপৰা পিৰিক্-পৰাক্‌কৈ তাইলৈ চাই থাকিল। সিহঁতে ঠোঁটেৰে খুটিয়াই শব্দ কৰিলে— খুট্-খুট্....।

..... দুগালে দুধাৰি চকুলো বোৱাই পৰী বহাৰ পৰা উঠিল আৰু কঁপা কঁপা হাতেৰে সজাৰ দুৱাৰখন বন্ধ কৰি দিলে।



# এখন নতুন পৃথিৱীৰ সন্ধানত

বিদিশা বুঢ়াগোহাঁই, স্নাতক তৃতীয় বৰ্ষ

*আন্ধাৰ হ'ব নোৱাৰোঁ*
*মচি দিব নোখোজোঁ*
*পাখি লগা অতীতক*
*কিদৰে পাহৰোঁ...*

শৰৎকালৰ এটা ধুনীয়া সন্ধ্যা। বাৰাণ্ডাত বহি থকা পংখীয়ে শুনিলে, ক'ৰবাৰপৰা ৰিণিকি ৰিণিকি গানৰ কলি এটা ভাঁহি আহিছে। পংখীয়ে কাণ উনালে— কোন দিশৰপৰা ভাঁহি আহিছে গানৰ কলিটো। কোনোবাই জানো পাহৰিব পাৰে অতীতক? ঠিক তাইৰ দৰে! তাইৰ দৰে আন কাৰোবাৰো চাগে প্ৰিয় এই গানটো। তাইৰ দৰে ছাগে তেঁৱো পাহৰিব নোৱাৰে অতীতৰ স্মৃতিবোৰ। গানটোৰ লগে লগে তাইৰ মনটোৱেও ঢাপলি মেলিলে অতীতলৈ। অতীতৰ দুঃসহ স্মৃতিবোৰলৈ।

পংখী এজনী মেধাৱী ছাত্ৰী। অষ্টম শ্ৰেণীৰ এই মেধাৱী ছোৱালীজনীয়ে খুউব ধুনীয়া কবিতাও লিখে। গল্প, কবিতা লিখি ভালপোৱা, গান শুনি ভালপোৱা, প্ৰকৃতিক ভালপোৱা, মানুহক ভালপোৱা এই ছোৱালীজনীয়েই এদিন সন্মুখীন হৈছিল জীৱনৰ এক জটিল সন্ধিক্ষণৰ। তাইৰ বান্ধৱী গীতিয়ে খবৰ আনিছিল— সিহঁতৰ স্কুলত ঠাইতে লিখা গল্প প্ৰতিযোগিতা পাতিছে। দুদিন পিছত হ'বলগীয়া সেই গল্প প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ তাই পংখীক দঢ়াই দঢ়াই ক'লে।

এসময়ত নিৰ্দিষ্ট দিনটো আহিল। মন নথকা সত্ত্বেও বান্ধৱীৰ অনুৰোধ পেলাব নোৱাৰি তাই নিৰ্দিষ্ট সময়ত বিদ্যালয়ত উপস্থিত হ'লগৈ। যথাসময়ত প্ৰতিযোগিতা আৰম্ভ হ'ল। তাই লিখিবলৈ আৰম্ভ কৰিলে। প্ৰতিযোগিতাৰ শেষত ফলাফল ঘোষণা কৰা হ'ল। বিচাৰকৰ বিচাৰ অনুসৰি পংখীয়েই প্ৰথম পুৰস্কাৰ লাভ কৰিলে। পুৰস্কাৰটো হাতত লৈ তাই খৰধৰকৈ ঘৰলৈ খোজ ল'লে। উদ্দেশ্য মাকক পুৰস্কাৰটো দেখুৱাই আচৰিত কৰি দিয়া। আনন্দৰ আতিশয্যত তাই হয়তো সন্মুখৰ পৰা আহি থকা ট্ৰাকখন নেদেখিলেই।

দুৰ্ঘটনা হোৱা দেখি দৌৰি আহিল কাষৰ মানুহবোৰ। তেওঁলোকে তাইক হস্পিতাললৈ লৈ গ'ল। পংখী এদিন ঘূৰি আহিল হস্পিতালৰ পৰা। কিন্তু তাই ভৰি দুখন হেৰুৱালে। খেলি ভালপোৱা, দৌৰি ভালপোৱা ছোৱালীজনী নীৰৱ হৈ পৰিল। কিন্তু হতাশ নহ'ল। বৰং দুগুণ উৎসাহেৰে তাই হাতত কলম তুলি ল'লে আৰু হৃদয়ৰ ভাষাবোৰক কলমেৰে ৰূপ দিবলৈ ল'লে।

০০০



ভায়েকৰ মাতত পংখীয়ে সম্বিত ঘূৰাই পালে। ভায়েকে তাইলৈ এটা খাম আগবঢ়াই দিলে। কৌতুহলী হৈ তাই খামটো খুলি চালে। সদৌ অসম ভিত্তিত হোৱা গল্প প্ৰতিযোগিতাত তাই প্ৰথম স্থান লাভ কৰিছে। এয়া তাইৰ বাবে এক বৃহৎ সাফল্য। তাই উৎসাহিত হ'ল। ভগৱানক ধন্যবাদ দি তাই আকাশলৈ চালে। এজাক জিলমিল তৰাৰ মাজত জোনটোৱে যেন হাঁহি আছে। তাইৰ এনে লাগিল তাই যেন এখন নতুন পৃথিৱীত প্ৰৱেশ কৰিছে। জোনটোলৈ চাই পংখীয়ে সংকল্প ল'লে— হাতৰ কলমটোক সাৰথি কৰি আগবাঢ়ি যোৱাৰ। ক'ৰবাত বাজি থকা গানটো ইতিমধ্যে শেষ হৈছিল। এটা নতুন গানৰ কলি ভাঁহি আহিল—

*মানুহে মানুহৰ বাবে*
*যদিহে অকণো নাভাবে.....*

পংখীয়েও সংকল্প ল'লে মানুহৰ বাবে, সমাজৰ বাবে কাম কৰাৰ...। বতাহজাকে যেন তাইক কাণে কাণে ক'লে— কলমৰ শক্তি বহুত বেছি......।

# স্বাধীন

পুণ্যশ্ৰী বেজবৰুৱা, স্নাতক দ্বিতীয় বৰ্ষ

সেউজ বজাৰলৈ গৈছিল। ঘৰ আহি পাওতে তাৰ কিছু পলম হ'ল। আন্ধাৰ হোৱাৰ বাবে ঘৰৰ বাৰাণ্ডাত বহি থকা দেউতাকক সি দেখা নাছিল। দেউতাকে তাক সুধিলে 'তোৰ ইমান পলম হ'ল কিয়?' সি কোনো উত্তৰ নিদিয়াকৈ ভিতৰলৈ সোমাই গ'ল। পাকঘৰত বজাৰ কৰি অনা বেগটো থৈ ভৰি-হাত ধুই সি নিজৰ কোঠাত সোমাল। দেউতাকে জানে, সি তেওঁৰ প্ৰশ্নৰ উত্তৰ নিদিয়ে। সেউজ আৰু দেউতাকৰ মাজৰ এই দূৰত্ব সদায় চলি আহিছে। দেউতাকৰ শাসনে সেউজক বিদ্ৰোহী কৰি তুলিছে। সি ঘৰৰ শাসন বৰ পচন্দ নকৰে। সৰুৰে পৰা সেউজ আৰু তাৰ ভনীয়েক আশাই শাসনৰ মাজতেই ডাঙৰ হৈছে। ভনীয়েক আশাই এই বিষয়ত বৰকৈ বিৰোধিতা নকৰে যদিও সেউজে বুজি পায় আচলতে তাই কি বিচাৰে।

সেউজহঁতৰ ঘৰ নলবাৰী জিলাৰ বিদ্যাপুৰত। সি ওচৰৰে কলেজ এখনত এম. এ. পঢ়ি আছে। সি তাৰ মাক-দেউতাক আৰু একমাত্ৰ ভনীয়েক আশাক বৰ ভাল পায়। শাসনৰ মাজেৰে ডাঙৰ হোৱা সেউজে সৰুতে লগৰ ল'ৰাৰ সৈতে কোনোদিনে ভালদৰে খেলিবলৈও পোৱা নাছিল। ক্ৰমান্বয়ে কৈশোৰ মনে এই শাসনৰ বিৰোধিতা কৰি মুক্ত হ'বলৈ বিচাৰিলে। কিন্তু সেই ইচ্ছা পূৰণ হ'বলৈ সম্ভৱ নোহোৱাৰ কাৰণ হ'ল ঘৰৰ পৰা ক'ৰবালৈ যাওঁতে, আহোতে আৰু প্ৰতিটো কামতেই সি দেউতাকৰ প্ৰশ্নৰ সন্মুখীন হয়। কিন্তু সেউজে প্ৰত্যেকটো প্ৰশ্নৰে উত্তৰ দিবলৈ প্ৰস্তুত নহয়। সি ভালদৰে জানে যে সি কোনো দিনেই বেয়া কাম কৰা নাই আৰু ভৱিষ্যতেও নকৰে। অন্ততঃ এনে বিশ্বাস দেউতাকে তাৰ ওপৰত ৰাখিব লাগে, সি এইটোৰেই বিচাৰে। সেয়ে সি স্বাধীন মনেৰে থাকি তাৰ ইচ্ছাবোৰ পূৰণ কৰাৰ পথত আগবাঢ়িছিল।

সেউজে ভালদৰে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি কলেজৰ অধ্যাপক হোৱাটো দেউতাকে বিচাৰিছিল। কিন্তু সেউজৰ একান্ত ইচ্ছা, সি পঢ়া-শুনা কৰি ব্যৱসায় কৰিব। তাৰ মতে পঢ়া-শুনা কেৱল চাকৰিৰ বাবেই নহয়। দেউতাক নিজে এজন শিক্ষক, সেয়ে তেওঁ শিক্ষকক বহু শ্ৰদ্ধা কৰিছিল। সেউজে প্ৰথম শ্ৰেণীৰ তৃতীয় স্থান পাই স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিলে। তাৰ ৰিজাল্ট পাই দেউতাকে কৰা আনন্দ দেখি তাৰ বৰ ভাল লাগিল। মাকে ভাবিলে সেউজৰ আৰু দেউতাকৰ মাজত থকা ব্যৱধান হয়তো নোহোৱা হ'ব। কিন্তু কথা বিপৰীত হ'ল। দেউতাকৰ কথা নামানি চাকৰি কৰিবলৈ অমান্তি হোৱা সেউজক ব্যৱসায়ৰ ক্ষেত্ৰত সহায় কৰিবলৈ দেউতাক অমান্তি হ'ল। ফলত ঘৰখনত অশান্তিয়ে দেখা দিলে।

সেইনিশা কোনেও ভাত নাখাই নিজৰ নিজৰ বিচনাত পৰি থাকিল। সেউজৰ টোপনি অহা নাছিল। নিজৰ ভৱিষ্যতৰ কথা কিবা-কিবি মনলৈ অহাযোৱা কৰি থাকোঁতেই সি দেখিলে— কোঠাটোৰ এটা কোণত মকৰা এটাই আপোনমনেৰে অতি সন্তৰ্পণে জাল গাঁথিব লাগিছে, জালত লাগি ধৰা ম'হ-মাখি তাৰ আহাৰ হ'ব। মকৰাবোৰো স্বাধীন। সিহঁতে আনৰ ঘৰত, আনৰ কোঠাত নিজ ইচ্ছাৰে জাল পাতিব পাৰে। ৰাতি আনৰ বাৰীলৈ গৈ ফল খোৱা বাদুলিবোৰো স্বাধীন। তাৰ এনে লাগিল যেন এই পৃথিৱীত তাৰ বাহিৰে সকলো প্ৰাণীয়েই স্বাধীন। নাই, নাই, সি এনেকৈ থাকিব নোৱাৰে।

পিচদিনা পুৱা সি গুৱাহাটীত থকা খুৰাকৰ ঘৰ ওলালগৈ। খুৰাকে তাক বহুবাৰ ঘৰলৈ ঘূৰি যাবলৈ ক'লে; কিন্তু সি মান্তি নহ'ল। সি ক'লে যে দিল্লীলৈ গৈ টেক্সটাইল ডিজাইনিঙৰ এটা কৰ্চ কৰিব। যিখন ঘৰত দেউতাকৰ সিদ্ধান্তই শিলৰ ৰেখা, সেইখন ঘৰত সেউজ মানসিকভাৱে একেবাৰে ভাগি পৰা যেন খুৰাকে অনুভৱ কৰিলে।...

এবছৰ সম্পূৰ্ণ কৰি সি পুনৰ ঘৰলৈ ঘূৰি আহিল নতুন আশাৰে। নিজস্ব পৰিকল্পনাৰে এটা ব্যৱসায় আৰম্ভ কৰিলে। দেউতাকে এইবাৰ তাক একো নক'লে। বৰঞ্চ সি নিজৰ ব্যৱসায়ত



সফল হৈ আগুৱাই যোৱাত দেউতাকে মনে মনে ভালেই পালে। সেউজৰ ভাব হ'ল, সি বাৰু দেউতাকক বৰ দুখ দিছে নেকি? কিছুদিনৰ পিছত সেউজক মাকে তাৰ বিয়াৰ কথা ক'লে। সেউজে কোনোদিনেই কাৰোবাক যে পচন্দ কৰি থৈছে সেই কথা মাকক কোৱা নাছিল। নোকোৱাৰ কাৰণ হ'ল সি ভাবিছিল তাৰ এই ইচ্ছাৰ ক্ষেত্ৰত দেউতাক কোনোপধ্যেই সন্মত নহ'ব। তথাপি সি সিদ্ধান্ত ল'লে— এই কথা সি দেউতাকক ক'ব; সি আৰু দেউতাকক দুখ দিব নিবিচাৰে। সি ভাবিলে, তাৰ মনৰ কথা দেউতাকক ক'লে তেওঁ ভাবি চিন্তিয়েই সিদ্ধান্ত গ্ৰহণ কৰিব। দিনটো এনে কথা চিন্তা কৰি তাৰ ভাল লাগিল যে সি তাৰ বিয়াৰ মাজেৰে দেউতাকৰ লগত দীৰ্ঘদিনীয়া দূৰত্ব নাশ কৰিব।

আনন্দতে ঘৰলৈ আহি মাকক সাৱটি ধৰি সি ক'লে, 'মা, আমাৰ ঘৰত সকলো ঠিক হৈ যাব।' দেউতাকক নেদেখি সি সুধিলে— 'মা, দেউতা ক'লৈ গ'ল?' মাকে ক'লে যে দেউতাক গুৱাহাটীত থকা বাল্যকালৰ বন্ধু এজনৰ ঘৰলৈ গৈছে। সেউজে দেউতাক অহালৈ গভীৰ ভাৱে বাট চাই ৰৈছিল প্ৰথমবাৰৰ বাবে।

গধূলি সাতমান বজাত সেউজহঁতৰ পদূলিত এখন এম্বুলেঞ্চ আহি ৰ'লহি। সিহঁতে দেখিলে— দুজন মানুহে বগা কাপোৰেৰে ঢাকি ৰখা এটা মৃতদেহ নমাই আনিছে। সকলো হতভম্ব, কাৰ হ'ব এই মৃতদেহ? কোনেও সাহস কৰা নাই আগবাঢ়ি যাবলৈ। সেউজ আগবাঢ়ি যাব ধৰোঁতেই এখন মাৰুতি গাড়ীৰ পৰা খুৰাক নামি আহিল। খুৰাকে কান্দি কান্দি ক'লে, 'দাদা আৰু নাই।' গুৱাহাটীলৈ গৈ থকা বাছখনৰ সৈতে বিপৰীত দিশৰ পৰা অহা এখন ট্ৰাকৰ সংঘৰ্ষত দেউতাকৰ মৃত্যু হৈছে। এই কথা শুনি মাক আৰু আশাই দেউতাকক সাৱটি কান্দিবলৈ ধৰিলে। তাৰ মূৰত সৰগ ভাগি পৰিল। সি চকুৰে একো নেদেখা আৰু কাণেৰে একো নুশুনা হৈ পৰিল। মাক আৰু ভনীয়েকৰ হিয়াভৰা কান্দোনো যেন সি শুনা নাই। দেউতাকৰ হাত এখনত ধৰি সি মাত্ৰ দেউতাককে চাই ৰ'ল। তাৰ চকুৰ পৰা এটোপা চকুপানী নোলাল। তাৰ বিদ্ৰোহ, ঘৰখনত তাৰ বাবে সৃষ্টি হোৱা অশান্তি বুকুত লৈয়ে দেউতাকে চিৰদিনৰ বাবে সকলোকে এৰি গুচি গ'ল। সি একো কৰিব নোৱাৰিলে, প্ৰচণ্ড অনুতাপত সেউজৰ অন্তৰ ভাগি পৰিল।

খুৰাক আহি তাৰ কাষত বহিল। খুৰাকে তালৈ চালে, তাৰ চকুযুৰিত দুখ উপচি আছে, কিন্তু চকুলো পাৰ ভাঙি বৈ অহা নাই। খুৰাকে তাৰ কান্ধত হাত থৈ ক'লে, 'সেউজ, আজিৰ পৰা তই সম্পূৰ্ণ স্বাধীন হ'লি।' সেউজৰ চকুৰ পৰা এইবাৰ বাৰিষাৰ ঢলৰ দৰে পাৰ ভাঙি বৈ আহিল পানী। খুৰাকৰ কান্ধত মূৰ থৈ হুকহুকাই কান্দিলে সি। কান্দি কান্দি থোকাথুকি মাতেৰে সি ক'ল, 'কিয় সদায়ে মোৰ লগত এনে হয় খুৰা? মইতো এনেকৈ স্বাধীন হ'বলৈ বিচৰা নাছিলোঁ।'

তাৰ সমস্ত বিদ্ৰোহ চকুলোৰে— .......উটি গ'ল.......।

# প্ৰত্যাৱৰ্তন

মেনকা প্ৰসাদ, স্নাতক দ্বিতীয় বৰ্ষ



কোঠাৰ খিৰিকীখন খুলি দিলে বৰ্ষাই। এচাটি বতাহ সোমাই আহিল কোঠাটোলৈ। বাহিৰত চৰাই-চিৰিকতিয়ে নৱ প্ৰভাতক আদৰণি জনোৱাত ব্যস্ত। কাষতে থকা বিচনাখনলৈ চালে বৰ্ষাই। নাই, মাকৰ তেতিয়াও টোপনি ভঙা নাই। বৰ্ষা বিখ্যাত ইঞ্জিনিয়াৰ ৰমনীকান্ত বৰুৱাৰ দ্বিতীয় সন্তান। বিজিত হৈছে বৰ্ষাৰ একমাত্ৰ ককায়েক। বৰ মৰমিয়াল স্বভাৱৰ। কিন্তু দুখৰ বিষয় বাৰ বছৰ আগতেই হঠাৎ এদিন ককায়েক ঘৰৰ পৰা যি নিৰুদ্দেশ হ'ল, সেই তেতিয়াৰ পৰা দেখা-দেখি নাই। বৰ্ষা বৰ অঁকৰা স্বভাৱৰ। দুৰ্নীতি তাই মুঠেই ভাল নাপায়। তাই স্পষ্টবাদী আৰু নিৰ্ভীক। সেইবাবে তাই দেউতাকক সকীয়াই থাকে। দেউতাক এজন দুৰ্নীতিপৰায়ণ ইঞ্জিনিয়াৰ।

মাজে মাজে তাইৰ ককায়েকলৈ বৰকৈ মনত পৰে। ক'লৈ গ'ল, ক'ত আছে, কি কৰিছে, আদি এশ-এবুৰি প্ৰশ্নই তাইক জুমুৰি দি ধৰে। কেতিয়াবা ঘৰখনত তাইৰ বৰ অকলশৰীয়া লাগে। দেউতাক অফিচলৈ গুচি যায়। মাক স্বাগতাই ওচৰৰে বিদ্যালয় এখনত শিক্ষয়িত্ৰী কৰে। সেই অকলশৰীয়া পৰিবেশত তাই ভাবে তাইৰ ককায়েক থকা হ'লে....। আচলতে ককায়েকক হেৰুৱাৰ বাবে একমাত্ৰ দায়ী দেউতাকেই। ককায়েকে দেউতাকৰ অন্যায়বোৰ দেখিব নোৱাৰে। এদিন বজাৰলৈ যাওঁতে বাটতে জুম বান্ধি থকা ল'ৰা কিছুমানৰ মাজৰ এটাই মাত দিলে—

'অ' বিজিত, বজাৰ কৰিলি নেকি?

'অ, বজাৰ কৰিলোঁ।'

তাৰ মাজেৰে আকৌ এটাই ক'লে— 'ঐ বাপেৰৰ দুই নম্বৰী টকাৰে খা মজা মাৰি। দুখীয়াৰ তেজ খাবলৈ পাইছতো। খা, খা, আৰুনো কিমান খাবি?'

কথাটো শুনি তাৰ মনটো মৰি গ'ল। সেইদিনাখনৰ কথাকেইটাই তাৰ মগজুত বৰকৈ খুন্দিয়াবলৈ ধৰিলে। মানুহে তাক প্ৰায়ে দেউতাকৰ কথা কৈ ঠাট্টা কৰে। এইবোৰ সহ্য কৰিব নোৱাৰি এদিন সি ঘৰৰ পৰা ওলাই গ'ল। সেই দিনটোলৈ বৰ্ষাৰ আজিও মনত পৰে। কিমান যে ভগৱানৰ ওচৰত কাকুতি-মিনতি কৰিলে। কান্দি-কান্দি কেইবাদিনলৈ ভাত-পানী এৰিলে। তাৰ পাছতে সিহঁতে সেই ঘৰ এৰি গুচি আহিল। মাক-দেউতাকেতো বিজিত মৰিল বুলিয়ে ধৰি লৈছে। কিন্তু তাই মাকহঁতৰ বিপৰীত। তাইৰ মতে ককায়েক এতিয়াও জীয়াই আছে। সি ইমান নিষ্ঠুৰ হ'ব নোৱাৰে। এদিন নহয় এদিন সি উভতি আহিবই।

এনেতে দুৱাৰত টক্ টক্ শব্দ হ'ল। দুৱাৰখন খুলিবলৈ মাক স্বাগতা আগবাঢ়ি গ'ল। দুৱাৰখন খুলিয়েই স্বাগতাই দুজন যুৱকক দেখিলে আৰু তেওঁলোকক ভিতৰলৈ মাতি বহিবলৈ দিলে। যুৱক কেইজনক দেখি স্বাগতাৰ বিজিতলৈ মনত পৰিল। সি থকা হ'লে আজি এনেকুৱা হ'লহেঁতেন।

আপোনা....।

স্বাগতাৰ কথা শেষ নহওঁতেই এজনে ক'লে— 'আমাক আপুনি বুলি নক'লেও হ'ব খুৰী।

বাৰু, তোমালোকৰ ঘৰ ক'ত?

'নাই। আমাৰ কোনো নিৰ্দিষ্ট ঘৰ নাই, গোটেই পৃথিৱীখনেই আমাৰ ঘৰ।' এজন যুৱকে ক'লে। স্বাগতাই আচৰিত হৈ সুধিলে— 'তোমালোকে কি ক'ব খুজিছা? মই ঠিক ধৰিব পৰা নাই।' 'বাৰু সেইবোৰ পাছতো ক'ম। আমি বৰ বিপদত পৰিহে আপোনালোকৰ ঘৰলৈ আহিলোঁ। আপোনালোকৰ ঘৰত আজি ৰাতিটো আশ্ৰয় ল'ব পাৰিমনে?' ইমান পৰে কথা শুনি ৰৈ থকা বৰ্ষাই তপৰাই মাত দিলে— 'পাৰিব! পাৰিব! নিশ্চয় পাৰিব।'

যুৱক দুজন আচৰিত হ'ল। বৰ্ষাই যুৱকদুজনক চাহ আনি দিলে। কথা বতৰা পতাৰ পাছত গম পালে সিহঁত দুজন এটা নিষিদ্ধ সংগঠনৰ সদস্য। পুলিচে সিহঁতক বিচাৰি চাৰিওফালে পিয়াপি দি ফুৰিছে। আজি কথমপি সিহঁত পুলিচৰ চকুৰ আগৰ পৰা সাৰি আহিছে। দুদিন হ'ল ভাত খোৱা নাই। সিহঁতৰ কথাবোৰ শুনি মাক-জীয়েকৰ বৰ বেয়া লাগিল। বৰ্ষাই তেওঁলোকৰ ঘৰত কোন কোন আছে সুধিলে। এজনে ক'লে— 'মা-দেউতা, ককাই-ভাই, বাই-ভনী সকলো আছে।' আনজনে দুখেৰে ক'লে তেওঁলোকৰ ঘৰত মাক-দেউতাক আৰু ভনীয়েকৰ বাহিৰে কোনো নাই। দেউতাক এজন দুৰ্নীতি-পৰায়ণ ব্যক্তি। দেউতাকৰ দুৰ্নীতিবোৰ সহ্য কৰিব নোৱাৰি সি বাৰ বছৰ আগতেই ঘৰৰ পৰা যি ওলাল আৰু আজিলৈকে কাকো দেখা নাই। স্বাগতাই যুৱকজনৰ কথাবোৰৰ লগতে মুখৰ আকৃতিটো যেন বিজিতৰ লগত মিল পালে। যুৱকজনে একেদৰে কথাবোৰ কৈ গ'ল— 'দুবছৰ আগতে এদিন ঘৰলৈ গৈছিলোঁ। কিন্তু তাত গৈ দেখিলোঁ সেই ঘৰটোত মা-দেউতাহঁত নাই। মানুহক সুধি গম পালোঁ তেওঁলোকৰ ল'ৰাজন নিৰুদ্দেশ হোৱাৰ পাছতেই সেই ঘৰ এৰি তেওঁলোক ক'ৰবালৈ গুচি গৈছে। আজি আপোনালোকক পাই মোৰ এনে লাগিছে যে মই মোৰ হেৰোৱা ঘৰখন পুনৰ ঘূৰাই পাইছোঁ।' এনেতে স্বাগতাই সুধিলে— তোমাৰ মা-দেউতাৰ নাম কি আছিল?

'মোৰ মাৰ নাম স্বাগতা আৰু দেউতাৰ নাম ৰমনীকান্ত বৰুৱা।'

স্বাগতাই যুৱকজন তেওঁৰে সন্তান বুলি জানি সাৱটি ধৰিলে। লগে লগে বৰ্ষাই 'দাদা' বুলি চিঞৰি দিলে। মিলন অশ্ৰুৰে গোটেই কেইজনৰ গালবোৰ তিতি গ'ল।

অনুবাদ গল্প

# হেৰোৱা শিশু


মূল ইংৰাজী— মুল্ক ৰাজ আনন্দ

ভাষান্তৰ— শৰৎ হাজৰিকা, *সহযোগী অধ্যাপক, বুৰঞ্জী বিভাগ*


বসন্ত উৎসৱৰ সময়। চহৰৰ জনবসতিপূৰ্ণ এলেকা আৰু সৰু সৰু আলিবাটৰ নিকুত্তাপ ছায়াত জাকে জাকে মানুহে ভুমুকি মাৰিছে। পিন্ধনত ৰং-বিৰঙী পোছাক, সকলোটি আনন্দত মচগুল। যেন গাঁতৰ পৰা ওলাই অহা জাক জাক সোণালী ৰঙৰ এন্দুৰহে। সূৰুযৰ ৰূপালী কিৰণ গাত সানি এই বিশাল জনসমুদ্ৰ চহৰৰ উপকণ্ঠৰ মেলাথলিৰ পিনে দ্ৰুতগতিত অগ্ৰসৰ হৈছে। কোনোবাজন খোজকাঢ়ি আহিছে, কোনোবাটো ঘোঁৰাত উঠি আহিছে, কোনোবাই আকৌ গৰুগাড়ী-ম'হৰ গাড়ীত আৰামত বহি আহিছে। এটা সৰুল'ৰা বাপেক-মাকৰ ভৰিৰ ফাকে-ফাকে খোজকাঢ়ি গৈ আছে। হাঁহি আৰু আনন্দৰে প্ৰাণোচ্ছল এই শিশুটিক ৰৌদ্ৰোজ্জ্বল প্ৰথম প্ৰভাতৰ ফুলৰ কলি আৰু গানৰ মূৰ্চ্ছনাই বাৰে বাৰে হাত বাউল দি মাতিছে মুকলি পথাৰখনলৈ।

দোকানত শাৰী শাৰীকৈ সজাই থোৱা ৰং-বিৰঙৰ পুতলাবোৰ দেখি তাৰ চকু থৰ লাগি গৈছে। সি পিছপৰা যেন দেখিলেই বাপেক-মাকে মাত দিয়ে— 'এই, আহ, আহ'।

বাপেক-মাকৰ মাত শুনিলেই সি তেওঁলোকৰ ওচৰলৈ দৌৰ দিয়ে, তেওঁলোকৰ আদেশ পালন কৰাৰ বাবে তাৰ বাধ্য ভৰি দুখন সাজু হৈয়েই থাকে। কিন্তু তাৰ চকুহাল পুতলাবোৰৰ পৰা আঁতৰি আহিব নিবিচাৰে। বাপেক-মাকে তাৰ বাবে বাট চাই আছিল। সি তেওঁলোকৰ ওচৰত ৰ'লহি। মনৰ আকাঙ্খা সি দমাই ৰাখিব পৰা নাই— 'মোক পুতলা লাগিব'। সি থেনথেনালে। অৱশ্যে বাপেকৰ শীতল চাৱনিত প্ৰকট হৈ উঠা সেই 'না' ভাবটোৰ লগত সি খুব ভালদৰেই পৰিচিত।

বাপেকে তাৰ পিনে চকু ৰঙা কৰি চালে। স্বেচ্ছাচাৰী শাসকৰ সেই চিৰ পৰিচিত চাৱনি। পুৱাৰ মুকলি বতাহত তাৰ মাকৰ মনটো কমোৱা তুলাৰ দৰে উৰি আছিল। তেওঁৰ অন্তৰখন গলি গ'ল। তাৰ পিনে চেনেহসিক্ত হাতখন আগবঢ়াই দি তেওঁ ক'লে, 'চোৱাচোন পুতাই, সৌৱা আগফালে কি!'

আকাঙ্খিত বস্তুটো নোপোৱাৰ দুখত সি মুখখন ওফোন্দাই ফেঁকুৰি উঠিছিল— 'মা - আ - আ -।' কিন্তু মাকৰ কথা শুনাৰ লগে লগে কিবা নতুন বস্তু দেখাৰ আশাত সি উৎসুকতাৰে আগলৈ চালে। তাৰ চকু-মুখ উজ্জ্বল হৈ উঠিল। সিহঁতে ইতিমধ্যে ধূলিময় ৰাস্তাটো অতিক্ৰম কৰি পথৰুৱা বাট এটাত ভৰি দিছিল। সন্মুখত ফুলেৰে ৰমক-জমক হৈ থকা সৰিয়হৰ বিস্তীৰ্ণ পথাৰ, পাতল হালধীয়া ৰঙৰ ফুলবোৰ। গলাসোণ বৰণৰ হালধীয়া ফুলবোৰ বতাহত ছন্দোময় গতিত দুলিব লাগিছে। মাইলৰ পিছত মাইল জোৰা যেন এখন হালধীয়া শিখাৰ নদীহে। বনৰীয়া বতাহৰ প্ৰতিটো আচাৰত ঢৌ খেলি দূৰৈৰ মৰীচিকাময় ৰূপালী ৰঙৰ মহাসমুদ্ৰৰ সন্ধানত ই যেন ঢাপলি মেলিছে। হালধীয়া পথাৰখন শেষ হ'লেই পোৱা যায় শাৰী শাৰী বোকা লিপা ঘৰ। চাপৰ, থেপাথেপি। তাৰ আশে-পাশেই ৰং-বিৰঙৰ পোছাক পিন্ধা মানুহৰ জুম। ভাঁহি আহিছে হুইছেলৰ লেথেৰি নিচিগা শব্দ, দুৱাৰৰ কেৰ্কেৰণি, মানুহৰ গুণ্‌গুণনি, হাঁহি-খিকিন্দালি আৰু বিচিত্ৰ হৈ-হাল্লা। কুঞ্জবনৰ মাজৰ পৰা আকাশ-বতাহ নিনাদিত কৰি ভাঁহি আহিছে মহাদেৱ শিৰৰ ভয়ঙ্কৰ অট্টহাঁহি।

উৎসৱৰ আনন্দত অভিভূত হৈ শিশুটোৱে তাৰ স্বভাৱসুলভ বিস্ময়েৰে বাপেক-মাকৰ পিনে চাইছে। তেওঁলোকৰ মুখতো আনন্দৰ ৰেখা বিৰিঙি উঠিছে। ৰাস্তাৰ পৰা নামি সি ঘোঁৰা পোৱালিৰ দৰে দেও দি দি জঁপিয়াই ফুৰিব ধৰিলে। সৰু ভৰি দুখনেৰে খুটুক্-খুটুক্ শব্দ কৰি নাচি বাগি বতাহত ভাঁহি অহা সুগন্ধিৰ মাজত সি আকণ্ঠ নিমজ্জিত হ'ল।

ৰং-বিৰঙৰ লাহি ডেউকা কোবাই এজাক জিঞ্জা আকাশত উৰি ফুৰিছিল। ফুলৰ বুকুত মৌৰস চুহিবলৈ অহা এটা কলীয়া ভোমোৰা আৰু পখিলাৰ সন্মুখত অগা-দেৱা কৰি সিহঁতে যেন বাটভেটা দিব খুজিছিল। জিঞ্জাৰ জাকটোৰ ওপৰত সৰু ল'ৰাটোৰ দৃষ্টি নিবদ্ধ হ'ল। সি জিঞ্জাৰ জাকটো খেদি ফুৰিব ধৰিলে। সিহঁতৰ কোনোবা এটাই ডেউকা জপাই কৰবাত বহি পৰিব আৰু সি তেতিয়া তাক ধৰি পেলাব। এবাৰ সি জিঞ্জাটোক প্ৰায় ধৰিয়েই পেলাইছিল, পিছে জিঞ্জাটোৱে তাক বাগি দি পাখি কোবাই কোবাই একা-বেঁকা বাটেৰে উৰি শূন্যতে ওপঙি থাকিল। এইবাৰ এটা কলীয়া ভোমোৰাই তাক আকৰ্ষণ কৰিলে। কাণৰ কাষত গুণ্ গুণ্ কৰি সাহসী ভোমোৰাটোৱে তাৰ ওঁঠত যেন চুমাহে যাচিব। ধৰিব খুজিলে সি বাৰে বাৰে আঁতৰি যায়। এনেতে সি মাকৰ মাত শুনিবলৈ পালে—

'আহ পুতাই, আহ, আহ। কাষেদি আহি থাক।'

মনৰ আনন্দতে সি দৌৰ মাৰি আহিল আৰু বাপেক-মাকৰ লগত একেলগে খোজ কাঢ়িবলৈ ধৰিলে। সন্মুখতে সৰু সৰু পকৰাৰ লানি। কেঁচুবোৰে পিলপিলাই ফুৰিছে। ৰ'দ পুৱাবৰ বাবে সিহঁত জাকে জাকে গাঁতৰ পৰা ওলাই আহিছে। পকৰাবোৰ চাই থাকোঁতে সি পিছপৰি ৰ'ল।

'হেই, আহ, আহ।' গছৰ তলৰ পৰা বাপেকহঁতে তাক মাতিলে। এটা কুৱাৰ পাৰত বহি বহি তেওঁলোকে তাৰবাবে অপেক্ষা কৰি আছিল। সি তেওঁলোকৰ ওচৰলৈ দৌৰ দিলে।

ওচৰতে এজোপা বুঢ়া বনিয়ান গছ। বনিয়ান জোপাই তাৰ সুবিশাল, শক্তিশালী শাখা-প্ৰশাখা চাৰিওফালে বিস্তাৰিত কৰিছে। ফুলিব ধৰা জামু, চম্পক, কঁঠাল আৰু শিৰীষ গছৰ ওপৰেদি নিজৰ বাহু প্ৰসাৰিত কৰি বুঢ়া বনিয়ানজোপাই বিস্তীৰ্ণ এলেকা ছাঁ দি আছে। আইতা এগৰাকীয়ে নাতিক মৰমতে চাদৰখনেৰে মেৰিয়াই লোৱাৰ দৰে বনিয়ানজোপাৰ ছাঁয়ো উজ্জ্বল সোণালী আৰু তেজৰঙী গুলমোহৰৰ বাগিচাখনক ওপৰৰ পৰা সাৱটি ধৰি আছে। প্ৰস্ফুটিত ফুলকলিবোৰে যেন লাজতে ৰঙা-চিঙা পৰি সূৰ্যদেৱতালৈ নৈবেদ্যহে আগবঢ়াইছে। সিহঁতৰ গাভৰু দেহৰ সুবাস কোনেও যাতে শুঙিব নোৱাৰে, তাৰবাবে কোনোবাই অনবৰতে পহৰা দি থকা সত্বেও এই ফুলবোৰে নিজকে আধা উদঙাই মৃদু মলয়া বতাহত চৌদিশে ৰেণুৰ সুৰভি সিঁচি দি অদম্য উচ্ছাসত মতলীয়া হৈছে।

কুঞ্জবনত প্ৰবেশ কৰাৰ লগে লগে তাৰ গায়ে-মূৰে যেন পুষ্পবৃষ্টিহে হ'ব ধৰিলে। বাপেক-মাকৰ কথা পাহৰি সি নিয়ৰসিক্ত ফুলৰ পাপৰি বুটলিব ধৰিলে। সি হঠাতে কপৌৰ কুৰুলি শুনিবলৈ পালে। লগে লগে সি দেউতাকৰ ওচৰলৈ দৌৰি গ'ল আৰু ফোঁপাই-জোপাই ক'ব ধৰিলে, 'কপৌ! কপৌ!' নিয়ৰসিক্ত ফুলৰ পাহিবোৰ ক'ব নোৱাৰাকৈয়ে তাৰ হাতৰ পৰা সৰি পৰিল। তাৰ বাপেক-মাকৰ চকুৰে-মুখেও কৌতুহলৰ ছাঁপ। অদূৰত এটা কুলিয়ে কু-উ, কু-উ কৈ প্ৰেমগীত জুৰিছে। কুলিৰ কোমল মাতত তেওঁলোকৰ অৱৰুদ্ধ আত্মাও মুক্ত বিহঙ্গ হৈ আকাশত উৰিব ধৰিলে।

'এই, আহ-আহ।' তেওঁলোকে তাক মাতিলে। মনৰ উলাহতে সি বনিয়ানজোপাৰ চাৰিওফালে দেও দি জঁপিয়াই দৌৰি ফুৰিছিল। তেওঁলোকে তাক মাতি আনিলে আৰু সৰিয়হৰ পথাৰৰ পৰা মেলাথলিৰ পিনে যোৱা অকোৱা-পকোৱা ঠেক আলিবাটেৰে আগুৱাব ধৰিলে।

সিহঁত যিমানেই গাঁৱৰ ওচৰ চাপি আহিছে, সিমানেই মেলাৰ পিনে যোৱা জাক জাক মানুহ চকুত পৰিছে। মেলা মহাসমুদ্ৰত বিলীন হ'বৰ বাবে সৰু সৰু আলিৰে জাক জাক মানুহে ঢাপলি মেলিছে। নতুন জগতখনত সোমাই অপাৰ বিস্ময়ত সি বিভ্ৰান্ত হৈ পৰিল। সি মন্ত্ৰমুগ্ধ হৈছে, উগুল-থুগুল ভাবো তাৰ মনলৈ আহিছে। প্ৰৱেশ পথৰ এচুকত মিঠাইৱালা এটাই চিঞৰিছে, 'গোলাপ জাম... ৰসগোল্লা... বৰফি... জেলেপী....।' সোণালী, ৰূপালী পাতেৰে ধুনীয়াকৈ সজাই থোৱা ৰংচঙীয়া মিঠাইৰ দোকানখনত মানুহে হেতা-ওপৰা লগাইছে। ল'ৰাটোৱে মুগ্ধ বিস্ময়ৰে সেইপিনে চাই আছে। বৰফিকেইটা চকুত পৰাৰ লগে লগে তাৰ জিভাৰ পানী পৰিব ধৰিলে। বৰফি তাৰ প্ৰিয় মিঠাই। 'মই বৰফি খাম।' সি কুনকুনালে। অৱশ্যে সি মোটামুটিভাৱে জানেই, বাপেকে তাক কেতিয়াও মিঠাই কিনি নিদিয়ে, বৰঞ্চ খকুৱা বুলি তাক বকিবহে। গতিকে বাপেক-মাকৰ উত্তৰলৈ বাট নাচাই সি খোজ ধৰিলে।

'গুলমোহৰৰ মালা..... গুলমোহৰৰ মালা' বুলি ফুল বেপাৰী এটাই চিঞৰি আছে। মৃদু মলয়াৰ বোকোচাত উটি-ভাহি ফুৰা ফুলৰ মাদকতাময় সুবাসে ল'ৰাটোক তীব্ৰভাৱে আকৰ্ষণ কৰিলে। ফুলেৰে উপচি থকা খৰাহিটোৰ ওচৰলৈ গৈ সি শুনা-নুশুনাকৈ পেনপেনাব ধৰিলে, 'মোক মালা এডাল দিয়া।' পিছে বাপেকেযে মালাডাল কেতিয়াও কিনি নিদিয়ে কেইকথা সি ভালদৰেই জানে। বাপেকে ক'ব— কামত নহা বস্তুতহে তাৰ চকু। জানি-বুজি সি বাপেক-মাকৰ উত্তৰলৈ বাট নাচাই

আগতীয়াকৈয়ে খোজ ল'লে।

হাতত এজোঁটা বেলুন লৈ এজন মানুহ বৈ আছিল। ৰঙা, নীলা, বেঙুনীয়া, হালধীয়া— নানাৰঙী বেলুনবোৰ আকাশত উৰিব ধৰিছে। ৰামধেনুৰ সাতৰঙী উজ্জ্বলতাৰে চকু চাট মাৰি ধৰা ৰঙীণ বেলুনবোৰে সৰু ল'ৰাটোক বাৰুকৈয়ে আকৃষ্ট কৰিলে। তাৰ মনত দুৰ্ব্বাৰ আকাঙ্খা জন্মিল— গোটেইবোৰ বেলুনকে সি কিনি পেলাব। কিন্তু সি ভালকৈয়ে জানে— বাপেকে তাক কেতিয়াও বেলুন কিনি নিদিয়ে। বৰঞ্চ এই বুলিহে ক'ব— তাৰ বেলুন ফুলাই ফুৰাৰ বয়স আছে জানো? সিতো এতিয়া কেঁচুৱা হৈ থকা নাই। গতিকে সি বিনা প্ৰতিবাদ আগলৈ গৈ থাকিল।

সন্মুখতে সাপ নচুওৱা বাজিকৰ এটাই সাপৰ খেলা দেখুৱাই আছে। পাচি এটাত কুণ্ডলী পকাই সোমাই থকা সাপ এডালক বাঁহী বজাই বজাই মানুহজনে বাহিৰলৈ উলিয়াই আনিছে। বাঁহীৰ সুৰে সুৰে ৰাজহাঁহৰ ডিঙিৰ নিচিনাকৈ সাপডালৰ ডিঙিটোও বেঁকা হৈ এবাৰ উঠিছে, এবাৰ নামিছে। ছন্দোময় গতিত সাপডালে নৃত্য কৰি আছে। বাঁহীৰ কোমল মধুৰ সুৰে জলপ্ৰপাতৰ ঢৌৰ নিচিনাকৈ সাপডালৰ অদৃশ্য কৰ্ণকুহৰত কঁপনি তুলিছে। সৰু ল'ৰাটোৱে তন্ময় হৈ সাপৰ খেল চোৱাত লাগিল। কিন্তু হঠাতে তাৰ মনত পৰিল— মাকহঁতে তাক সাপ নচুওৱাৰ পেঁপাৰ পেঁ পেঁ পেঁ পেঁ মাত শুনিলে দূৰতে বিদূৰ হ'বলৈ কৈছিল, সি লগে লগে তাৰপৰা আঁতৰি আহিল।

পূৰ্ণগতিত ঘূৰি থকা চকৰি এটাৰ সন্মুখত মানুহৰ জুম বান্ধিছে। মতা-তিৰোতা, ল'ৰা-বুঢ়া সকলোকে উঠাই লৈ চকৰিটোৱে পাকঘূৰণি খাই খাই উঠা-নমা কৰি আছে। মানুহৰ চিঞৰ-বাখৰ, হৈ-হাল্লা, উচ্ছল হাঁহি-তামচা। চকৰিত উঠি কোনোবাজনৰ আকৌ মূৰ আচন্দ্ৰাই কৰিছে। সৰু ল'ৰাটোৱে চকৰিটোৰ ফালে বৰ মনোযোগেৰে চাই গৈছে। তাৰ চকুযুৰি উজ্জ্বল হৈ উঠিছে, মুখত ফুটি উঠিছে হাঁহিৰ গুলপীয়া ৰেখা। আশ্চৰ্যত তাৰ মুখ মেল খাই গৈছে, আনন্দত তাৰ সৰু সৰু ওঁঠ দুটা কপি উঠিছে। তাৰ এনেহে লাগিছে সিও যেন চকৰিত উঠি ঘূৰিব লাগিছে। চকৰিটো প্ৰথমতে খুব জোৰত চলি থকা যেন লাগিছিল, পিছত ই লাহে লাহে এক নিৰ্দিষ্ট গতিত ঘূৰি থাকিল। সৰু ল'ৰাটোৱে ওঁঠত আঙুলি থৈ তন্ময় হৈ সেইপিনে চাই থাকিল। এইবাৰ সি তাৰ অদম্য হেঁপাহ দমন কৰি ৰাখিব নোৱাৰিলে। বাপেকে উঠিব নিদিয়ে বুলি জানিও সি এইবাৰ সজোৰে দাবী পেচ কৰিলে— দেউতা, মই চকৰিত উঠোঁ, মা, মোক চকৰিত উঠোৱা।

কোনো উত্তৰ নাহিল। সি পিছৰফালে ঘূৰি চালে। কিন্তু তাৰ মাক-দেউতাক তাত নাছিল। সি ইফালে-সিফালে চালে। ওহোঁ, তাতো তাৰ মাক-দেউতাক নাছিল। সি আগলৈ চালে, পিছলৈ চালে। কিন্তু ক'তোৱে সি মাক-দেউতাকৰ শুংসূত্ৰ নাপালে।

তাৰ শুকাই অহা ডিঙিয়েদি জোৰেৰে কান্দোন ওলাই আহিল। ভয়তে বেঙেমূতা গৰুৰ দৰে কঁপি কঁপি 'মা, মা, দেউতা, দেউতা' কৰি চিঞৰি চিঞৰি সি দৌৰিবলৈ ধৰিলে। তাৰ ভয়াৰ্ত দুচকুৰে ধাৰাসাৰে চকুলো বব ধৰিলে। ভয়তে সি থৰ-কাছুটি হেৰুৱালে, সি থৰ্-থৰ্কৈ কঁপিব ধৰিলে। বিততে হৈ সি এবাৰ ইফালে, এবাৰ সিফালে দৌৰি ফুৰিব ধৰিলে। ক'লৈ যাব, কি কৰিব, সি ভাবি পোৱা নাই, মাথোঁ দৌৰিছে। মা... আ.... আ, দেউ...তা - আ - আ। চিঞৰত সি গগন ফালিছে। চাৰিওফালে তাৰ চিঞৰ প্ৰতিধ্বনিত হৈছে। তাৰ চকুৰ পানী, নাকৰ শেঙুন আৰু মুখৰ লেলাৰটি একাকাৰ হৈছে। ঘামত তিতি গৈছে তাৰ গাৰ কাপোৰ। তাৰ হালধীয়া পাগুৰিটো বাবে বাবে খুলি গৈছে। গাৰ ঘামেৰে তাৰ ধূলিময় পোছাকযোৰ অধিক মলিয়ন হৈছে। তাৰ পাতল-লেৰেলা শৰীৰটো যেন শিলৰ দৰে গধুৰ হৈ পৰিছে। কিছুসময় খঙে-দুখে ইফালে-সিফালে দৌৰি-দৌৰি কৰি সি ভাগৰি পৰিল। পৰাজয়ৰ হতাশাত সি স্থিৰ হৈ গ'ল। তাৰ কান্দোন এতিয়া উচুপনিলৈ ৰূপান্তৰ হৈছে। অদূৰৰ সেউজীয়া ঘাঁহনিত এজাক মানুহে কথা পাতি আছে। তেওঁলোকে লেপ-লেপাই কথা কৈ আছে আৰু হাঁহিছে। সেই মানুহবোৰে যেন কথা ক'ব লাগে কাৰণেই কৈছে আৰু হাঁহিব লাগে কাৰণেই হাঁহিছে। উজ্জ্বল হালধীয়া ৰঙৰ কাপোৰৰ ফাকেৰে সি সেই মানুহবোৰক তন্ন-তন্নকৈ চাব ধৰিলে। কিন্তু সেই মানুহবোৰৰ মাজতো তাৰ মাক-দেউতাক নাছিল। সি আকৌ দৌৰিবলৈ ধৰিলে।

ওচৰৰে এঠাইত এটা মন্দিৰৰ সন্মুখত মানুহৰ ভীৰ দেখা গৈছিল। সি চিধাই সেইপিনে দৌৰ দিলে। মানুহৰ ভীৰত বিৰ দি বাট নোপোৱা অৱস্থা। 'মা-মা, দেউতা-দেউতা' কৈ উচুপি-উচুপি সি মানুহৰ ভৰিৰ ফাকেদি হেঁচুকি-গচকি আগলৈ গৈ থাকিল। মন্দিৰৰ প্ৰৱেশ পথত মানুহৰ ভীৰ ভয়ানকধৰণে বৃদ্ধি হৈছে। মানুহেই মানুহ। উজ্জ্বল তীক্ষ্ণ চকুবোৰে পিতপিতাই কিহবাৰ সন্ধান কৰিছে, পেশীবহুল হাতবোৰেৰে সন্মুখৰ জনক থেলি-হেঁচুকি তেওঁলোক আগলৈ যোৱাৰ চেষ্টা কৰিছে। তেওঁলোকৰ ভৰিৰ মাজেৰে সামান্য সুৰঙা উলিয়াই আগবাঢ়ি যাবৰ বাবে সৰু ল'ৰাটোৱে আপ্ৰাণ চেষ্টা কৰিছে। কিন্তু সেই পেশীবহুল মানুহবোৰৰ জান্তৱ হাতোৰাই থেলি-হেঁচি তাক ইফালৰ পৰা সিফাললৈ ঘূৰাই ফুৰিব ধৰিলে। এবাৰ সি কাৰোবাৰ ভৰিৰ গচকত চেপেটা লাগিবই ধৰিছিল। 'মা - আ - আ, দেউতা - আ - আ' বুলি সৰ্বশক্তিৰে চিঞৰ মাৰি নিদিয়া হ'লে সি হয়তো সিপুৰীয়ে পালেগৈহেঁতেন। ভীৰৰ মাজতে কোনোবা এজনে তাৰ আৰ্তনাদ শুনিলে। হেঁচা-থেলাৰ মাজতে কুঁজা হৈ তেওঁ তলৰ পিনে চালে আৰু অতি কষ্টৰে টানি-আজুৰি তাক থিয় কৰিলে।

'হেৰা ল'ৰা, তুমি কেনেকৈ এইখিনি পালা আহি? দেউতাৰাৰ নাম কি?' তেওঁ তাক সুধিলে। ভীৰৰ মাজেদি সুৰঙা উলিয়াই তেওঁ তাক বাহিৰলৈ উলিয়াই অনাৰ চেষ্টা কৰিছিল। সি এইবাৰ আগতকৈয়ো জোৰেৰে কান্দিব ধৰিলে। ফেঁকুৰি ফেঁকুৰি সি ক'লে, 'মোক মাক লাগে, মোক দেউতাক লাগে।'

